Year of publication 1882

# কল্কি

বা

## সভ্যতাৰ ভৱিষ্যৎ

এস্, ৰাধাকৃষ্ণণ

DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

প্ৰকাশ বিভাগ

ৰাষ্ট্ৰীয় পুস্তক ন্যাসৰ এখনি পুথি

# কল্কি

বা

## সভ্যতাৰ ভৱিষ্যৎ

ডক্তৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ

অনুবাদিকা

নীলিমা দত্ত

CALL NUMBER
901·9
R129K2

DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

প্ৰকাশ বিভাগ

প্ৰচাৰ আৰু অনাতাঁৰ দপ্তৰ

ভাৰত চৰকাৰ

October 1960 (Kartika 1882)
কাৰ্ত্তিক ( ১৮৮২ )

*By kind pehmission of*
the author and M/s. Hind Kitabs Ltd., Bombay-1

মূল্য : ৭৫ নঃ পঃ
75 nP.

KALKI : or the Future of Civilization
(*Assamese*)

প্ৰকাশক—ডিৰেক্টৰ—প্ৰকাশ বিভাগ, দিল্লী ৮। ছপাকাৰ্য্য—মুদ্ৰাকৰ শ্ৰীমুৰলীধৰ চ্যাটাৰ্জ্জি, চ্যাটাৰ্জ্জি এণ্ড কোং, ১৪।২ ওল্ড চিনাবাজাৰ ষ্ট্ৰীট, কলিকাতা-১।

## সূচীপত্ৰ


| | | | | |
|---|---|---|---|---|
| ১। | ভূমিকা | ... | ... | ৫ |
| ২। | বিপৰীত পৰিণতি | ... | ... | ১১ |
| ৩। | সমস্যা | ... | ... | ৩২ |
| ৪। | পুনৰ্গঠন | ... | ... | ৪৭ |

## ১। ভূমিকা

আজিৰ সভ্যতা পুণৰ এক সন্ধিক্ষণৰ সম্মুখীন হৈছে। জগতে পুৰণি ৰূপ সলাইছে। এপুৰুষ আগতেও যি জীৱন নিৰ্ব্বাহৰ মান, আদর্শ আৰু অনুষ্ঠান সমূহ সাধাৰণতে সমাজত গৃহীত হৈছিল, তাৰ বিৰুদ্ধে মানুহ আজি বিদ্ৰোহী হৈ উঠিছে আৰু সেইবোৰ ক্ৰমান্বয়ে সলনি হৈ আহিছে। পুৰণি আদর্শ দুৰ্ব্বল হৈ পৰিছে। নতুন শক্তিৰ উদ্ভাৱণ হৈছে। বৰ্ত্তমান চলিত অর্থ নৈতিক আৰু সামাজিক অৱস্থাৰ প্ৰতি মানুহে অসন্তুষ্টি প্ৰকাশ কৰিছে। মানুহ আজি নতুন ব্যৱস্থাৰ কাৰণে ব্যগ্ৰ। মানুহৰ মনত আছে অস্থিৰতা আৰু অনিশ্চয়তা। যুগ মানসৰ বিষয়ে দৃষ্টি থকা লোক সকল এই পৰিবৰ্ত্তণ সমূহৰ প্ৰতি বিশেষৰূপে সচেতন। মানুহৰ চিন্তাৰ খেলিমেলি আৰু অস্পষ্ট আদর্শ সমূহৰ প্ৰতি অস্থিৰ ব্যাকুলতাৰ পৰা এইটো বুজা যায় যে মানবতা এখোজ আগুৱাই যাব খুজিছে। এই অব্যৱস্থাৰ প্ৰধান কাৰণ সমূহৰ এটা হৈছে আধুনিক বিজ্ঞান। আমাৰ সভ্যতাৰ ক্ষেত্ৰত বিজ্ঞান নতুন কথা নহলেও কিছুদিনৰ ভিতৰতে ইয়াৰ গতি অতি দ্ৰুত হৈ পৰিছে। বিজ্ঞানৰ লগত সোনকালে খাপ খাবলৈকো ইয়াৰ পৰিসৰ অতি প্ৰসাৰিত আৰু গভীৰ। জন্তু এটাক তাৰ স্বাভাৱিক পৰিৱেশৰ পৰা আনি আন এটা পৰিৱেশৰ মাজত থৈ দিলে নতুন পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খাব নোৱাৰালৈকে সি অস্থিৰ হ'ব আৰু অসুবিধা পাব। ৰিপনৰ বিচপে কিছুদিনৰ কাৰণে বিজ্ঞানৰ পৰা ছুটিৰ কথা উল্লেখ কৰি তেওঁ মাত্ৰ আমাক সকিয়াই দিব খুজিছিল যে বিজ্ঞানে মানুহক নতুন নতুন আৱিষ্কাৰৰ যোগান ধৰি যি ক্ষিপ্ৰ গতিত আগবাঢ়িছে—এই আৱিষ্কাৰ

সমূহ ব্যৱহাৰ কৰোঁতা মানুহে সেই একে গতিত নিজকে সংশোধিত কৰি চলিব পৰা নাই।

দেখাত গোটেইখন জগতৰ সাদৃশ্য আছে। ইউৰোপ আৰু আমেৰিকাৰ দৰেই এচিয়া আৰু আফ্রিকা একেফালে আগবাঢ়িছে। মাত্র আগৰ কেইখনৰ গতি পিছৰ কেইখনৰ গতিতকৈ তীব্রতৰ। আধুনিকতাৰ বিশেষ চিহ্ন মটৰগাড়ী, আকাশী জাহাজ, বোলছবি আদি অতি পিছ পৰি থকা দেশবোৰতো দেখা গৈছে। প্রাকৃতিক শক্তি দমন আৰু প্রাকৃতিক সম্পদৰ ওপৰত ক্রমাগত ক্ষমতা বিস্তাৰৰ ভেটিত যে প্রগতি নির্ভৰ কৰিছে সেই বিশ্বাস চীনদেশত পৰা মেক্সিকোলৈকে বাঢ়িব ধৰিছে।

ভাৰতবর্ষ আৰু চীনদেশ আজি আধুনিকতাৰ প্রবাহত প্রবাহিত। পূবত অশান্তি এক নতুন চেতনাৰ কাৰণে। এই চেতনাৰ ফলত প্রাচ্যই আজি বুজিব পাৰিছে যদি পৃথিৱীৰ পূর্ব্বাঞ্চলৰ জাতি সমূহ ধ্বংস আৰু মৃত্যুৰ কবলত পৰিব নালাগে তেন্তে নিজৰ সংগঠন ক্ষমতা আৰু দুঃসাহসিক কার্য্যাৱলীৰ দ্বাৰা পৃথিৱীৰ সুদূৰ অঞ্চল সমূহ পর্য্যন্ত বিয়াপি থকা জাতি সকলৰ লগত সমকক্ষ হৈ তিষ্ঠি থকিব লাগিব।

ভীতি প্রচাৰকাৰী এদললোকে পূব আৰু পশ্চিমৰ মাজত সীমাৰেখা টানি আমাৰ মন সংশয়াচ্ছন্ন কৰিব খোজে। প্রকৃততে পূব আৰু পশ্চিমক তেনেদৰে বিভক্ত কৰিব নোৱাৰি। মানুহৰ বুদ্ধি আৰু উদ্দীপনা, প্রাকৃত বিজ্ঞান, কলা কৌশল, ৰাষ্ট্ৰৰ স্বৰূপ, আইনৰ ধাৰা, শাসন ব্যৱস্থা আৰু অর্থ নৈতিক অনুষ্ঠান সমূহৰ ফলত বিভিন্ন সংস্কৃতিৰ মানুহ একেডাল ডোলেৰে বান্ধ খাইছে আৰু পাৰস্পৰিক সান্নিধ্যলৈ আহিছে। আজিৰ জগত এক সংগঠনৰ ফালে ঢাল খাইছে।

অৱশ্যে এই বাহ্যিক সাদৃশ্য মনপ্রাণৰ অন্তর্নিহিত মিলনৰ পৰা

উদ্ভৱ হোৱা নাই। আমি লাভ কৰা এই নতুন সান্নিধ্যই আমাৰ সুখ বৃদ্ধি কৰিব পৰা নাই আৰু অশান্তিও কমাব পৰা নাই। কাৰণ আমি মনে প্ৰাণে এই মিলনৰ বাবে প্ৰস্তুত হোৱা নাই। মেক্সিম গৰ্কিয়ে এবাৰ বিজ্ঞান আৰু আশ্চৰ্য্যকৰ কাৰিকৰী আৱিষ্কাৰৰ বিষয়ে খেতিয়ক সকলৰ আগত বক্তৃতা দিবলৈ উঠোঁতে এজন খেতিয়কে কেনেকৈ তেওঁক সমালোচনা কৰিছিল তাক তেওঁ বৰ্ণনা কৰিছে। খেতিয়ক বক্তা জনে তেওঁক এইবুলি সমালোচনা কৰিছিল—আমি আকাশত চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, পানীত মাছৰ দৰে সাতুঁৰিবলৈ শিকিছোঁ কিন্তু পৃথিৱীত কেনেকৈ বাস কৰিব লাগে তাক আমি নাজানোঁ।” সৰু ভূমণ্ডল খনত ওচৰা ওচৰিকৈ থকা জাতি, ধৰ্ম্ম আৰু দেশবোৰৰ মাজত উৎকৃষ্ট জীৱনৰ বাবে আৱশ্যকীয় প্ৰীতিৰ ভাব নাই। বৰং এই সকলোবোৰে ইটোৱে সিটোক বিৰোধী শক্তি বুলিহে ভাবে। যদিও মানবতাই বাহ্যিক দৈহিক সাদৃশ্যৰ ৰূপ বহন কৰিছে তথাপি এতিয়াও ইয়াৰ ভিতৰত প্ৰাণশক্তিৰ অভাৱ। পৃথিৱীত আজি একক মনৰ সৃষ্টি হোৱা নাই।

স্পেংলাৰে তেখেতৰ বিখ্যাত গ্ৰন্থ “ডিক্লাইন অৱ ডি ওৱেষ্ট”ত এইটোকে প্ৰমাণ কৰিছে যে বিভিন্ন দেশৰ বিশিষ্ট আদৰ্শবাদী সংস্কৃতিয়ে সাৰ্ব্ব জনীন সভ্যতা আৰু কৃষ্টি গঠনৰ আশা ভঙ্গ কৰিছে। তেওঁৰ আকৰ্ষণীয় মতবাদ হৈছে জন্ম, ক্ৰমবিকাশ, অধোগতি আৰু লয়ৰ ঘটনাৱলী শৃঙ্খলিত হৈ থকা বিভিন্ন জাতি আৰু সংস্কৃতি সমূহ স্বতন্ত্ৰ। কিন্তু এই মতবাদ সঠিক নহয়। অতীতত সম্ভৱতঃ আঞ্চলিক সভ্যতা সমূহ ইটোৰ পাছত সিটোকৈ আহিছিল আৰু শৈশৱ, যৌৱন আৰু বাৰ্দ্ধক্যৰ বিভিন্ন পৰ্য্যায়ৰ মাজেদি আহি ধ্বংস প্ৰাপ্ত হোৱা সভ্যতা সমূহে পৰৱৰ্ত্তী সভ্যতালৈ উত্তৰাধিকাৰ এৰি থৈ গৈছিল। এনে ধৰণৰ সম্ভাৱনা এতিয়া কাৰ্য্যতঃ লোপ পাইছে। সীমাৱদ্ধ

প্ৰাদেশিক সভ্যতাৰ যুগ শেষ হৈ আহিছে। আনফালে আমি নিশ্চিত ভাৱে এই দৃষ্টিও ল'ব নোৱাৰোঁ যে মানৱতাৰ বুৰঞ্জী এক ধাৰাবাহিক প্ৰবাহ আৰু এই প্ৰবাহ আঞ্চলিক সম্পদ আৰু পৰিৱেশৰ বৈষম্যৰ কাৰণে বিভিন্ন ধাৰাত বিভক্ত হৈছে।

নিৰূপিত ঘটনাৱলীৰ পৰা এইটো বুজিব পাৰি যে বিভিন্ন সংস্কৃতি সমূহ দীৰ্ঘকাল জুৰি স্বতন্ত্ৰ ধাৰাত ঠন ধৰি উঠিছিল। পিছৰফালে ক্ৰমে ইটোৰ প্ৰতি সিটো ঢাল খাইছিল আৰু বৰ্ত্তমান এই সকলোবোৰ এক বিৰাট সমগ্ৰতাৰ মাজত মিলিত হবলৈ আগবাঢ়িছে। এক অপৰিৱৰ্ত্তনীয় অদৃষ্ট বশতঃ পশ্চিমীয়া সভ্যতা বাৰ্দ্ধক্যৰ মাজেদি পাৰ হৈছে বুলি স্পেংলাৰে যি মত পোষণ কৰিছে সেই মতৰ বিৰোধিতা কৰাটো সমীচীন নহয়। কাৰণ তেওঁৰ মতবাদৰ প্ৰকৃত সত্য কথাটো হ'ল যে সকলোবোৰ আঞ্চলিক সভ্যতা বিনাশমুখী হৈ আহিছে আৰু আজি বিশ্বৰ তুলাচনীত আমাৰ জীৱনৰ এক নতুন পৰীক্ষা চলিছে। ঐতিহাসিক কোনো সভ্যতা বা কৃষ্টিয়ে চৰম বিশ্বজনীনত্ব দাবী কৰিব নোৱাৰে কাৰণ প্ৰত্যেক সভ্যতাই হৈছে এদল ব্যক্তিৰ জীৱন্ত শক্তিৰ প্ৰকাশ মাথোন। এইখিনি কথাত বুৰঞ্জীৰ যুক্তিৰ বাহিৰে আন যুক্তি নাই। বুৰঞ্জীয়ে কোনো অমূৰ্ত্ত বিশ্বমানবসত্বা স্বীকাৰ নকৰে। সেইকাৰণে বিশ্বজনীন সভ্যতাও থাকিব নোৱাৰে। ভৱিষ্যৎ সভ্যতাই মানুহ আৰু মানৱ জীৱনৰ বিশ্বজনীন দৃষ্টি উদ্বোধন কৰিব লাগিব। অতীত আৰু বৰ্ত্তমানৰ আঞ্চলিক সভ্যতা সমূহ সকলো সময়তে মানৱ জাতিৰ প্ৰকৃত স্বাৰ্থৰ প্ৰতি অনুৰক্ত নহয়। এইবোৰ সভ্যতাই নাৰীৰ ওপৰত পুৰুষৰ আৰু দুখীয়াৰ ওপৰত ধনীৰ প্ৰভুত্ব চলাবৰ কাৰণে জাতি, ধৰ্ম্ম আৰু ৰাজনীতিৰ ক্ষেত্ৰত এদনীয়া আধিপত্য চলাব খোজে। পৃথিৱীৰ আদৰ্শ সভ্যতা হবলৈ প্ৰত্যেক ঐতিহাসিক কৃষ্টি নিজৰ সীমাৱদ্ধতা আৰু অযোগ্যতাৰ বিষয়ে সজাগ হোৱা আৱশ্যক।

তেতিয়াহে সমগ্র মানৱ জাতিৰ উপযুক্ত এক স্থায়ী সভ্যতা গঢ়ি উঠিব পাৰে।

যান্ত্ৰিক আৱিষ্কাৰ সমূহে ভৱিষ্যৎ সভ্যতাৰ সাধাৰণ ভেটি স্থাপন কৰিছে আৰু সেই কাৰণেই আধ্যাত্মিক মিলনৰ প্ৰস্তুতিৰ বাবে পুৰণি ভাৱ, বিশ্বাস, আৰু অভ্যাসৰ পৰিৱৰ্ত্তনো প্ৰয়োজনীয়। সকলো মানুহৰ মাজতে আজি পৰিৱৰ্ত্তনে দেখা দিছে। বিশেষকৈ যুৱক সকলৰ মনত। আন মানুহ যিমানেই জ্ঞানী বা বৃদ্ধ নহওক লাগে তেওঁলোকৰ হাতত কেৱল কুমাৰৰ হাতৰ মাটি হবলৈ যুৱক সকলে নিবিচাৰে। মানুহৰ মনত চেতনাৰ জোৱাৰ উঠিছে। পুৰণি ভাৱধাৰাৰ বুকুত মানুহে অনিশ্চয়তাৰ উমান পাইছে। আৰু তেওঁলোক অসন্তুষ্ট হৈ পৰিছে। মানুহে বিচাৰিছে জীৱনৰ নতুন মূল্যবোধ। আকাশে বতাহে আজি ধ্বংশৰ ক্ৰীড়া চলিছে। বিশ্বাসৰ পুৰণি ধাৰা ভাগি যাব ধৰিছে। প্ৰত্যেক দেশ আৰু ধৰ্ম্মৰ চিন্তাশীল ব্যক্তিৰ আধ্যাত্মিক ব্যাকুলতা আৰু প্ৰত্যাশাৰ লক্ষণ দেখা গৈছে।

নৈষ্ঠিক লোক সকলৰ লগত তৰ্ক কৰা মিছা। তেওঁলোকৰ বাহিৰে ঐতিহাসিক সভ্যতাৰ নেতা সকলে বিশ্বাস কৰে যে মানৱ জীৱনৰ বিভিন্ন ধাৰা আৰু বুৰঞ্জী এটা সংগঠন মাত্ৰ। বাঢ়ি অহা আপোন মহিমাৰ ফলত মানৱতা আজি সকলোৰে পূজ্য। মানৱৰ প্ৰগতিত আৰু কোনো শক্তিয়ে বাধা দিবলৈ সাহস নকৰে।

ডাণ্টেই কৈছিল—"সৰ্ব্ব মানৱৰ উন্নতিৰ বাহিৰে আন আদৰ্শ কোনো সভ্যতাৰ থাকিব নোৱাৰে আৰু এইটোৱেই হৈছে সভ্যতাৰ একমাত্ৰ লক্ষ্য।" সকলো সভ্যতাৰ এক লক্ষ্য মানে অৱশ্যে এইটো নুবুজায় যে সকলো মানুহ একে ভাষাভাষী হ'ব লাগিব, এক ধৰ্ম্মাৱলম্বী হ'ব লাগিব। একেখন ৰাষ্ট্ৰৰ তলত থাকিব লাগিব নাইবা তেঁওলোকে একে ধৰণৰ নিকপকপীয়া ৰীতি নীতিকে মানি

চলিব লাগিব। সভ্যতাৰ ঐক্য সাদৃশ্যৰ ওপৰতে নিৰ্ভৰ নকৰে। নিৰ্ভৰ কৰে আনৰ লগত সহযোগিতাৰ ওপৰত হে। বিবিধ আদৰ্শ আৰু প্ৰবৃত্তিৰ বিভিন্ন মানুহৰ মিলনৰ ফলত প্ৰত্যেক মহৎ সংস্কৃতি গঢ়ি উঠিছে। ইজিপ্ত আৰু বেবীলন, ভাৰত আৰু চীন, গ্ৰীচ আৰু ৰোমে ইয়াৰ সত্যতা প্ৰমাণ কৰিছে। সাংস্কৃতিক সংযোগ সাধণত বিশ্বাস কৰা লোকৰ সংখ্যা বাঢ়ি আহিছে। এনে ধৰণৰ সম্মিলন পৃথিবী জুৰি- বিয়পি পৰিছে। মানৱৰ ভৱিষ্যৎ আজি অভিন্নতা প্ৰতি পাদনৰ ওপৰত নিৰ্ভৰ কৰা নাই। নিৰ্ভৰ কৰিছে সঙ্গতি সাধনৰ ওপৰত। ইয়াৰ বাবে প্ৰয়োজন হ'ব আনক অনুকৰণ কৰাতকৈও আনৰ লগত নিজক খাপ খুৱাই চলাটোহে। এক নায়কত্বৰ ওপৰত ভৱিষ্যৎ সভ্যতা স্থায়ী হ'ব নোৱাৰে, ই স্থায়ী হ'ব মানুহৰ সহনশীলতাৰ ওপৰত হে।

## ২। ৰিপৰীত পৰিণতি

### ধৰ্ম্ম

ধৰ্ম্মৰ ক্ষেত্ৰত পাশ্চাত্যৰ দৰে প্ৰাচ্যতো বিৰাট খেলিমেলি চলিছে। মনোবিজ্ঞান, সমাজবিজ্ঞান, শৰীৰ বিজ্ঞান আৰু নৃতত্ত্বই প্ৰত্যেক প্ৰচলিত ধৰ্ম্ম তত্ত্ব সমূহৰ ভেটি বিনাশ কৰিব ধৰিছে। ধৰ্ম্ম সম্বন্ধীয় অভিজ্ঞতাৰ বিভিন্ন বিৱৰণে এটা সস্তীয়া ধাৰণা সমৰ্থন কৰে যে ঈশ্বৰ মানব মনৰ প্ৰতিচ্ছবি আৰু ই মানৱ অন্তৰৰ সপোন মাত্ৰ। যি সকল ধাৰ্ম্মিক মহাপুৰুষে আমাক পৰলোক আছে বুলি কয় সেই সকল লোকক মানসিক চিকিৎসালয়লৈ নি তেওঁলোকৰ মনোবিশ্লেষণ হ'ব পাৰে বুলি ভবা হয়। ধৰ্ম্ম সম্বন্ধে প্ৰচলিত যুক্তিয়ে আধুনিক মনক আস্বস্ত কৰিব পৰা নাই। প্ৰত্যেক ঘটনাৰ যদি কাৰণ আছে তেতিয়া হলে ঈশ্বৰৰো কাৰণ আছে। ঈশ্বৰ যদি কাৰণশূন্য তেন্তে এই সৃষ্টিও কাৰণ বিহীন। আমাৰ জগতখনৰ দৰে ভালে বেয়াই সংমিশ্ৰিত এখন জগৎ এজন সৰ্ব্বজ্ঞ আৰু সৰ্ব্বশক্তিমান ভগৱানৰ কাৰ্য্য নহয়। মানৱৰ ইতিহাসত ঐশ্বৰিক শক্তিৰ কোনো প্ৰমাণ পোৱা নেযায়। এম্ লজিয়ে কয় ঐতিহাসিক সকলে বুৰঞ্জী বিচাৰ কৰোঁতে ঈশ্বৰক আতৰ কৰিব লগা হোৱা নাই। সেই ক্ষেত্ৰত ঐতিহাসিক সকলৰ ভগৱৎ উপলব্ধি কৰাৰ প্ৰয়োজন হোৱা নাই। সকলো ভুল সংশোধিত হ'ব পৰা আৰু সকলো দুঃখ মোচন কৰিব পৰা এখন ন্যায় বিৰাজ কৰা পৃথিৱীৰ প্ৰতি আমাৰ আকাঙ্ক্ষাই কিবা যদি প্ৰমাণ কৰে তেন্তে এই জগতৰ অন্যায় প্ৰকৃতিয়েই প্ৰমাণ কৰে। ঈশ্বৰৰ অস্তিত্বৰ এনে কোনো প্ৰত্যক্ষ সাক্ষ্য বা প্ৰমাণ নাই যাৰ বলত আমি ক'ব পাৰোঁ যে ঈশ্বৰ এইয়া ইয়াতে আছে বা ঈশ্বৰ সৌৱা তাতে আছে। ঈশ্বৰৰ

চিনচাব বিচাৰি মানুহে হাবাথুৰি খাই ফুৰাৰ সময়ত ঈশ্বৰৰ মৌনতাই হৈছে নাস্তিকতাৰ সকলোতকৈ ডাঙৰ প্ৰমাণ। এই সকলো স্বত্বেও কোনোবাই যদি অজ্ঞানৰ দৰে ভগৱান বিশ্বাসী হয় ই আশ্চৰ্য্যৰ কথা একো নহয় বৰং দুখৰ হে কথা। স্বাৰ্থ পৰায়ন ধৰ্ম্ম তাত্ত্বিক সকলে যিয়েই নকওক লাগে তেওঁবিলাকৰ বিশ্বাস হ'ল পানীত তল যোৱা মানুহে খেৰে কুটাই ধৰি পোৱা আস্বাসৰ দৰে দুৰ্ব্বল।

বিভিন্ন ধৰ্ম্ম তত্ত্ব বোৰে নানা সাধুকথাৰ অৱতাৰণা কৰি মানুহৰ মনত সহজে ভগবানৰ প্ৰতি বিশ্বাস ওপজাব খোজে। তেওঁলোকে কয় এজন খঙাল ঈশ্বৰে দানবৰ লগত জেদ কৰি নাইবা মানুহৰ ওপৰত খংকৰি তেওঁলোকক অশেষ যন্ত্ৰণা ভুঞ্জিবলৈ দিলে। কিন্তু আন এটা মুহূৰ্ত্তত দয়ালু ভগৱানে নিজেই এই তথাকথিত অন্যায়ৰ প্ৰতিকাৰৰ অৰ্থে এক কৃত্ৰিম উপায় উলিয়ালে কাৰণ জগৎ আৰম্ভ কৰাৰ আগতেই ভগৱানে এই সকলোবোৰ কথা নিৰ্দ্ধাৰিত কৰি থ'ব লগা হৈছিল। এই অলৌকিক কাহিনীবোৰ পৃথিৱীৰ শৈশৱ কালৰ কাল্পনিক সাধুকথা। অতীতৰ শাস্ত্ৰ সমূহ বৰ্ত্তমান সমস্যা সমাধানত বিশেষ সহায়ক নহয়। বৰ্ত্তমান কালৰ প্ৰয়োজন অনুসৰি পুৰণি ধৰ্ম্ম শাস্ত্ৰবোৰৰ ব্যাখ্যা কৰাৰ যি কোনো প্ৰচেষ্টাই অতীতৰ প্ৰতি সম্মান জনায়—কিন্তু এই প্ৰচেষ্টাই বুদ্ধি বৃত্তিৰ সাধুতা নুবুজায়। ধৰ্ম্ম হৈছে অৱিকশিত মনৰ অনুসন্ধান। নিৰ্ভীক চিন্তাশীল লোক ইয়াকে লৈ ব্যস্ত নাথাকে। ভগবান নাই। এক উদাসীন আৰু আবেগশূন্য নিয়তিৰ হাতত আমি মাত্ৰ যন্ত্ৰ বিশেষ। এই নিয়তিৰ হাতত পাপপুণ্য অৰ্থহীন। অদৃষ্টৰ হাত সাৰি আমি ঘোৰ অন্ধকাৰত বিলীন হৈ যাওঁ।

আন কিছুমানৰ মত হ'ল—যদিও ঈশ্বৰৰ অস্তিত্বৰ কোনো প্ৰত্যক্ষ প্ৰমাণ নাই তথাপি ভগৱান যে নাই সেই বিষয়ে আমি

নিশ্চিত নহওঁ। ঈশ্বৰৰ অস্তিত্ব আমি ধৰি নলঁও বা অস্বীকাৰো নকৰোঁ। যি সকলে ধৰ্ম্মৰ প্ৰতি সহজ ভাৱ লব খোজে তেওঁলোকে যুক্তিৰে ঈশ্বৰ বিশ্বাস কৰিব নোৱাৰিলেও ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে সন্দেহৰ অৱকাশ ৰাখে। কাৰণ বিপদৰ সময়ত তেওঁলোকে ভগৱানকে মাতিব লগা হয়। অৱশ্যে নাস্তিক সকলে ক'ব খোজে আমি যেতিয়া ভগৱান কি বা কোন জানিব নোৱাৰোঁ তেনেক্ষেত্ৰত ভগৱান নাই বুলি কোৱাটোও অৰ্থহীন। তেওঁবিলাকে ঘোৰ নাস্তিকবাদ আৰু চৰম তত্ত্ববাদৰ মধ্যস্থ স্থান গ্ৰহণ কৰে। তেওঁবিলাকে ঈশ্বৰ আছে বা নাই কোনোটোকেই নকয়। মাথোঁ তেওঁলোকৰ কথা হ'ল এই সমস্যাটো সমাধানৰ বাহিৰত।

কিছুমানে আকৌ ধৰ্ম্ম তত্ত্বৰ ব্যৱহাৰিক মূল্যবোধৰ ওপৰত বিশ্বাস ৰাখে যদিও তেওঁলোকে ঈশ্বৰ বিশ্বাস বা এক অদৃশ্য শক্তিৰ লগত ধৰ্ম্মৰ আত্মবিলোপ হোৱা বুলি নুবুজে। তেওঁলোকৰ মতে আত্মাৰ মুক্তিতকৈও জগতৰ উন্নতিৰ কাৰণে আমি বেছি ব্যগ্ৰ। সমাজৰ উন্নতিৰ অৰ্থে আমি ধৰ্ম্মক কামত লগাব পাৰোঁ। কাৰণ ই সমাজৰ শান্তি আৰু উন্নতিৰ ক্ষেত্ৰত সহায়ক হয়। প্ৰত্যেক ধৰ্ম্মাৱলম্বীৰ বেছিভাগ মানুহেই ধৰ্ম্মচিন্তাৰ অশান্তিৰ মাজত নোসোমাই ধৰ্ম্মৰ পৰা কেৱল সুখ হে বিচাৰে আৰু সেয়ে এক অন্ধ ধৰ্ম্ম বিশ্বাসক অকোৱালি লয়। অতীতৰ প্ৰতি তেওঁলোকে এনে দৃষ্টি লয় যেন ইয়াৰ ভিতৰতে মানৱ অভিজ্ঞতা সকলোখিনি থুপ খাই আছে। যি মৃত সিয়েই যেন বাচি আছে আৰু জীৱিতক চলাইছে। বহুতে আধ্যাত্মিক মুক্তিৰ বাবে চৰম ব্যক্তিত্ব বাদৰ আশ্ৰয় লয়। কিছুমানে প্ৰকৃতি জ্ঞানলৈ মন মেলে। আৰু কিছুমানে সন্দেহবাদ আৰু নাস্তিকতাৰ মাজত সন্তুষ্টি লাভ কৰে। এনেকৈয়ে এক বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হয়।

যুদ্ধৰ ফলত হোৱা বিশৃঙ্খলা, বয়সত হোৱা বিবাহৰ অনুকূল অৰ্থনৈতিক পৰিস্থিতি, আত্মপ্ৰকাশৰ উন্মাদনা, পিতৃমাতৃৰ সন্তানৰ ওপৰত কমি অহা প্ৰভাৱ, অসম্পূৰ্ণ যৌন শিক্ষা, ফ্ৰয়েডীয় মনোবিজ্ঞান আৰু সন্তান জন্মৰ পৰা মুক্ত কৰিব পৰা জন্ম নিয়ন্ত্ৰনৰ জ্ঞান আৰু বহু কথাই আমাৰ আদৰ্শৰ শিথিলতা আনিছে। পুৰুষ যি নিয়ম কানুনৰ দ্বাৰা চালিত হৈছে তাৰ পৰা বিভিন্ন ধাৰাত চালিত হবলৈ নাৰীয়ে আজি যথাৰ্থতে অস্বীকাৰ কৰিছে। পুৰুষ আৰু নাৰীৰ প্ৰকৃতি বা মানসিকতাৰ পুৰনি মূলগত বৈষম্যবোৰ মানুহে নমনা হৈছে। যি কৌমাৰ্য্যৰ আদৰ্শৰ কথা কৈ পুৰুষে নাৰীক ইমান দিনে ভুৰুকিয়াই আহিছিল সেই আদৰ্শৰ প্ৰভাৱ নাৰীৰ মনৰ পৰা বহুখিনি কমি আহিছে। নাৰীও পুৰুষৰ দৰেই উৰনীয়া আৰু তেওঁলোকেও পুৰুষৰ দৰে আপোন ইচ্ছাৰে চলে। তেওঁলোকেও দৈনন্দিন ধৰাবন্ধা গতানুগতিকতাতকৈ ৰোমান্স ভাল পায় বুলি আমাক কোৱা হয়। নাৰী সমাজে আজি বেচ জোৰেৰে দাবী কৰিছে যে তেওঁলোক পুৰুষতকৈ হীনো নহয় আৰু উচ্চও নহয়—যৌন নিষ্ঠা আৰু যৌন শিথিলতাৰ ক্ষেত্ৰত নাৰী পুৰুষৰ সৈতে একে। তেওঁলোকৰ এই দাবীয়ে বহুখিনি সফলতাও লাভ কৰিছে। যৌন স্বেচ্ছাচাৰিতা হৈছে এক পুৰণি অভ্যাস। মানৱ জাতি আৰম্ভ হোৱাৰ পৰা এই অভ্যাস চলি আহিছে। কিন্তু এতিয়া আমি ইয়াৰ নতুন নামাকৰণ কৰিছোঁ অৰ্থাৎ আত্মপ্ৰকাশৰ ৰূপত স্বেচ্ছাচাৰিতাৰ যুক্তিযুক্ততা দেখুৱাবৰ চেষ্টা কৰিছোঁ। ভাল গল্প, উপন্যাসবোৰত যৌন শিথিলতা দেখুওৱা হৈছে আৰু সমাজত ইয়াক প্ৰচলিত কৰা হৈছে। অৰ্থাভাৱত পৰি পাপ কামৰ ব্যৱসায় কৰা তিৰোতাৰ সংখ্যা কমি আহিছে— এনে এটা অভিপ্ৰায়ত হে যে তেওঁলোকে কাম লিপ্সাক নিজা বাসনা

হিচাবে প্ৰশ্ৰয় দিব আৰু আনফালে বিবেকো ৰক্ষা কৰি চলিব। যৌন লিপ্সাৰ তাড়নাতকৈও বিবাহিতা তিৰোতাৰ প্ৰেমিক থকা উচিত—এনে এটা অনুভূতিবশতঃ বহুতে পাপ কামত নামিছে। কোনো কোনো চক্ৰত যৌন অতিচাৰ সামাজিক কৰ্ত্তব্য বুলিয়েই পৰিগণিত হ'বৰ উপক্ৰম হৈছে। যি স্থলত সামাজিক নিয়ম-কানুনবোৰ পুৰুষৰ কাৰণে সুবিধাজনক আৰু নাৰীৰ কাৰণে অসুবিধা-জনক তেনেস্থলত বহু নাৰীয়ে সেইবোৰ ৰীতিনীতিৰ দ্বাৰা চালিত হ'ব নোখোজে। এই ৰীতিনীতিবোৰ যিমানেই শিথিল, পক্ষপাতী, বা অন্যায়কাৰী নহওক লাগে সেইবোৰ লঙ্ঘন কৰাটো অসুবিধা আৰু বিপদজনক। আজিকালি আধুনিক গাভৰু চামৰ বহুতে অৰ্থনৈতিক মুক্তি বিচাৰে আৰু বিবাহ বন্ধন আৰু মাতৃত্বৰ দায়িত্বৰ পৰা মুক্ত থাকিবলৈ আকাঙ্ক্ষা কৰে। বিবাহ বিচ্ছেদবোৰ সংখ্যাত বাঢ়ি আহিছে। আৰু লৰাছোৱালীৰ কাৰণেহে পিতৃমাতৃৰ পৰস্পৰৰ মাজত উকিলৰ দ্বাৰা যোগাযোগ হয়।

এই বিবাহ সম্বন্ধে চাৰিটা দৃষ্টিভঙ্গী পৰিলক্ষিত হয়। চৰম তত্ত্ববাদী সকলে প্ৰচলিত মতকেই ধৰি লৈ শান্ত চিত্তে ঘোষণা কৰিছে যে যদিও প্ৰেমহীন বিবাহ দুঃখজনক তথাপি বিবাহহীন প্ৰেমে পৃথিবীত নৰকৰ সৃষ্টি কৰে। যিমানেই প্ৰেম নাথাকক লাগে বিবাহবিহীন মিলন এক ৰকম পাপ। আনফালে একেবাৰে প্ৰেমশূন্য হ'লেও যি কোনো ধৰণৰ বিবাহ মানেই ধৰ্ম্ম।

আদৰ্শ সমাজবাদী সকলে ক'ব খোজে যে পৰিবৰ্ত্তনশীল জগতত নিকপকপীয়া ৰীতিবোৰ তিষ্ঠি থকাটো অসম্ভৱ। উচ্চ আদৰ্শ লৈ আৰু ওপঙি ফুৰাৰ প্ৰয়োজন নাই। বাস্তৱ জগতলৈ নামি আহিলে আমি দেখিবলৈ পাওঁ ডাঙৰ ডাঙৰ কথা আৰু কাৰ্য্যৰ কিমান প্ৰভেদ। প্ৰচলিত মতবোৰ খামোচ মাৰি থাকিলে সমাজত বহু নাৰীৰ যৌন

তৃপ্তি নহয়। গ্রেটবৃটেনৰ দৰে দেশত পুৰুষতকৈ নাৰী কুৰি লাখ গুণে বেছি। ধৰ্ম্ম জীৱনত বিশ্বাস কমাৰ লগে লগে, ধৰ্ম্মৰ ক্ষেত্ৰত আত্মনিয়োগ কৰা মানুহৰ সংখ্যাও কমি আহিছে। আগেয়ে এই বেছি হৈ থকা তিৰোতা সকল ধৰ্ম্মৰ কামত নামিছিল। আজিকালি সেই আশাও কমি আহিছে। এনে অৱস্থাত যদি আমি এক বিবাহৰ ওপৰত জোৰ দিওঁ তেন্তে বহু সংখ্যক নাৰীৰ ওপৰত কুমাৰী জীৱন যাপি দিয়া হ'ব। কিন্তু এনেদৰে বাধ্যতা মূলক কৌমাৰ্য্য যাপি দিয়াও অসঙ্গতিমূলক কথা। প্ৰচলিত আইনৰ তলত ভুক্তভোগী সকলো যৌন ক্ষেত্ৰত অতৃপ্ত হৈ থাকিব বুলি উদ্বিগ্ন নহয়। কিছুমানৰ স্বাভাবিকতে মানসিক বিকৃতিয়ে দেখা দিয়ে। কাৰণ প্ৰবৃত্তিবোৰ ক্ষুধিত হৈ ৰ'লে মানুহৰ মন বিকৃত হৈ পৰে। অবিবাহিত সকলৰ সৰহ ভাগেই যৌন তৃপ্তিৰ কাৰণে অন্য উপায় অৱলম্বন কৰে। এই আস্বাভাৱিকতা বোৰৰ প্ৰতি যেন সকলোৱেই চকু মুদি থকাৰ প্ৰয়োজন হৈ পৰে। বহু বিবাহ অবৈধ হ'লেও বাস্তৱ ক্ষেত্ৰত ই চলি আছে। নীচতা, প্ৰৱঞ্চনা আৰু নানা ৰোগৰ সৃষ্টি কৰি বহু বিবাহে ইয়াৰ সংস্ৰৱত থকা বহুলোকক সমাজত তললৈ নমাইছে। ইফালে ডেকা মানুহৰ ক্ষেত্ৰত মৃত্যু পৰ্য্যন্ত ইজনৰ প্ৰতি সিজন অনুৰক্ত হৈ থাকিব বুলি প্ৰতিজ্ঞাবদ্ধ হোৱাটোও মূৰ্খামি। পৰস্পৃৰৰ মাজত বাধ্য-বাধকতাহীন আৰু চুক্তিবিহীন অৱস্থাতহে প্ৰেম নিষ্পাপ হ'ব পাৰে। আদৰ্শবাদী সকলে 'পৰীক্ষামূলক বিবাহ'ক সামাজিক অস্থিৰতাৰ সমস্যা সমাধান ক্ষেত্ৰত একমাত্ৰ উপায় বুলি ভাবে।

নিৰাশবাদী সকলে আজি নিশ্চয়কৈ জানে যে আমি অতীতলৈ ঘূৰি যাব নোৱাৰোঁ, আনফালে বৰ্ত্তমানেও আমাক কষ্ট দিছে। বিবাহ বিচ্ছেদেবোৰে একোখন সংসাৰ ভাঙি স্বামী স্ত্ৰীক নতুন বিবাহৰ কাৰণে মুক্তি দিছে আৰু তেওঁলোকৰ সন্তানসকল নতুন

শিশু সদনত পিতৃমাতৃৰ শাসন আৰু সত্য আদৰ্শৰ অভাৱত থাকি আলাই আথানি হৈছে। তেনেস্থলত নিৰাশবাদী সকলে হতাশ হৈ এনেবোৰ সমস্যাৰ সমাধান কৰিব নোৱাৰি, শেষত অদৃষ্টৰ হাতত সকলো এৰি দিছে। তেওঁলোকে ভাবিচিন্তি একো কৰিব নোৱাৰি নতুন পাৰিবৰ্ত্তনৰ কাৰণে বাট চাই আছে।

সাহসী দলটোৱে অৱশ্য ভাবে যে এই জীৱনটোৰ কাৰণেই সকলো। তেওঁলোকৰ মতে জীৱনৰ সন্মুখীন হবলৈ ভয়াতুৰ হোৱা সকল পুতৌৰ পাত্ৰ। তেওঁলোকৰ মতে ভীৰু লোক সকল জীৱনৰ উছাহ আৰু আনন্দৰ পৰা বঞ্চিত হয়, আৰু প্ৰকৃত দৃষ্টিৰে জীৱনৰ সন্মুখীন নহৈ তেওঁলোকে ফাকি দি চলে। এনে ধাৰণা লৈ এই সাহসী দলটোৱে পাপ কৰ্ম্মত নামে এক তুষ্প্ৰাপ্য আনন্দৰে। তেওঁলোকৰ কথা হ'ল উত্তেজনা আহিছে, অহা কাৰণেই যেন এইবোৰৰ তৃপ্তি হ'ব লাগিব। তেওঁলোকৰ মতে নিৰ্দ্দোষ শাৰীৰিক তৃপ্তিয়ে আত্মা কলুষিত কৰিব নোৱাৰে। আত্মা আৰু বুদ্ধিৰ মিল থকা সকলৰ লগত শাৰীৰিক সম্বন্ধ ঘটিলে দোষ একো নাই। মানৱৰ ক্ষেত্ৰত কিছুমান কথা ন্যায় অন্যায় হ'ব পাৰে কিন্তু প্ৰকৃতি জগতত সকলো কথাই শুদ্ধ। প্ৰকৃত নাস্তিকতাৰ দৃষ্টি লৈ তেওঁলোকে ক'ব খোজে যে প্ৰাকৃতিক শক্তি সমূহ কিছু সময়ৰ কাৰণে মিলিত হৈ যি দৰে একোটা মানৱ দেহা গঠন কৰে সেইদৰেই এটা ক্ষণত সেই পঞ্চভূতৰ শৰীৰ পঞ্চভূতত বিলীন হৈ যায়—তথাপি ইয়াৰ ভিতৰতে মিলনৰ সুযোগ আহিলে তাক গ্ৰহণ কৰা ভাল। আমি যদি পৰিপূৰ্ণভাবে, সুন্দৰভাবে আৰু বুকুত সাহস বান্ধি জীৱন কটাব খোজোঁ তেন্তে মৃত্যুৰ কবলত পৰাৰ আগতেই আমি জীৱনৰ গভীৰ স্বাদ পোৱাৰ দৰকাৰ। জীৱনৰ বাসনা কামনাবোৰ গোপন কৰি ভদ্ৰতাৰ মুখা পিন্ধাৰ প্ৰয়োজন নাই বুলি এওঁলোকে ভাবে। জীৱনটোৱেই হৈছে এটা অভিযান।

শক্তিক কার্য্যত পৰিণত কৰিব পৰাটোৱেই হল উত্তম কাৰ্য্য। যি সকলে প্রচলিত ন্যায় নীতি মানি চলে তেওঁলোকৰ জীৱন শুকাই যাব খোজে আৰু তেওঁলোকে আনবোৰ স্বাভাৱিক মানুহৰ কাৰ্য্য-কলাপবোৰ বুজি নেপায়। কাৰণ যিবোৰ শক্তিৰ প্রেৰণাত আনবোৰ মানুহে কাম কৰে সেইবোৰ শক্তিয়ে ভীৰু সকলক প্রেৰণা নোযোগায় চৰম ব্যক্তিত্ববাদী সকল প্রবৃত্তি আৰু বাসনাবোৰ সংযম কৰিবলৈ অনিচ্ছুক। তেওঁলোকৰ স্বাধীন জীৱন ধাৰাত কোনোবাই হস্তক্ষেপ কৰাটোও তেওঁলোকে ভাল নাপায়। তেওঁলোকে নীতি শাসনক প্রাচীন প্রতাৰণা বুলি ত্যাগ কৰে আৰু কুসংস্কাৰ বুলি পুতৌ কৰে। ব্যাভিচাৰ হৈছে তেওঁলোকৰ আন্তৰিক স্বাধীনতাৰ বহিঃপ্রকাশ মাথোঁন। প্রতিষ্ঠালব্ধ প্রথাবোৰেই তেওঁলোকৰ প্রধান শত্রু। সেয়ে ব্যক্তিত্ববাদী সকলৰ কথা হ'ল নতুন সমাজ গঢ়ি তোলাৰ আগতে পুৰণি প্রতিষ্ঠানসমূহ নিৰ্ম্মূল কৰিব লাগিব।

## অৰ্থনৈতিক সম্বন্ধ

নিজৰ কামত পৰৰ হস্তক্ষেপ নিবিচৰা ( Laissez faire ) তত্ত্বৰ প্রভাব সমাজত ক্রমান্বয়ে কমি আহিছে। মানুহৰ প্রতিযোগিতা আৰু চুক্তি কৰিব পৰা স্বাধীনতাৰ বিভিন্ন শক্তিৰ লগত সমাজখন স্বাভাৱিক ভাৱে খাপ খাই যাব পৰা এটা যন্ত্র নহয়। অর্থনৈতিক ব্যক্তিত্ববাদৰ ফলত সমাজৰ উচ্চ স্তৰৰ এক ক্ষুদ্র অংশত বিলাসী চৌখীন জীৱন আৰু তলত দৰিদ্র আৰু নির্যাতিত সকলৰ বহল জগত এখনৰ সৃষ্টি হৈছে। সমাজৰ এই অৱস্থা সদায় একেদৰে নেথাকিব। মানুহৰ নিয়ন্ত্রণৰ বাহিৰত থকা শক্তি সমূহৰ দ্বাৰা সমাজ আৰু ব্যক্তি গঢ়ি উঠে বুলি যি মত আছিল সেই মত আজিকালি সাধাৰণতে গ্রহণীয় নহয়।

যান্ত্রিক শক্তিয়ে আমাক গতানুগতিক কঠোৰ পৰিশ্ৰমৰ পৰা ৰক্ষা কৰিব আৰু শিল্প আৰু সংস্কৃতিৰ ক্ষেত্ৰত নিজক নিয়োগ কৰিবলৈ সময় দিব বুলি আশা কৰা হৈছিল। যথাৰ্থতে এই যন্ত্ৰবোৰে মানুহৰ বহুখিনি ক্লেশ দূৰ কৰিছে কিন্তু কোনো কোনো ক্ষেত্ৰত ই মানুহৰ পৰিশ্ৰমৰ মাত্ৰাও বঢ়াইছে। সূক্ষ্ম শ্ৰম বিভাজনৰ ওপৰত প্ৰতিষ্ঠিত আধুনিক শিল্পই বনুৱাৰ মনৰ পৰা কৰ্ম্মকুশলতা হৰণ কৰিছে। কাৰখানাৰ শ্ৰমিক সকলৰ মনত কৰ্ম্মৰ ৰহস্য, সৌন্দৰ্য্যবোধ আৰু শ্ৰমৰ প্ৰতি শ্ৰদ্ধা নোহোৱা হৈছে। শিল্পী সকল উৎপাদন বৃদ্ধিৰ যন্ত্ৰ হৈ পৰিছে। গতানুগতিক পৰিশ্ৰমে মানুহৰ শাৰীৰিক শক্তি ক্ষয় কৰিছে ই মনোজগতত আনন্দৰ সৃষ্টি কৰিব পৰা নাই। কৌশলপূৰ্ণ সৃজনী শক্তি বশতঃ বিকশিত হোৱা চৰিত্ৰ আৰু বুদ্ধিৰ প্ৰয়োজন হৈছে—অন্যান্য ক্ষেত্ৰত হে। বনুৱা সকলে আনন্দ বিচাৰে কৰ্ম্মক্ষেত্ৰৰ বাহিৰৰ জগতত। দৰমহা বৃদ্ধি, অধিক আজৰি, জিৰণি, শিক্ষা, আমোদ প্ৰমোদ আৰু আৰামৰ দাবী তেওঁলোকে কৰি আহিছে। কিন্তু ইমান কষ্টেৰে লাভ কৰা আজৰিপৰ বহু মূল্যৰ বিনিময়ত পোৱা উত্তেজনাত তেওঁলোকে নষ্ট কৰে। "টাইম স্কোৱাৰ" "পিকাডেলী চাৰকাচ", চৌৰঙ্গী চক্ৰত দিনে ৰাতিয়ে পয়ছা খৰছ হোৱা আমোদ প্ৰমোদ বিচাৰি আজৰি পৰ খিনি কটাই দি স্বাভাৱিক জীৱন ধাৰাৰ প্ৰাণহীন বিক্ততাৰ মাজতে কিছু শান্তি পাব পাৰি। কিন্তু পৰিশ্ৰমৰ সময়ত বাধা পোৱা বা মৰহি যোৱা প্ৰবৃত্তি বোৰৰ তৃপ্তিৰ কাৰণে আজৰিপৰ ব্যৱহৃত নহয়। সেয়ে আজৰি আজি

---

টোকা :—টাইম স্কোৱাৰ—লণ্ডনৰ এখন জনবহুল ঠাই আৰু বিলাসকেন্দ্ৰ।

পিকাডেলী চাৰ্কাচ :—লণ্ডন মহানগৰীৰ এখন অভিজাত ঠাই—দোকান বজাৰৰে ভৰা।

মানুহৰ জীৱনত আশীৰ্ব্বাদ হয় নে নহয় তাক লৈ প্ৰশ্ন উঠিছে। আজিকালি কাৰখানাৰ বনুৱা সকলে বাস কৰে অতি কদৰ্য্য ঠাইত আৰু প্ৰাণক তৃপ্ত কৰে চাহৰ দোকান আৰু ৰাজহুৱা প্ৰমোদ কক্ষত।

"যত যাৰ ধন তাতেই তাৰ মন"—এই কথা ফাকি সমাজ আৰু ব্যক্তি দুয়োৰো ক্ষেত্ৰত খাটে। এজন ব্যক্তি বা এখন সমাজে কিহৰ ওপৰত মূল্য দিয়ে তাক জানিব লাগিলে সেই ব্যক্তি বা সমাজে আজৰিপৰ খিনি কি দৰে খটুৱায় সেইটো জানিব লাগিব। মানুহৰ অধিক আশাভঙ্গ আনন্দৰ কথা নহয়। প্ৰত্যেক ধৰ্ম্মৰ মতে শ্ৰম, জিৰনি আৰু উৎসৰ্গা হৈছে মানৱ জীৱনৰ তিনিটা প্ৰধান প্ৰয়োজন! শ্ৰমৰ ভিতৰত সাধাৰণ প্ৰচেষ্টাৰ যোগেদি আনৰ সঙ্গলাভ কৰোঁ। সেই সঙ্গৰ ভিতৰেদি আনৰ পৰিচয় পাব পাৰোঁ আৰু আনৰ মঙ্গলাৰ্থে আমি নিজক খটুৱাব পাৰোঁ। জিৰনি পৰত স্বাধীন চিন্তা আৰু দৃঢ়তাৰ ভিতৰেদি স্বতন্ত্ৰতা পাব পাৰোঁ। উৎসৰ্গাৰ ভিতৰেদি মহাবিশ্বৰ চৈতন্যশক্তি আৰু সকলোৰে উদ্দেশ্যক উপলব্ধি কৰিব পাৰোঁ। আজি কিন্তু শ্ৰমে মানুহৰ সামাজিক প্ৰবৃত্তিবোৰ বিনাশ কৰি ইজনৰ পৰা সিজনক আতৰাই নিয়াত হে ব্যস্ত। মানুহৰ অন্তৰ্দৃষ্টি নাশ কৰাৰ কাৰ্য্যত হে জিৰণি আজি ব্যৱহৃত হৈছে, আৰু জীৱনৰ হীন মূল্যবোৰ গ্ৰহণ কৰাৰ ফলত উৎসৰ্গাৰ মাজত মানুহৰ আধ্যাত্মিক ভাৱ লোপ পাইছে। নিসঙ্গ অৱস্থা আমি সহ্য কৰিব নোৱৰা হৈছোঁ। আমি অকলশৰীয়াকৈ থাকিব নোৱাৰোঁ। শ্ৰম, জিৰণি, আৰু পূজাৰ সময়ত নিসঙ্গ হলে নিজক বৰ্জ্জিত যেন লাগে। মানুহে কাৰখানাত কাম কৰে, জনতাৰ মাজত আনন্দ কৰে, লগ লৈ পাপ কাম কৰে আৰু সকলো থুপ খাই ধৰ্ম্ম কৰে। ঘৰৰ শান্ত সন্ধিয়া, নিৰ্জ্জন বিহাৰ, আত্মাৰ উৎকৰ্ষ সাধন আৰু ধ্যান আদি আজিকালি মানুহৰ ভাল নালাগে। এই যুগটো হৈছে

অস্থিৰতাৰ যুগ। যি দৰে অভাৱেই বিজ্ঞান আৰু আভিৰ্ভাৱৰ মূল ঠিক সেইদৰেই আজৰিয়েই হৈছে কলা, দৰ্শন, আৰু সাহিত্যৰ মূল। শক্তিৰ সভ্যতাই আজি আমাক স্থস্থিৰ সাধনাৰ কাৰণে আজৰি নিদিয়ে। এই সভ্যতা হৈছে আত্মাৰ প্ৰশান্ত, নিৰাশক্ত আৰু নিৱিষ্ট চেতনাৰ প্ৰতিকূল সভ্যতা। আনফালে এই খিনিৰ অভাৱত প্ৰকৃত চিন্তা হ'ব নোৱাৰে। বহু বিদ্যাৰ ফলতো জ্ঞান বিকাশ নহয়।

তদুপৰি শিল্পযুগে আমাক ধনলিপ্সু কৰি তুলিছে। এই কথা নিশ্চিত যে ধনৰ বলত আমি অসম্ভৱ কামো সম্ভৱ কৰিব পাৰিম। ধনৰ বলত স্বৰ্গ ৰাজ্যত সোমাব পাৰি। যি কোনো উপায়ে কৃতকাৰ্য্যতা লাভ কৰাই হৈছে আমাৰ আদৰ্শ। যি সকলে ধন ঘটাৰ স্থযোগ লাভ কৰে সেই সকলে সমাজৰ বুকুত উচ্চ স্থানো অধিকাৰ কৰে। শিল্প বিপ্লৱৰ আগতে আমাৰ সামাজিক মূল্য বোধৰ আদৰ্শ অন্য আছিল। সাধু, শিক্ষিত, কবি দাৰ্শনিক শ্ৰেণীৰ লোকে সমাজৰ উচ্চ স্থান লাভ কৰিছিল। যি সকল লোক পাৰ্থিব প্ৰভাৱৰ পৰা মুক্ত আৰু যি সকল লোকে সাহিত্য বা আধ্যাত্মিক ক্ষেত্ৰত স্থখ্যাতি লাভ কৰিছিল সেই সকলেই সমাজক চালিত কৰিছিল। যি যুগত দৰিদ্ৰ সকলো সম্মানী আৰু প্ৰজা ভাজন আছিল, সেই যুগ আজি উকলি গৈছে। ধন উপাৰ্জ্জন কৰাটোৱেই আজিকালি এটা জনপ্ৰিয় ব্যৱসায়।

শিল্প আন্দোলনৰ আটাইতকৈ ভয়াবহ ফল ৰূপেই পাৰিবাৰিক জীৱনত ফাট মেলিলে। আমেৰিকা আৰু ৰুছিয়াত আজি কি হৈছে? সেইবোৰ দেশত পৰিয়ালৰ প্ৰত্যেক ব্যক্তিয়েই অৰ্থনৈতিক স্বাধীনতা বিচৰাৰ ফলত তেওঁলোকৰ মাজত পাৰিবাৰিক বান্ধোন দুৰ্ব্বল হৈ আহিছে। পুৰুষ আৰু নাৰী উভয়ে আজি ঘৰৰ বহিৰত

কাম কৰে। আৰু তেওঁলোকৰ লৰাছোৱালীয়ে ঘৰত শোৱাৰ বাহিৰে বাকীখিনি সময় স্কুল কলেজত পঢ়াশুনা কৰি আৰু বলখেলা পথাৰত আৰু চিনেমা ঘৰত আমোদ প্ৰমোদ কৰি কটায়। ট্ৰটস্কিয়ে "প্ৰবলেম অব্ লাইফ্" নামৰ কিতাপত ৰুছিয়াৰ বিষয়ে লিখিছে। যুদ্ধ বিপ্লৱ আদি ডাঙৰ ডাঙৰ ঘটনাৰ মাজত পৰিয়ালবোৰ চেপা খাইছে। এনে ক্ষেত্ৰত আজি সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্ত্তনৰ প্ৰয়োজন হৈ পৰিছে। এই পৰিবৰ্ত্তন হলেহে মানুহক নানা ৰূপে ক্লেশ দি পৰিয়ালবোৰ ভাঙিব খোজা শক্তি আৰু অশান্তিৰ পৰা মুক্তি লাভ কৰিব পৰা যাব। কাপোৰ কানি ধোৱা কামবোৰ ৰাজহুৱা ৰজকালয়ত কৰিব লাগিব। খোৱাবোৱা কাম হোটেলবোৰে চলাব লাগিব। চিলাই আদি কামো গাইগুটীয়াকৈ নহৈ ৰাজহুৱা ভাবে হ'ব লাগিব। যি সকলে শিক্ষকতাকে বৃত্তি হিচাবে ল'ব খোজে তেনে উপযুক্ত ৰাজহুৱা শিক্ষকৰ দ্বাৰা লৰাছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। তেনে ক্ষেত্ৰত হে স্বামী- স্ত্ৰীৰ মনৰ বান্ধ সকলো ৰকমৰ বাহ্যিকতা আৰু আলাগতিয়াল কথাৰ পৰা মুক্ত হ'ব, এজনে আনজনৰ জীৱন গ্ৰাস কৰাৰ প্ৰশ্ন আৰু তেতিয়া নুঠে।" মুঠতে নাৰী আৰু পুৰুষ উভয়ৰে স্থান আজি ঘৰখনত নহয়।

একোটা শিল্প যুগে মানুহৰ নতুন নতুন অভাৱ সৃষ্টি কৰিবলৈ বিচাৰে। গ্ৰাহক সকলৰ যিমানে অভাৱ দূৰ হয় সিমানে লোভ বাঢ়ি গৈ থাকে। অভাৱ বাঢ়ি যোৱা আৰু অভাৱ পৰিপূৰণৰ মাত্ৰা বাঢ়ি গৈ থকাটোৱেই হৈছে অৰ্থনৈতিক উন্নতিৰ লক্ষণ! এনেধৰণৰ উত্তেজনাপূৰ্ণ প্ৰতিযোগিতাৰ দ্বাৰা আমাৰ জীৱনৰ ৰিক্ততা বহুখিনি

ট্ৰট্স্কি :—ৰুছিয়াৰ বৈপ্লবিক নেতা সকলৰ অন্যতম। তেখেতে ৰুছিয়াৰ বিপ্লৱৰ ইতিহাস লিখিছিল। ট্ৰট্স্কি আছিল বৈপ্লৱিক ৰুছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী।

ঢাকি ৰাখোঁ। ব্যক্তিগত ৰুচি বা দক্ষতাৰ আজি স্থান নাই। যাঁন্ত্রিক যুগে সমাজৰ সমূহীয়া প্রয়োজনীয়তাৰ হে যোগান ধৰিছে! শিল্পৰ নিদর্শন আজিকালি মানুহৰ ঘৰৰ বেৰত হে পোৱা যায়।

## ৰাজনীতি

দেশে দেশে আজি প্রজাতান্ত্রিক শাসন-প্রণালীৰ পৰীক্ষা চলিছে। ৰাজনৈতিক ব্যৱস্থা হিচাবে ই জনপ্রিয় হোৱা নাই। ইটালি আৰু স্পেইনত সাধাৰণতন্ত্র অকৃতকার্য্য হৈছে। ৰুছিয়া আৰু চীন দেশত এই শাসন-প্রনালী প্রকৃতপক্ষে খাপ খোৱা নাই। আনকি পূব ইউৰোপৰ কিছু অংশ আৰু দক্ষিণ আমেৰিকাত সাধাৰণ তন্ত্রৰ দৰে যি চৰকাৰ চলিছে তাতো বহু সন্দেহৰ উদ্ভৱ হৈছে।

লর্ড ব্রাইচে কয় চুইজাৰলেণ্ড আৰু স্কাণ্ডিনেভিয়াৰ দৰে সৰু দেশৰ বাহিৰে আনদেশত প্রকৃত সাধৰণতন্ত্র কৃতকার্য্য হোৱটো সন্দেহজনক।

একনায়কত্ববাদী শাসনৰ পৰা মুক্ত হবলৈকে প্রজাতান্ত্রিক শাসন-প্রণালীক আহ্বান জনোৱা হৈছিল। কিন্তু আজি আমি এই শাসন-প্রণালীৰ কার্য্যকাৰিতাত সন্তুষ্ট নহওঁ। আমি এইটোৱেই উপলব্ধি কৰিছোঁ যে শাসন-প্রণালী এটা কৌশল। এই কৌশলত যি সকল সিদ্ধহস্ত সেই সকলেহে শাসনভাৰ ল'ব পাৰে। প্রজাতন্ত্র শাসন-প্রণালীৰ তলত প্রকৃতপক্ষে যোগ্য লোক সকল বহু সময়ত দেশ শাসনৰ পৰা বাহিৰত থাকে।

ৰাজনীতিৰ ক্ষেত্রতো আজি যন্ত্রৰ যুগ চলিছে। প্রজাতন্ত্রৰ নামত কিছুমান অদৃশ্য গোষ্ঠীয়ে দেশ শাসন কৰে মাত্র। নির্ব্বাচিত প্রতিনিধি সকলৰ স্বাধীনতা নাই বা নিজে নিজে কোনো এটা কামৰ আগভাগ ল'ব পৰা শক্তিও নাই কাৰণ তেওঁলোক হৈছে ডাঙৰ শাসন যন্ত্রটোৰ একোটা অংশ হে মাথোঁন। সভ্য সকলৰ 'ভোট'

আকৌ তেওঁলোকৰ অন্তৰৰ গভীৰ বিশ্বাস, লোক সভাৰ তৰ্কবিতৰ্ক আনকি তেওঁলোকৰ নিৰ্ব্বাচন সমষ্টিৰ মতামত কোনোটোৰ দ্বাৰাই প্ৰভাৱান্বিত নহয়। আলোচনা হয় এই ক্ষেত্ৰত অযথা, তৰ্কবিতৰ্ক যায় অথলে। প্ৰজাতন্ত্ৰ মাত্ৰ নামত হে চলে।

সাধাৰণতে প্ৰজাতন্ত্ৰ ব্যক্তি স্বাধীনতাৰ পক্ষপাতী নহয়। ইউৰোপ আৰু আমেৰিকাৰ দৰে অতি প্ৰজাতন্ত্ৰবাদী আৰু চৰম ব্যক্তিত্ববাদী দেশতো ব্যক্তি সন্মান একেবাৰে নাই। স্বাধীন দেশ সমূহত চলিছে মৌলিক তত্ত্ববাদ। ( fundamentalism ) আৰু স্বাধীন দেশতো জাতি আৰু বৰ্ণৰ ওপৰত "কু ক্লুক্স" আৰু "নৰডিক" অত্যাচাৰ। এনেদৰে এই অত্যাচাৰী জাতি সমূহে আপোন সংস্কৃতি প্ৰচাৰ কৰে। কিছুমান সংগঠনে আকৌ ভিন্নমত প্ৰকাশ কৰা ব্যক্তিক প্ৰতিশোধৰ ভয় দেখুৱায়। চোভিয়েট ৰুছিয়াত নিজা ইচ্ছামতে কোনো মানুহে একো কৰিব নোৱাৰে। বিৰাট শাসন যন্ত্ৰটোৰ কাৰ্য্যকৰী সক্ষমতাৰ বাবে প্ৰত্যেক ব্যক্তিৰে কৰ্ত্তৃপক্ষই নিৰ্দ্ধাৰিত কৰি দিয়া স্থান আছে। আৰু প্ৰত্যেককে ইয়াৰ কাৰণে শিক্ষা দিয়া হয়। এই দেশত বিবেকৰ মুক্তি আৰু ধৰ্ম্মৰ স্বাধীনতা কোনো মানুহৰ নাই।

প্ৰজাতন্ত্ৰই আজি মানুহৰ অজ্ঞতা, হীনৰুচিবোধ আৰু দেশৰ বিশৃঙ্খল অৱস্থাৰ কাৰণ ৰূপে দেখা দিছে। বাতৰি কাকত বোৰেই এই কথাটো প্ৰমাণ কৰে। প্ৰজাতন্ত্ৰ শাসন ব্যৱস্থাৰ তলত থাকি আমি যেতিয়া বিবাহ বিচ্ছেদ, হত্যাকাণ্ড, নৃত্য সভা আৰু পুলিচ থানাৰ বিষয়ে সদায় পঢ়িব লগা হওঁ, সেই ব্যৱস্থাৰ তলত সংস্কৃতি মাত্ৰ নামত হে। যদিও দেশত শিক্ষাৰ স্থবিধা বহুতৰে আছে তথাপি সংস্কৃতিৰ আদৰ্শ বেছি উচ্চ নহয়। এখন কলেজত নাম লগোৱা আজিকালি যি দৰে বৰ সহজ সেইদৰে আজি প্ৰকৃততে শিক্ষিত

হোৱা বৰ টান। আমি পঢ়িবলৈ শিকোঁ কিন্তু ভাবিবলৈ নিশিকোঁ। সাধাৰণ শিক্ষা, বাতৰি কাকত, বোলছবি আৰু বেতাৰ জগতে সৰ্ব্ব সাধাৰণৰ মনৰ খোৰাক যোগাইছে। কিন্তু লগে লগে এই বোৰৰ যোগেদি ফ্ৰয়েড্ আৰু ইউনৰ মতবাদ আৰু ব্যৱহাৰিক মনোবিজ্ঞান, জন্মনিয়ন্ত্ৰণ আৰু অদ্ভুত ইটো সিটো কথাৰ বদ্ হজমো হ'ব ধৰিছে। যি সকল বিজ্ঞ সেই সকলে নিজামত প্ৰকাশ কৰিবলৈ ভয় কৰে। আৰু সৰ্ব্ব সাধাৰণৰ লগতে সুৰ মিলাই চলে। সাধাৰণ মানুহৰ হঠাৎ হোৱা উত্তেজনা সমূহ, দলগত অনুভূতি আৰু বিভিন্ন শ্ৰেণীৰ আক্ৰোশে পুৰনি প্ৰথা আৰু প্ৰভুত্বৰ ঠাই লৈছে। আমি আজি যিবোৰ সমস্যাৰ সম্মুখীন হৈছোঁ সেইবোৰ বিচাৰ কৰিবলৈ আমাৰ সময় নাই আৰু আমি সক্ষমো নহওঁ। আনফালে এই বিষয়ে কিছু দৃষ্টি থকা নেতা সকলকো বিশ্বাস কৰিবলৈ আমি ইচ্ছা নকৰোঁ। জনতাৰ জীৱন সমাজত অতি তাৎপৰ্য্যপূৰ্ণ, সেয়ে সমাজত অতি কম সংখ্যক ভাবুক লোকৰ মতামততকৈ সৰ্ব্বসাধাৰণৰ মতামতৰ প্ৰভাৱ বেছি। মনৰ জগতত চলে গ্ৰেছহাম্‌ছ ল। ইয়াৰ ফলত যি উত্তম আৰু সুবিবেচিত সি সদায় অচল হৈ পৰে আৰু যি উত্তেজিত, অস্থিৰ আৰু বেয়া সি হে কামত লাগে।

প্ৰজাতন্ত্ৰৰ দ্বাৰা শাসিত সকলোবোৰ দেশতেই মানুহৰ ভাৱ আৰু বিশ্বাসক নিৰ্দ্দিষ্ট গঢ় দিবলৈ চেষ্টা কৰা হৈছে যেন মনবোৰ

---

গ্ৰেছহামছ ল :—গ্ৰেশ্বামৰ আইন বা গ্ৰেশ্বামচ্ ল নামাকৰণ কৰা হৈছে ইংলণ্ডৰ ৰাণী এলিজাবেথৰ মন্ত্ৰী গ্ৰেশ্বামৰ নামে। অৰ্থনীতিৰ ক্ষেত্ৰত এই নিয়মে বা আইনে এইটোকে কৈছে যে টকা পইচাৰ লেনদেনৰ ক্ষেত্ৰত সাধাৰণতে সকলোৱে ভাল টকা পইচা খিনি নিজৰ হাতত ৰাখি বেয়াখিনি লোকক দি দিয়ে। যেনে নতুন মুদ্ৰা হাততে ৰাখি পুৰনি মুদ্ৰা আনক দিয়ে।

যন্ত্র হে। মনক এইদৰে যন্ত্র কৰি পোলালে মানুহৰ সকলো সৃজনী শক্তি নষ্ট হৈ যায়। মহৎ সৃষ্টি নিৰ্দ্দিষ্ট ধাৰাৰ চিন্তাৰ ফলত নহয়, ই হয় সৰ্ব্ব সাধাৰণত উৰ্দ্ধত থাকা কিছুমান মানুহৰ অন্তৰ্দৃষ্টি, গভীৰ চিন্তা আৰু নিসঙ্গ ধ্যানৰ ফলত হে। কথাটো অসঙ্গতিমূলক হ'লেও প্ৰজাতন্ত্ৰই প্ৰকৃততে প্ৰজাৰ বিপৰীতে হে কাম কৰে। প্ৰজাতন্ত্ৰৰ প্ৰধান উদ্দেশ্য হ'ল ব্যক্তিৰ প্ৰতি সম্মান প্ৰদৰ্শন। ইয় চেনে কয় "আপোন ব্যক্তিত্ব গঢ়ি তোলা" কিন্তু প্ৰজাতন্ত্ৰই বিচাৰে মানুহ যাতে নিৰ্দিষ্ট ধাৰাত গঢ়ি উঠে যাৰ ফলত প্ৰত্যেক ব্যক্তিৰ অন্তৰ্নিহিত প্ৰাণশক্তি মৰহি যায়। সকলোৱে যদি একেধৰণে ভাবিবলৈ ধৰে তেন্তে চিন্তা জগতৰ একো উন্নতি নহয়। অৰ্থ নৈতিক সমতা নেথাকিলে দেশত ৰাজনৈতিক সাম্য হ'ব নোৱাৰে। শ্ৰমিক সমাজবাদী আৰু সাম্যবাদী সংগঠন সমূহে উন্নত সমাজ শৃঙ্খলাৰ কাৰণে ৰাজ্যৰ শাসনভাৰ নিজৰ হাতলৈ আনিব খোজে। সেয়ে জাতিৰ ভেদাভেদ নোহোৱা হৈ তাৰ সলনি উদ্ভৱ হৈছে শ্ৰেণী সংগ্ৰামৰ। তেওঁলোকৰ মতে দেশপ্ৰেম হ'ল ধনিক শ্ৰেণীৰ মনোবৃত্তি। সেয়ে শ্ৰমিক সকলে নিজকে জাতীয় ভাৱৰ ভ্ৰান্ত ধাৰণাবোৰৰ পৰা মুক্ত কৰিব লাগিব। বলচেভিক সকলে কয়—"মোৰ দেশেই হৈছে মোৰ শ্ৰেণী আৰু যেতিয়ালৈকে প্ৰকৃত বিভিন্ন শ্ৰেণীৰ সংঘৰ্ষবোৰ সাম নেকাটে তেগিয়ালৈকে প্ৰকৃত সাধাৰণ তন্ত্ৰ গঠিত হ'ব নোৱাৰে।"

সৰ্ব্ব সাধাৰণৰ ৰাজনীতি কিছুমান মানুহৰ স্বাধীন মন আৰু ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। মানুহৰ কৰ্ম্ম আৰু কাৰ্য্যৰ ওপৰতে দেশৰ সৌষ্ঠৱ নিৰ্ভৰ কৰিছে কিন্তু বৰ্ত্তমান ব্যৱস্থাত এই সুস্থতা আশা কৰিব নোৱাৰি। মানবীয় কাৰ্য্যাৱলী চলাবৰ কাৰণে 'বেলট বাকচ'ৰ ভাগ্য পৰীক্ষাতকৈ অন্য উপায় আমি অৱলম্বণ কৰিব লাগিব।

## আন্তৰ্জাতিক সম্বন্ধ

আন্তৰ্জাতিক পৰিস্থিতিয়েও মানৱ প্ৰেমিক সকলক সম্ভৱতঃ উৎসাহিত কৰিব নোৱাৰিব। বিভিন্ন দেশে আজি মুখতে শান্তিৰ হকে কয় অথচ তলে তলে তেওঁলোক যুদ্ধৰ বাবে প্ৰস্তুতো হৈছে। মানুহৰ যি মনোবৃত্তিৰ ফলত যুদ্ধৰ সম্ভাৱনা ঘটে তেনে মনোবৃত্তি তেওঁলোকে ত্যাগ কৰিব পৰা নাই। আনৰ লগতো নিজৰ ৰিজনি নাই বুলি ভাবি বহুতে আজি ঈশ্বৰক ধন্যবাদ দিছে। তেওঁলোকৰ বিশ্বাস যে তেওঁলোকৰ নিজৰ জাতিয়েই হৈছে সকলোতকৈ পৱিত্ৰ আৰু উত্তম। তেওঁলোকৰ ধৰ্ম্মই হে জগতৰ আশাৰ স্থল। তেওঁলোকৰ দেশেই হৈছে পৃথিবীৰ পথ প্ৰদৰ্শক। জাতীয় পতাকা উৰাই, ঢাকঢোল বজাই, জাতীয় সঙ্গীত গাই আৰু বিদ্বেষৰ মন্ত্ৰ মাতি আমি শৈশৱৰ পৰা দেশপ্ৰেমৰ এই অহমিকা ভাৱ আয়ত্ত কৰোঁ। যোৱা যুদ্ধত প্ৰত্যেক দেশৰ কথা আছিল তেওঁলোকে যুদ্ধত যোগ দিছে সভ্যতা ৰক্ষাৰ কাৰণে। সভ্যতা ৰক্ষাৰ নামত প্ৰত্যেক জাতিয়েই নিজৰ সকলো ধৰণৰ কাৰ্য্যকলাপবোৰ ন্যায়সঙ্গত বুলি ধৰি লৈছিল, হত্যা আৰু ধ্বংস ক্ৰিয়া আদি সকলো কথাকে ক্ষমা কৰিছিল। চিকাৰী কুকুৰবোৰে ভীষণ ৰূপ ধৰি আৰু অতিপাত আক্ৰোশেৰে শিয়াল খেদি খেদি মাৰে। মানুহে মানুহক তেনেকৈ মৰিবলৈ যোৱাৰ আগতেই ঘৃণাৰ ভাব আৰু জয়ৰ উত্তেজনাই চৰিত্ৰৰ মহত্ব বিনাশ কৰি একোজন মানুহক পশুতুল্য কৰি তোলে। অৰ্দ্ধসত্য আৰু অসত্য কথাবোৰৰ প্ৰচাৰৰ ভিতৰেদি আৰু আন জাতিৰ সংস্কৃতিৰ বিষয়ে ক্ৰমাগত ভুল অৰ্থ কৰি সাধাৰণ মানুহক পশুৰ দৰে উত্তেজিত কৰা হয়। এণ্টনিয়ে কৌশল কৰি এক উদ্দেশ্যৰ কাৰণে চিজাৰৰ তেজেৰে ৰাঙলী সাজপাৰ দেখুৱাই সাধাৰণ জনতাক উত্তেজিত কৰি চিঞঁৰি উঠিছিল এই বুলি কৈ—"কি মৰ্ম্মান্তিক

দৃশ্য, কি দুঃখজনক ঘটনা, পুৰি যোৱা, জুই লগাই দিয়া, হত্যা কৰা, খুন কৰা" সেই একে উদ্দেশ্য আৰু কৌশলৰেই বহু তথাকথিত বক্তাই সাধাৰণ জনতাক উত্তেজিত কৰে। "হেইনৰ" সৰু লৰাটিয়ে সৈন্য শিবিৰ চাবলৈ গৈ দেউতাকক কৈছিল—"এসময়ত এই সৈন্য বিলাক মানুহ আছিল" এই কথাষাৰ কিমান সত্য। এওঁবিলাক এতিয়া প্ৰাণহীন, ইচ্ছাহীন আৰু আশাশূন্য হৈ পৰিছে। তেঁওলোক হৈছে এটা বিৰাট যন্ত্ৰৰ কিছুমান অংশ মাত্ৰ। এই যান্ত্ৰিক শক্তিৰ ওচৰতেই তেওঁলোকে মূৰ দোৱায়। এই শক্তিকেই তেওঁলোকে কমবেচি পৰিমাণে পূজা কৰে। দেশত যুদ্ধৰ ঘন্টা বজাৰ লগে লগে তেওঁলোকৰ সভ্যতাৰ মুখা খহি পৰে। তেওঁলোক তেতিয়া পশুৰ শাৰীলৈ নামি আহে। যুদ্ধক্ষেত্ৰ বিধ্বস্ত হৈ যায়। নগৰবোৰ ধ্বংস হয়। লাখ লাখ মানুহ মৃত্যুৰ মুখত পৰে। লাখ লাখ মানুহ আহত হয় আৰু কত মানুহ যে হতাশ হৈ পৰে তাৰ অন্ত নাই। পথভ্ৰান্ত নাৰী আৰু তেওঁলোকৰ ক্ষুধিত সন্তানবোৰে স্বাভাৱিক ৰক্ষণাৱেক্ষণৰ পৰা বঞ্চিত হৈ পৰে। ঘৃণা, প্ৰৱঞ্চনা আৰু ষড়যন্ত্ৰ আদিয়ে মানুহৰ মনুষ্যত্ব বিনাশ কৰি পেলায়। যেতিয়ালৈকে এই পিশাচী নৃত্যই মানুহক বিৰক্ত কৰিব নোৱাৰিব তেতিয়ালৈকে মানুহে সভ্য হোৱা বুলি ভাও জুৰিব নোৱাৰে। যেতিয়ালৈকে মেচিনগানৰ যোগেদি বিপুল জনতাৰ ওপৰত ধ্বংশ কাৰ্য্য চলোৱা হ'ব, যেতিয়ালৈকে যুদ্ধত যোগ নিদিয়া বুঢ়া, ৰুগীয়া, নাৰী, আৰু শিশুৰ ওপৰতো বিষ বৰ্ষণ হৈ থাকিব তেতিয়ালৈকে দেশত পশুৰ প্ৰতি নিষ্ঠুৰতা বন্ধ কৰি, ৰুগীয়াৰ কাৰণে চিকিৎসালয় আৰু নিৰাশ্ৰয় লোক সকলক আশ্ৰয় স্থান দি একো লাভ নাই। এই হত্যাকাণ্ড চলোৱা হয় কিহৰ কাৰণে, ভগবানৰ গৌৰবৰ কাৰণে নে জাতিৰ সম্মানৰ কাৰণে?

এইটো সম্পূৰ্ণ সত্য কথা যে মানুহে যুদ্ধ বন্ধ কৰিব নোৱাৰি

যুদ্ধ নিয়ন্ত্ৰণ কৰাৰ প্ৰচেষ্টা চলাইছে। কিন্তু এই প্ৰচেষ্টাত মানুহ কৃতকাৰ্য্য হ'ব নোৱাৰে। তুখন বিৰোধী দেশৰ কন্দল শক্তি প্ৰয়োগৰ দ্বাৰা নিৰ্নিত কৰাৰ প্ৰচেষ্টাই হৈছে যুদ্ধ। বিৰোধিতাক শক্তিৰে দমন কৰিব লাগিব বুলিয়েই যি স্থলত আমি বাকবিতণ্ডা কৰোঁ তেনেস্থলত শক্তিৰ বিভিন্নতা দেখুউৱাৰ পৰা একো লাভ নাই। আমাৰ হাতত থকা সকলো শক্তি প্ৰয়োগ কৰি আমি শত্ৰু দমন কৰিব লাগিব। এই ক্ষেত্ৰত লাঠি আৰু তৰোৱাল নাইবা বাৰুদ আৰু বাষ্পৰ একো পাৰ্থক্য নাই। অস্ত্ৰ ব্যৱহাৰেই যেতিয়া বিৰুদ্ধ শক্তিক দমন কৰাৰ একমাত্ৰ উপায় তেনেস্থলত প্ৰত্যেক জাতিয়ে মাৰণ অস্ত্ৰ সমূহক আৰু বেছিকৈ শক্তিশালী কৰি তুলিবলৈ বিচাৰিছে। যুদ্ধই হৈছে একমাত্ৰ নীতি আৰু যুদ্ধত জয় লাভ কৰাটোৱেই হৈছে সবাতোকৈ ডাঙৰ ধৰ্ম্ম। প্ৰত্যেক দেশে যুদ্ধৰ পথেদিয়েই বাট বুলিব লাগিব। বাঘক ভেৰা খাবলৈ এৰি দি খোৱাৰ ধৰণটো সমালোচনা কৰা আৰু যুদ্ধক মানি লৈ যুদ্ধ প্ৰণালীক সমালোচনা কৰা একে কথা। যুদ্ধ যুদ্ধই। ই প্ৰণালীবদ্ধ খেলা নহয়।

এইটো সঁচা কথা যে পৃথিৱীত আন্তৰ্জাতিকতা বাঢ়িছে। অৰ্থ-বিজ্ঞানবিদ সকলে আমাক সকিয়াই দিছে যে যুদ্ধৰ পৰা মানুহৰ একো লাভ নহয়, ই এটা বেয়া ব্যৱসায়। কিছুমানে আকৌ কূটনীতিৰ কাৰণেহে শান্তিকামী হৈ দেখুৱায়—প্ৰকৃততে তেওঁলোকৰ শান্তিৰ কাৰণে আন্তৰিক বিশ্বাসৰ অভাৱ। আন্তৰ্জাতিকতাৰ প্ৰেৰণা মানুহৰ গভীৰ হোৱা নাই। প্ৰত্যেক দেশৰে খুব কম সংখ্যক মানুহে আন্তৰ্জাতিকতাৰ ওপৰত দৃঢ় বিশ্বাস ৰাখি আহিছে। তাৰ বাহিৰে বেছিভাগ মানুহে যোৱা যুদ্ধত দেশৰ নামত মনুষ্যত্ব হেৰুৱাইছিল। আনকি গীৰ্জ্জাৰ ধৰ্ম্মধ্বজ সকলো পিশাচৰ দলভুক্ত বুলি প্ৰমাণিত হৈছিল। "তেওঁলোকে ঈশ্বৰৰ কাৰণে গীৰ্জ্জা কৰিছিল অথচ ঈশ্বৰৰ বাণী

উপলুঙা কৰিছিল।” গীৰ্জ্জাবোৰক সৈন্য সংগ্ৰহ কৰা ঘৰলৈ পৰিবৰ্ত্তন কৰা হৈছিল। মানুহৰ অত প্ৰাৰ্থনাৰ মাজত ভগবানৰ কিজানি মূৰ ঘূৰি গৈছিল। স্কুয়াৰৰ কবিতা স্তৱকত এই ভগবান ভক্ত সকলৰ দৃষ্টিভঙ্গী সুন্দৰ ভাৱে প্ৰকাশিত হৈছে।

যুদ্ধৰত জাতি সকলে এই বুলি আৰ্ত্তনাদ কৰা ভগৱানে শুনিছে—“ভগবানেই ৰজাক ৰক্ষা কৰিব” ভাল বেয়া যেন সকলো ঈশ্বৰেই কৰিলে, ঈশ্বৰে নিজেই কলে—“হে প্ৰভু! মই মোৰ সৃষ্টি ধ্বংস কৰিলোঁ।”

এইটো সচা কথা যে জাতিসঙ্ঘ গঠিত হৈছে। কিন্তু ই এটা স্থূল আকৃতি মাত্ৰ। ইয়াৰ দেহত এতিয়াও প্ৰাণশক্তি আহিবলৈ বাকী আছে। অশুভ ইচ্ছা আৰু অৱিশ্বাস চাৰিওফালে ব্যাপি আছে। আন্তৰ্জাতিকতা হৈছে কেজনমান মানুহৰ ধাৰণা মাত্ৰ। কিন্তু ই মানৱ মনোবিজ্ঞান সম্মত নহয়। ১৯১৪ চনত যুদ্ধ লাগিছিল, আজি দহ বছৰ পাৰ হৈ গ'ল কিন্তু এতিয়াও আকাশ মুকলি নহল। যুদ্ধৰ আগতে ইউৰোপত যিমান মানুহ সৈন্য বিভাগত আছিল তাতকৈ এতিয়া লাখ লাখ বেছি মানুহ সেই বিভাগত নিযুক্ত হৈছে। কোনো দেশেই জাতিৰ বুকুৰ অহমিকা ভাৱ আৰু দেশ সেৱাৰ ভুৱা আতৰাবলৈ চেষ্টা কৰা নাই। মানুহৰ মনৰ এনেবোৰ ভাৱৰ ফলতে যুদ্ধ লাগে। প্ৰত্যেক জাতিয়েই কয়—“আমি সকলো এক” আৰু দেশহিতৈষী হ'ল এনে এজন মানুহ যি থিয়ডৰ ৰুজভেল্টৰ এইখিনি কথা সমৰ্থন কৰে—এজন স্বামীয়ে নিজ পত্নীৰ প্ৰেম আন এগৰাকী তিৰোতাক দেখুৱালে যি দৰে অশোভনীয় আৰু অসম্মানজনক ঠিক একেদৰে এজন নাগৰিকে নিজৰ দেশৰ প্ৰতি ভালপোৱা আন এখন দেশক দেখুৱালেও অশোভনীয় আৰু অসম্মান জনক হ'ব। জাতিৰ প্ৰাণত-যেতিয়ালৈকে আকাঙ্ক্ষা আৰু আনৰ প্ৰতি বিদ্বেষ থাকিব

তেতিয়ালৈকে শান্তি মাত্ৰ যুদ্ধৰ মাজৰ খন্তেক জিৰণি হে। মেকিয়াভেলীৰ ৰূঢ় উক্তিবোৰেই ৰাষ্ট্ৰৰ নীতি। প্ৰত্যেক দেশেই আজি স্বাৰ্থপৰ আধিপত্যৰ কাৰণে ব্যস্ত। নিঃস্বাৰ্থপৰ সহযোগৰ কাৰণে তেওঁলোক ব্যাকুল নহয়।

## ৩। সমস্যা

বহল অৰ্থত দৰ্শন হ'ল মানৱ সভ্যতাৰ মূল ভেটি। দৰ্শনৰ অন্তৰ্নিহিত প্ৰাণশক্তিয়ে ক্ৰমান্বয়ে নিজৰ কাৰণে বাহ্যিক আভৰণ গঠন কৰে। সমাজৰ শৃঙ্খলাৱদ্ধ অভ্যাস আৰু প্ৰতিষ্ঠান সমূহে প্ৰত্যেক ব্যক্তিকে জীৱনৰ অৰ্থ, উদ্দেশ্য আৰু নিৰূপিত মূল্যবোধ উপলব্ধি কৰিবলৈ সহায় কৰে। আমি যেতিয়া কোনো সভ্যতাক প্ৰশংসা বা নিন্দা কৰোঁ তেতিয়া জীৱনৰ বিভিন্ন শ্ৰেণীৰ মূল্যবোধৰ কথা আমাৰ মনত থকা প্ৰয়োজন।

অতীতৰ হিন্দু আৰু গ্ৰীক সকলে স্বীকাৰ কৰে যে প্ৰত্যেক ব্যক্তিয়েই হৈছে বিশ্বখনৰ একোটা প্ৰতিকৃতি। মানব শৰীৰত মুদ্ৰাৰ দৰে জোখ আৰু ভৰ আছে, বৃক্ষৰ দৰে গঠন আছে, জন্তুৰ দৰে অনুভূতি আৰু লৰচৰ কৰিব পৰা শক্তি আছে। ইয়াৰ উপৰিও মানুহৰ আছে ভাৱ আৰু আধ্যাত্মিক প্ৰেৰণা। বহলাই কবলৈ গ'লে মানুহৰ মন হৈছে শৰীৰ, মন আৰু আত্মা এই তিনিওৰে সমষ্টি। বান্দৰৰ লগত আমাৰ শাৰীৰিক সামঞ্জস্য আছে। এই সাদৃশ্যৰ পৰা মানুহৰ বংশানুক্ৰম চলি আহিছে। অধ্যাপক ইলিয়ট স্মিথে কয় যে মানুহৰ মগজুৰ আকৃতি চিম্পাঞ্জীৰ মগজুৰ আকৃতিৰ বাহিৰে আন একোৱে নহয়। আমাৰ কিছুমান মানসিক প্ৰবৃত্তিৰ পৰাও পশুজগতৰ লগত যে আমাৰ সম্বন্ধ আছে সেই কথা বুজিব পৰা যায়। জন্মগত আলস্য, গছপাত খোৱাৰ প্ৰবৃত্তি, মাটিৰ মায়া আৰু খং ভয় আদি উত্তেজনাৰ বশবৰ্ত্তী হোৱাৰ ক্ষেত্ৰত মানুহ আৰু জন্তুৰ মিল আছে। অদৃশ্যৰ প্ৰতি আকৰ্ষণ, আধ্যাত্মিক প্ৰেৰণা, নতুনৰ বাবে স্পৃহা আৰু নিজক উন্নত কৰাৰ বাসনা আমাৰ প্ৰকৃত সত্বাৰ পৰিচায়ক আৰু

এইবোৰৰ ওপৰতে আমাৰ পৌৰাণিক গল্প, দৰ্শন, ধৰ্ম্ম আৰু শিল্প গঢ়ি উঠিছে। মানৱৰ ক্ৰম বিকাশৰ ভিতৰেদি এক আধ্যাত্মিক বাসনা প্ৰকাশিত হৈছে আৰু আদিম কুসংস্কাৰ আৰু ধৰ্ম্মৰ পৰা আজিৰ এই সংশোধিত আৰু জটিল দৰ্শন আৰু নৈতিক সংস্কৃতিৰ বহুৰূপত ই বিকশিত হৈ আহিছে।

যদিও মানবে বহু কথাই আদিম পূৰ্ব্ব পুৰুষ পশুৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পাই আহিছে তথাপি মানুহ মানুহ হিচাপে জন্তুতকৈ বেলেগ। মানুহৰ পাপ পুণ্যবোৰ মানবীয়। কেতিয়াবা ইন্দ্ৰিয় তৃপ্তিকেই জীৱনৰ উদ্দেশ্য কৰি লৈ মানুহ পশুৰ শাৰীলৈ নামি আহে। কিন্তু মানুহে যি দৰে জীৱনৰ আনন্দৰ হকে আদৰ্শ সৃষ্টি কৰি সেই আদৰ্শৰ পিছত ধাবিত হ'ব পাৰে সেইদৰে ধাবিত হ'ব কোনো জন্তুৱেই নোৱাৰে। আকৌ কিছুমান ক্ষেত্ৰত জন্তুৰ কাৰ্য্যকলাপ মানুহৰ কাৰ্য্যকলাপতকৈ শোভনীয়। জন্তুৰ কিছুমান গুণ স্বাভাৱিক কিন্তু সেইবোৰ গুণ মানুহে সুবিবেচিত প্ৰচেষ্টা আৰু নিয়মানুবৰ্ত্তিতাৰ ভিতৰেদিহে আয়ত্ব কৰে। পুনৰুৎপাদনৰ ক্ষেত্ৰত পশু মানুহতকৈ নিশ্চয় তলখাপৰ প্ৰাণী। এই ক্ষেত্ৰত পশুৰ লগত আদিম অসভ্য মানুহৰ সাদৃশ্য আছে। পশুতকৈ নিজক উৰ্দ্ধত তুলিব পৰা মানুহৰ বহু সম্ভাৱনা আছে। কাৰণ মানুহৰ আছে চিন্তাশক্তি আৰু বিচাৰ বুদ্ধি। মানুহে নিজক উন্নত কৰিব পাৰে। আনফালে অধঃপতনৰ গুহাত নিজক পেলাবও পাৰে। মানুহক পশুত্বলৈ নমা বুলি কওঁতে প্ৰকাৰান্তৰে এইটোকে বুজোৱা হয় যে মানুহৰ স্বাধীনতা আছে কিন্তু মানুহে জৈৱিক স্বাৰ্থৰ কাৰণে এই স্বাধীনতাৰ অসদ, ব্যৱহাৰ কৰিছে।

আমাৰ ভিতৰৰ পাশৱিক ফালটোৱে সদায় পৰিপূৰ্ণতা বিচাৰে। মানুহৰ সকলোবোৰ উত্তেজনা সম্পূৰ্ণৰূপে তৃপ্ত হ'লে পাশৱিক

ফালটোৰে পূর্ণতা লাভ কৰে। মানুহে যদি নিজকে দেহটোৰ লগত এক কৰি পেলায় আৰু জীৱনৰ উদ্দেশ্যক শাৰীৰিক উৎকৰ্ষ সাধন বুলিয়েই ধৰি লয় তেন্তে মানুহ বৰ্ব্বৰ হৈ পাৰিব। তেনে অৱস্থাত মানুহে পাশৱিক শক্তি আৰু ক্ষমতাৰ ওচৰত সেও হৈ উত্তেজনা সমূহৰ তৃপ্তি বিচাৰে। এনে ধৰণৰ একান পতীয়া শাৰীৰিক চৰ্চ্চাৰ ফলত প্ৰাণশক্তি মৰহি যায় আৰু ই জীৱনৰ প্ৰয়োজন সমূহৰ পৰা বঞ্চিত হয়। শাৰীৰিক শক্তি আৰু ক্ষমতাৰ আধিপত্য হ'লে সমাজত বৰ্ব্বৰতাই দেখা দিয়ে। এনে ধৰণৰ সমাজত পুৰুষে নাৰীক হীন প্ৰতিপন্ন কৰে, নাৰীক শোষণ কৰে। কাৰণ নাৰী হৈছে শাৰীৰিক ক্ষেত্ৰত দুৰ্ব্বল। তেনে সমাজত নাৰীয়েও পুৰুষৰ পাশৱিক শক্তিক হে শ্ৰদ্ধা আৰু সহায় কৰে। কাৰণ এই শক্তিৰ ওপৰতে সৈনিকৰ সাহস আৰু বীৰত্ব নিৰ্ভৰ কৰে।

শৰীৰ আৰু মনৰ ওপৰত প্ৰাধান্য দিয়া সমাজখনেই হৈছে উচ্চ খাপৰ সমাজ। অৱশ্যে নৈতিক পৰিপূৰ্ণতা আৰু সৌন্দৰ্য্যবোধক মনৰ অন্তৰ্ভুক্ত কৰিব লাগিব। অৰ্থাৎ মনক আত্মাৰ লগত একীভূত কৰিব লাগিব। আৰু তাকে কৰিব নোৱাৰিলেই আমি সভ্যতাৰ আদৰ্শ লাভ কৰিব নোৱাৰিম। তেনেস্থলত আমাৰ জ্ঞান বাঢ়িব পাৰে কিন্তু এই জ্ঞান উচ্চ আধ্যাত্মিক আদৰ্শৰ বাবে নহৈ কেৱলমাত্ৰ জৈৱিক আৰু শাৰীৰিক তৃপ্তিৰ কাৰণেহে কামত লাগে আৰু তেনে-ক্ষেত্ৰত অভাৱ দূৰ কৰাৰ বাসনাই মানুহৰ জীৱন চালিত কৰিবলৈ ধৰে। ক্ৰমে এই বাসনা বাঢ়ি যায় আৰু সম্পত্তি সঞ্চয় কাৰ্য্যত ব্যস্ত হৈ পৰে। এনে ধৰনৰ মানসিক জীৱন হৈছে তল পৰ্য্যায়ৰ। আবেগ জনিত উৎসাহ, বুদ্ধিগত অনুপ্ৰেৰণা, শিল্পকলাত আত্মনিয়োগ আৰু বিবিধ উত্তেজনাই আমাৰ মন আকৰ্ষণ কৰে; কিন্তু মহৎ সাহিত্য আৰু শিল্পৰ গভীৰ উপলব্ধি আমাৰ নহয়। গতানুগতিক

কাহিনী, চোৰাংচোৱাৰ গল্প, শব্দাৱলীৰ সাথঁৰ সমূহে আমাক আকৰ্ষণ কৰে ; আৰু আনন্দ দিয়ে। এনে সমাজৰ একোজন ব্যক্তিয়ে নিজৰ বিষয়ে নেভাৱে আৰু অবিবেচক ভাৱে প্ৰচলিত ধাৰাত কাম কৰে। এওঁলোকৰ নৈতিক চৰিত্ৰও সংশোধিত আৰু উন্নত নহয়। এওঁলোকৰ মন কিছুমান ভাললগা বেয়ালগা অনুভূতি আৰু গতানুগতিক ধাৰণাৰে ভৰা। প্ৰচলিত প্ৰথানুযায়ী জীৱনৰ গঢ় দিবলৈ গৈ সুখ সম্ভোগ আৰু সুসঙ্গৰ বাহিৰে এওঁলোকৰ অন্য আদৰ্শ নেথাকে। প্ৰতিযোগিতামূলক অৰ্থনৈতিক সংগ্ৰামৰ কৃতকাৰ্য্যতাৰ বাবে হে এওঁবিলাকে শিক্ষাৰ মূল্য দিয়ে। বিজ্ঞানে মানুহক সুখ আৰু সুবিধা দিব পাৰিছে—উৎপন্ন বৃদ্ধিৰ হকে যন্ত্ৰ সমূহক খটুৱাবলৈ বিজ্ঞানৰ সংগঠন আৰু উপায় উদ্ভাৱনাৰ সক্ষমতা আছে। সেয়ে প্ৰয়োজনৰ ক্ষেত্ৰত বিজ্ঞানক সম্মান দেখুওৱা হয়। বাহ্যিক জগতৰ জ্ঞান আহৰণে অন্তৰ শুদ্ধ কৰিব নোৱাৰে। মানৱ জাতিৰ মাজত যুদ্ধ লাগি আছে। আৰু এই যুদ্ধ অস্ত্ৰৰ যুদ্ধ হৈ থকা নাই। এতিয়া চলিছে যন্ত্ৰৰ সংগ্ৰাম। মানুহৰ মাজত ভাই ভাই সম্বন্ধ আৰু নাই। এতিয়া মানুহ চিকাৰী জন্তু। স্বাৰ্থপৰতাৰ ভাব দমন নকৰিলে মানুহ আৰু ভয়াবহ হৈ পৰিব। কাৰণ আনৰ অনিষ্ট কৰিব পৰা ক্ষমতা মানুহৰ আগতকৈ হেজাৰ গুনে বাঢ়িছে। প্ৰচলিত প্ৰথাৰ দাস হৈ আমি আমাৰ আত্মাক কলুষিত কৰি পেলাইছোঁ। সমষ্টিয়ে যেতিয়া নৈষ্ঠিকতাৰ নিশ্চয়তা আৰু আপোন সংস্কৃতিৰ শ্ৰেষ্ঠত্বৰ ওপৰত প্ৰগাঢ় বিশ্বাস ৰাখে তেতিয়া প্ৰত্যেক ব্যক্তিয়ে সমষ্টিৰ স্বাৰ্থৰ হকে যুজিবলৈ সাজু হয়। শক্তিৰ ওপৰত বিশ্বাসেই হৈছে প্ৰথম কথা। ধৰ্ম্মোৎপীড়নৰ বুৰঞ্জীয়ে এই কথা প্ৰমাণ কৰে। তেনে এখন সমাজত যদি কেজনমান মানুহে সৰ্ব্বসাধাৰণৰ ওপৰত থাকি ভাৱে যে মানৱৰ চৰম আদৰ্শ হৈছে

এক পৰিয়ালৰ সৃষ্টি কৰা আৰু সেই পৰিয়ালত এক পৰমেশ্বৰৰ প্ৰেম প্ৰকাশিত কৰা আৰু মানুহৰ অন্তৰ এনেকৈ জয় কৰা যাতে সকলো মানুহে সদৌ বিশ্বৰ মঙ্গল কামনা কৰি শক্তিক দমন কৰে তেতিয়া হলে সেই কেজন লোকক দেশদ্ৰোহী আৰু স্বধৰ্ম্মত্যাগী বুলি ধৰা হয়। সমাজে তেওঁলোকক শীঘ্ৰে শেষ কৰিবলৈ বিচাৰে। ভীৰু সকলক অধীনস্থ কৰা হয় আৰু মতবিৰোধী সকলক ধ্বংস কৰা হয়। সমাজৰ এনে অৱস্থা হৈছে অৰ্থ নৈতিক আৰু বুদ্ধিগত বৰ্ব্বৰতা। কাৰণ সমাজৰ এই অৱস্থাই সভ্যতাক সুখভোগৰ লগত, নীতিধৰ্ম্মক প্ৰচলিত প্ৰথাৰ লগত, ধৰ্ম্মক মাত্ৰ কিছুমান সংস্কাৰ আৰু ৰাজনীতিক ব্যৱসায়, শোষণ আৰু বজাৰৰ সৃষ্টিৰ লগত এক কৰি পেলায়।

যিখন সমাজ জৈৱিক আৰু দৈহিক ক্ষেত্ৰতেই আৱদ্ধ হৈ পৰে, অৰ্থ নৈতিক ব্যবস্থাৰ কথা ভাবি, মন আৰু আত্মাৰ মানবীয় সকলো আদৰ্শ পাহৰি কেৱল বৈজ্ঞানিক আৰু কাৰিকৰী সক্ষমতাৰ কাৰণেই ব্যস্ত হৈ পৰে, সেইখন সভ্য সমাজ নহয়। শৰীৰ, মন, আৰু আত্মা এক অভিন্ন সমন্বয়ৰ বিভিন্ন দিশ মাত্ৰ। মানৱ প্ৰকৃতিত এই তিনিওৰে অংশ আছে—এই তিনিওৰে ঐক্য সম্পন্ন কৰাই সভ্যতাৰ লক্ষ্য। অংশ বোৰৰ সংঘাত আৰু সংঘৰ্ষৰ কাৰণে ভাবিব লগা একো নাই। কিন্তু এই সংঘৰ্ষবোৰ আমি জয় কৰিব় পাৰিব লাগিব। আৰু তিনিওটা দিশৰে ইটোৰ লগত সিটোৰ সামঞ্জস্য সাধন কৰিব পাৰিব লাগিব। শাৰীৰিক উৎকৰ্ষতা আৰু সুস্থতা পূৰ্ণ মনুষ্যত্বৰ কাৰণে প্ৰয়োজনীয় আৰু উত্তম জীৱনৰ বাবে প্ৰয়োজনীয় সামাজিক আৰু অৰ্থ নৈতিক সুসংগঠন—কিন্তু এইবোৰৰ স্বকীয় মূল্য নাই। কল্যাণকামী, সুন্দৰৰ পূজাৰী আৰু পাশৱিক প্ৰকৃতিৰ বাহ্যিক জাকজমকত সন্তুষ্ট নোহোৱা মানৱ ব্যক্তি গঢ়ি তুলিবলৈ বিশ্বত বহু কষ্ট আৰু সংগ্ৰাম চলিছে। সভ্য আৰু অৰ্দ্ধসভ্যৰ ভিতৰত কিছু

প্ৰভেদ আৰু দূৰত্ব আছে। সেই দূৰত্ব হৈছে পৃথিবীত আৰু দুশ্ৰেণী মানুহৰ ভিতৰৰ দূৰত্ব। এশ্ৰেণী হৈছে আত্মৰক্ষা, আত্মপ্ৰতিষ্ঠা আৰু আত্মতুষ্টি আদি পাশৱিক প্ৰবৃত্তিৰ দ্বাৰা চালিত ঠেক মনোভাবাপন্ন লোক আৰু আন শ্ৰেণী হৈছে সদৌ বিশ্বৰ কল্যাণকামী আপোন-পাহৰা লোক। প্ৰত্যেক ব্যক্তিয়ে নিজৰ ভিতৰত বিশ্বজনীন ভাৱ উদ্বোধন কৰিব লাগিব। ভগৱানৰ অনন্ত উদ্দেশ্যৰ লগত যোগসূত্ৰ ৰাখি মানুহে দৈনন্দিন কৰ্ত্তব্য সমাপন কৰিব লাগিব। তেতিয়াহে আমি প্ৰকৃত মানৱতা লাভ কৰিব পাৰিম। মানৱৰ এই যাত্ৰা কষ্টকৰ কিন্তু আমাৰ সমস্ত সত্বাক যদি বিশ্বজনীন উদ্দেশ্যলৈ উন্মুখ কৰি তোলোঁ, তেতিয়া আমাৰ এই যাত্ৰা সহজ হৈ পাৰিব, এই ভাৰ লঘূ হৈ পৰিব। এতিয়া যিদৰে মানুহ আৰু জন্তুৰ ভিতৰত পাৰ্থক্য আছে, মানবীয় আৰু পাশৱিক চেতনাৰ ভিতৰত পাৰ্থক্য আছে সেইদৰে আমাৰ আজিৰ জীৱনৰ পৰা পৃথক এক নতুন চেতনা লব্ধ জীৱনে দেখা দিব।

মানৱ জাতিৰ সভ্যতাৰ বুৰঞ্জীত পূৰ্ণ সভ্যতা বা পূৰ্ণ বৰ্ব্বৰতাৰ নিদৰ্শন পোৱা নেযায়। যি কোনো সমাজক সম্পূৰ্ণ সভ্য বা পূৰাকৈ অসভ্য বুলিব নোৱাৰি। কোনো মানৱ সংগঠনে জাতীয় আদৰ্শৰ, ধৰ্ম্ম সংস্কাৰৰ বা সামাজিক ৰীতিনীতিৰ বিকাশ নকৰাকৈ নেথাকে। এনে জাতি নাই যি উচিত অনুচিত বিচাৰ নকৰে বা যাৰ নীতিদৰ্শন বা শিল্প নিদৰ্শন নাই। সভ্যতাও বৰ্ব্বৰতাৰ দৰেই আদিম। এস্কিমো, ৰেডইণ্ডিয়ান, বেচুটো আৰু ফিজি দ্বীপবাসীক আমি অসভ্য বুলি ভাবোঁ, কাৰণ এখন সভ্য সমাজৰ প্ৰতি আমাৰ যি ধাৰণা তেনে এখন সমাজত তেওঁবিলাকে বাস নকৰে। অৰ্থাৎ তেওঁলোকৰ দেশত পঢ়াশালি আৰু চিকিৎসালয় নাই। বিচাৰালয় আৰু পুলিচ থানা নাই। কিন্তু আনকালে অগ্ৰগামী গ্ৰীক আৰু ৰোম নাইবা

আধুনিক ইংৰাজ আৰু জাৰ্ম্মান সকলৰ দৰে তেওঁলোকৰ জীৱনধাৰাৰ ৰীতিনীতি আৰু বিশ্বাস আদিত নিজা বৈশিষ্ট্য আছে। তেওঁলোকৰ সামাজিক ব্যৱস্থা স্বকীয়া, প্ৰকৃতিৰ জ্ঞান কম আৰু কাৰ্য্য পদ্ধতি সুচাৰু নহয় বুলিয়েই তেওঁলোকক আমি অসভ্য বা বৰ্ব্বৰ বুলিব নোৱাৰোঁ। ৰাজনৈতিক কৃতকাৰ্য্যতা, অৰ্থনৈতিক সমৃদ্ধি, আৰু মানৱক ধ্বংশ কৰা কৌশলকে সভ্যতাৰ নিদৰ্শন বুলি ধৰি লৈ আমি ৰাজনৈতিক ক্ষেত্ৰত পিছ পৰি থকা জাতি সমূহক অৰ্দ্ধ সভ্য বা অৰ্দ্ধ বৰ্ব্বৰ বুলি কবলৈ প্ৰবৃত্ত হওঁ। যুদ্ধত ৰুছিয়াক পৰাজয় কৰি জাপান সভ্য বুলি পৰিগণিত হ'ল। এই ধাৰণা ললে চুং বংশ ওফোৰাই পেলেৱা টাৰ টাৰ সকল আৰু ৰোম সাম্ৰাজ্য ধ্বংস কৰা বৰ্ব্বৰ সকলকো সভ্য মানৱৰ নিদৰ্শন বুলি ধৰিব লাগিব।

অতি আদিম সমাজৰো যি দৰে সভ্যতাৰ জিলিঙনি আছিল ঠিক সেইদৰে আজিৰ তথাকথিত সভ্য সমাজতো বৰ্ব্বৰতা বহু পৰিমাণে আছে। আমি বৰ্ত্তমান হুন, গঠ, বন্দল, আৰু টুৰ্কী বিলাকক যি দৰে বৰ্ব্বৰ বুলি ভাবোঁ ঠিক সেইদৰে ভৱিষ্যতৰ কোনো এটা দিনত আজিতকৈ উন্নত মানৱ সমাজে আমাৰ বৰ্ত্তমান সভ্যতাৰ প্ৰতিও, অসম্পূৰ্ণ সংস্কৃতিৰ দুৰাচাৰ আৰু কুসংস্কাৰ বুলি যে বিৰক্তি আৰু বিস্ময় প্ৰকাশ নকৰিব তাৰ নিশ্চয়তা নাই। আজি ৰোমৰ মল্লযুদ্ধক যি ভাৱে দোষাৰোপ কৰোঁ, ঠিক সেইদৰে আমাৰ বংশধৰ সকলেও মাংস ব্যৱসায়তকৈ সামান্য উন্নত যুদ্ধ আৰু নৰহত্যাৰ কথাই নকঁও প্ৰতিযোগিতামূলক অৰিয়া অৰি আৰু পাশৱিক দন খৰিয়াল বোৰৰ মাজত পোৱা আমাৰ আনন্দকো দোষাৰোপ কৰিব।

সভ্যতা আমাৰ মাজত প্ৰসাৰিত হৈ আছে ই আমাৰ নৈতিক ধাৰণা সমূহ, ধৰ্ম্মচিন্তা আৰু সামাজিক দৃষ্টিভঙ্গীৰ অন্তৰ্ভুক্ত। ৰেল, জাহাজ, টেলিফোন আৰু ছপাযন্ত্ৰ ব্যৱহাৰ কৰিছোঁ কাৰণেই আমি

995 LIBRARY

নিজক সভ্য বুলি ক'ব নোৱাৰোঁ। বান্দৰ এটাক চাইকেলত উঠিবলৈ, গিলাচত পানী খাবলৈ আৰু চুৰট হুপিবলৈ শিকালেও সি বান্দৰ হৈয়েই থাকিব। কাৰিকৰী দক্ষতাৰ ওপৰত নৈতিক ক্ৰমোন্নতি নিৰ্ভৰ নকৰে। যদিও অতীত ভাৰত বা গ্ৰীচৰ মধ্যযুগীয় ইটালিৰ বৈজ্ঞানিক বা যান্ত্ৰিক সংগঠনৰ কৃতকাৰ্য্যতা আজিৰ কৃতকাৰ্য্যতাতকৈ বহু পৰিমাণে হীন আছিল তথাপি তেওঁলোকৰো যে আধ্যাত্মিক মূল্যৰ সত্য উপলব্ধি আৰু শিল্পী জীৱনৰ প্ৰকৃত অনুভূতি আছিল—সেইটো অস্বীকাৰ কৰিব নোৱাৰি। যদি সভ্যতাক নতুনৰ প্ৰতি অস্থিৰ হেপাহ নাইবা ধন দৌলতৰ কাৰণে বলিয়ালি বুলি ভুল কৰা নহয় তেনেহলে ভাৰতবৰ্ষ, চীন, নাইবা পুৰণি গ্ৰীচ সভ্যতাৰ মাজত জীৱন নিৰ্ব্বাহৰ কাৰণে বহুমূলীয়া শিক্ষনীয় বিষয় পাব পাৰি। এই সভ্যতা বোৰৰ মাজত যে ত্ৰুটি নাছিল এনে নহয়। গ্ৰীচত আমি দেখিবলৈ পাওঁ, যি সকল শিল্পী আৰু দাসে সমাজত কঠোৰ আৰু প্ৰয়োজনীয় শ্ৰম কৰিছিল সেই সকলক বাদ দিহে সমাজত আন সকলৰ কাৰণে জিৰণি আৰু আমোদ প্ৰমোদৰ ব্যৱস্থা হৈছিল। যদিও হিন্দু সভ্যতাই প্ৰকৃত সহিষ্ণুতাৰে স্থানীয় ৰীতি নীতি আৰু বিশ্বাসক মানি লৈ ক্ৰমে সিচৰিত হৈ থকা বিভিন্ন জাতিসমূহক একেলগ কৰি এক স্বাধীন আৰু শৃঙ্খলাবদ্ধ জাতিত পৰিণত কৰিছিল তথাপি এই সভ্যতাই অনুন্নত সম্প্ৰদায়ৰ শিক্ষাৰ প্ৰতি অৱহেলা কৰিছিল। হিন্দু আদৰ্শ যিমানেই প্ৰশংসনীয় নহওক লাগে ই সৰ্ব্বসাধাৰণৰ মাজত সোমাই যোৱা নাছিল। পৰবৰ্ত্তীকালত একছত্ৰী শাসনৰ তলত সৰ্ব্বসাধাৰণৰ স্বাধীনতা খৰ্ব্ব হোৱাৰ ফলতে হিন্দু ধৰ্ম্মৰ উচ্চ আদৰ্শৰ পতন হবলৈ ধৰিলে।

অৰ্থনৈতিক বৰ্ব্বৰতাৰ পৰ্য্যায়ত আধুনিক সভ্যতা ৰৈছেহি। এই সভ্যতা আত্মা বা আধ্যাত্মিক উন্নতিতকৈও পাৰ্থিব জগত আৰু

ক্ষমতাৰ কাৰণেহে ব্যস্ত। এই সভ্যতাই আমাৰ ব্যৱসায়ী বুদ্ধি বঢ়াইছে কিন্তু চিৰন্তন সত্যৰ বিষয়ে শিকাৰ পৰা নাই। এই সভ্যতাই জীৱনৰ বাহ্যিক আড়ম্বৰৰ ওপৰত জোৰ দি আহিছে। অৰ্থনৈতিক সম্ভাৱনাবোৰৰ শোষণ, বাস্তৱ সমৃদ্ধি আৰু মানুহৰ নিজৰ কাৰণে প্ৰাকৃতিক শক্তি দমন কৰাৰ ক্ষেত্ৰত এই সভ্যতাই চলাইছে অন্তহীন প্ৰচেষ্টা। আজি অৱশ্যে শৰীৰ আৰু জীৱনৰ ওপৰত মনৰ প্ৰতিষ্ঠা হৈছে। কিন্তু মন, জীৱন আৰু শৰীৰৰ ওপৰত আত্মাৰ প্ৰতিষ্ঠা হোৱা নাই। প্ৰাণ আৰু শৰীৰক নিয়ন্ত্ৰণ কৰাৰ নিয়ম আৰু সম্ভাৱনাবোৰ আমি বুজি পাইছোঁ। বিজ্ঞানৰ প্ৰথম জয়যাত্ৰাৰ কালছোৱাত ই দৰ্শনক দূৰত ৰাখিবলৈ প্ৰবৃত্ত হ'ল, চিন্তাশক্তিক ঘিন কৰিবলৈ ধৰিলে আৰু ধৰ্ম্ম ধ্বংস কাৰ্য্যত প্ৰায় কৃতকাৰ্য্য হ'ল। আমাৰ পূৰ্ব্ব পুৰুষ সকলতকৈ আমি বেছি শিক্ষিত আৰু বৈজ্ঞানিক বুলিয়েই আমি তেওঁলোকতকৈ কম নিষ্ঠুৰ আৰু বেছি দয়ালু বুলি কব নোৱাৰি। শিক্ষাই আমাক বুদ্ধিৰ বোজাৰ পৰা মুক্তি দিব পৰা নাই। পৰিতৃপ্তি নিদিয়াকৈ এই শিক্ষাই মন আমাৰ উত্তেজিত কৰে। কবিতা পাঠ কৰি, উপন্যাস পঢ়ি আৰু বোলছবি চাই আমি নিজকে শিক্ষিত বুলি ভাবোঁ। বিবেকৰ সহায়ত আমি ভাবুকি দি চলিব পাৰোঁ। প্ৰবৃত্তি সমূহক পোষণ কৰিবলৈ আমি আমাৰ যুক্তিক ব্যৱহাৰ কৰোঁ। আমি যি কৰিবলৈ বিচাৰোঁ তাৰ কাৰণে অজুহাত উলিয়াওঁ আৰু যিহকে বিশ্বাস কৰিব খোজোঁ তাৰ হৈ তৰ্ক বিতৰ্ক কৰোঁ। ভাল কাম কৰি ঘূৰি ফুৰাৰ কথা আমি ভাবোঁ কিন্তু প্ৰকৃততে ভাল কাম কৰাতকৈ বেছি কৈ আমি ঘূৰি ফুৰি হে ভাল পাওঁ। আমাৰ জীৱনত কোনো আদৰ্শ নাই, আমাৰ ভিতৰত নিয়মানুবৰ্ত্তিতাৰ অভাৱ। তথাপি আমি মানৱ আদৰ্শৰ ডাঙৰ ডাঙৰ কথা মুখস্থ গাই আৰু বহু প্ৰচলিত কথা কৈ জীৱনৰ বাহ্যিক ফালটোত জোৰ দিওঁ। অতীজত

কিছুমান মানুহ আছিল, তেওঁবিলাক আছিল মূৰ্খ, উত্তেজিত আৰু সহজে ঈশ্বৰ বিশ্বাসী। সেই সকললোক বেছি ভাগ সময়তেই কল্পনাতীতভাৱে নিৰ্দ্দয় হৈ পৰিছিল অৱশ্যে সময় অনুসৰি তেওঁলোকে অতি বীৰত্বও দেখুৱাব পাৰিছিল। সেই সকল মানুহৰ লগত আমাৰ বেছি পাৰ্থক্য নাই।

মানুহ হ'ল যুদ্ধপ্ৰিয় জন্তু। ই এতিয়াও পোহ মনা নাই। অৰ্থনৈতিক কৃতকাৰ্য্যতাই হৈছে মানুহৰ চৰম আদৰ্শ আৰু প্ৰায়বিলাক যুদ্ধবিগ্ৰহ হৈছে অৰ্থনৈতিক কাৰণত। অৰ্থনীতিয়েই আমাৰ ধৰ্ম্ম। সাম্ৰাজ্য প্ৰতিষ্ঠা হৈছে আমাৰ ডাঙৰ ব্যৱসায়। আমি যুদ্ধ লগাওঁ বেহা বেপাৰ বৃদ্ধি কৰিবলৈ আৰু উপনিৱেশ লাভ কৰিবলৈ। ব্যৱসায় আৰু বজাৰৰ খাতিৰত আমি বুদ্ধিৰ স্বাধীনতা ত্যাগ কৰোঁ কাৰণ ই হয়তো আমাৰ মনত নানান সন্দেহৰ সৃষ্টি কৰিব পাৰে, অন্তৰৰ সহানুভূতি আমি ত্যাগ কৰোঁ কাৰণ সহানুভূতিশীল হলে বনুৱা শ্ৰেণী বা অনুন্নত চৰকাৰক আমি ভালদৰে শোষণ কৰিব নোৱাৰিম। আমাৰ মনৰ দৃঢ়তাক শিথিল কৰে বুলি আমি কল্পনা শক্তিক পৰিহাৰ কৰোঁ। ব্যক্তি বিশেষ আৰু বিভিন্ন জাতিৰ মাজত প্ৰতিদ্বন্দ্বিতা, সংগ্ৰামৰ গৌৰৱ আৰু যুদ্ধজয়ৰ আনন্দৰ ভেটিত আমাৰ সভ্যতা প্ৰতিষ্ঠিত। আজিৰ সভ্যতাৰ মাজত আছে গতি, সাহস, দুঃসাহসিকতা উত্তেজনা, উদ্বাউল কাম আৰু অতিপাত কোলাহলৰ সংমিশ্ৰণ। কিন্তু এই সভ্যতাৰ পৰিতৃপ্তি অহা নাই আৰু কোনোকালে যে আহিব তাকো ক'ব নোৱাৰি।

গতি, পৰিমাণ, মানদণ্ড আৰু বস্তুৰ প্ৰতি আকৰ্ষণ আদি যান্ত্ৰিক ধৰ্ম্ম সমূহৰ তলত আত্মাৰ যাতনা হৈছে। অন্তৰ জগতৰ ঐক্যৰ অভাৱ আৰু মানসিক সংঘাতৰ ফলত আমি কষ্ট পাই আহিছোঁ। আমাৰ আছে শৰীৰৰ প্ৰতি বিবেচনাহীন আকৰ্ষণ, জৈৱিক

প্রয়োজনীয়তা আৰু উত্তেজনা, আবেগ আৰু অনুভূতি। আমাৰ জীৱন আজি হীন প্রয়োজনৰ জীৱন। আনফালে আমি মুখত গাই ফুৰোঁ মানৱ জীৱনৰ স্বাধীনতা, সৌন্দৰ্য্যবোধ, প্ৰেম আৰু ধৰ্ম্মৰ আধ্যাত্মিক আদৰ্শৰ কথা। আন কি আমাৰ এতিয়াও শাৰীৰিক বৰ্ব্বৰতাই যোৱা নাই। শৰীৰৰ প্ৰতি আমাৰ নতুন দৃষ্টিৰে আৰু "পৱিত্ৰক্ষুধা" "পৱিত্ৰজুই" "গৰ্ভস্থ মন্দিৰ" "প্ৰকৃতিৰ আহবান" এনেবোৰ কথাৰ মূল্যাঙ্কনেৰে শৰীৰৰ ওপৰত জোৰ দি আমি নিজকে প্ৰৱঞ্চিত কৰিছোঁ। সেয়ে আমাৰ উত্তেজনা সমূহক পৱিত্ৰ বুলি ধৰা হৈছে আৰু পাশৱিকতাক কপট সাধুতাৰে—গোপন কৰা হৈছে।

অন্ধ বিফলতাৰ মাজত জগৎ চলা নাই। বুৰঞ্জীৰো নীতি আছে বুলি এটা কথা আছে। লৰ্ড অকচনে আমাক সকিয়াই দিছে যে "তিনি হেজাৰ বছৰ বাদ দি চাৰি শ বছৰৰ পৰ্য্যবেক্ষণৰ ওপৰত আমি কোনো দৰ্শন পাব নোৱাৰোঁ। ( ···দি ষ্টাদি অব্ হিষ্টৰি ) অতীত সভ্যতাৰ উত্থান পতনলৈ মন কৰিলেই যি সকলে ৰাজনীতি, দেশ হিতৈষণা বা পৰস্পৰ বিনাশ কাৰ্য্যত শক্তি ক্ষয় কৰিছিল—তেওঁলোক আভ্যন্তৰিণ শক্তিৰ হাতত ধ্বংস হৈ যোৱা দেখিবলৈ পাওঁ। প্ৰস্তৰ যুগৰ পৰা পশ্চিম ইউৰোপ মূৰ ডাঙি উঠাৰ বহুদিনৰ আগতেই ইজিপ্ত, বেবীলন, এচিৰিয়া, ক্ৰীট আৰু চালেডাৰ সভ্যতা অতি উচ্চ স্থানলৈ উঠিছিল। আমি যদি ৬০০০ বছৰৰ আগৰ অতীতলৈ উভতি যাওঁ আৰু কিছুদিনৰ আগতে ডঃ আলেকজেণ্ডাৰ আৰভিনে কোৱামতে এশবছৰক ঘড়ীৰ এক মিনিট বুলি ধৰি লওঁ, তেতিয়া হলে প্ৰথমতে ইজিপ্ত আৰু বেবীলনৰ প্ৰতিয়েই আমাৰ দৃষ্টি আকৰ্ষিত হ'ব আৰু এই সময়ত ঠিক যেন বাৰ হে বাজিছে। বাৰ বাজি পাঁচ মিনিট যোৱাত আমি ক্ৰীটক দেখিবলৈ পাম। বাৰ বাজি দহ মিনিটত এচিৰিয়া, চীন আৰু ভাৰতবৰ্ষক আৰু বাৰ বাজি কুৰি

মিনিটত আমি মিডিয়াক দেখিবলৈ পাম। অৱশ্যে আমি ভাৰতবৰ্ষ আৰু চীনৰ পুৰনি সভ্যতাৰ ইউৰোপীয় গণনা যদি গ্ৰহণ কৰোঁ বাৰ বাজি পশিছঁ মিনিটত পাৰ্চিয়া আগবাঢ়ি থাকিব। চাৰে বাৰত আমি গ্ৰীচ পামগৈ। বাৰ বাজি পয়ত্ৰিছ মিনিটত আলেক-জেণ্ডাৰৰ মানচিত্ৰৰ পৰা কিছুমান সাম্ৰাজ্য মোচ খাব। বাৰ বাজি চল্লিছ মিনিটত ৰোমৰ শাসন চলিব। বাৰ বাজি পঞ্চল্লিছ মিনিটত বৰ্ত্তমান ক্ষমতাশালী ইউৰোপীয় সভ্যতা সমূহৰ পাতনি দেখিবলৈ পাম। বাকী দহ মিনিটৰ প্ৰত্যেক মিনিটতে এখনকৈ সাম্ৰাজ্য বা ৰাজ্য লোপ পাব আৰু নতুন একোখনৰ উদ্ভৱ হ'ব। এক বাজিবলৈ কেইচেকেণ্ডমান থাকোঁতেই যেন মহা যুদ্ধ আৰম্ভ হ'ল। এচিয়াত সভ্যতা স্থায়ী হৈ ৰোৱাৰ গুৰিতে যে এচিয়াবাসীৰ মানবীয় আৰু আধ্যাত্মিক মূল্যৰ কাৰণে গভীৰ আত্মত্যাগ আছিল সেইটো বুজিব পাৰি। তেওঁলোকেও যুদ্ধ কৰিছিল, ৰজাও তেওঁলোকৰ যোদ্ধাই আছিল কিন্তু উচ্চ জীৱনৰ প্ৰতি তেওঁলোকৰ যি আকুলতা আছিল তাৰ কাৰণেই তেওঁলোকে যুদ্ধৰ গৌৰৱ বা দুঃসাহসিকতা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল—কিন্তু এই যুদ্ধ গৌৰৱ ইউৰোপবাসীৰ প্ৰাণত এতিয়াও আছে। সৈন্য শক্তিৰ দ্বাৰা গোটেই পৃথিৱীতে আধিপত্য চলোৱাৰ দানবীয় বাসনা দিনকদিনে বৃদ্ধি হোৱাৰ ফলত এচিৰিয়া দুৰ্ব্বল হৈ পৰিছিল আৰু এই বাসনা পৰিপূৰণাৰ্থে কৰা কঠোৰ প্ৰচেষ্টাৰ ফলত এই দেশ ধ্বংস হৈছিল। অহৰহ যুদ্ধ লাগি থকাৰ ফলতেই পুৰণি গ্ৰীক সভ্যতাৰ অৱসান ঘটিছিল। ৰোমে সদৌ পৃথিৱী জয় কৰি ল'লে আৰু বাধাহীন ভাৱে পূবৰ পৰা পশ্চিমলৈকে আনুগত্য লাভ কৰিলে। ৰোমে পৃথিৱীহে লাভ কৰিলে কিন্তু আপোন আত্মা হেৰুবাই পেলালে। বিবাহৰ দায়িত্বহীনতাই ৰোমৰ বিলাসী জীৱনৰ পৰিপূৰ্ণতাৰ চিন—এই অধঃপতনৰ পাতনি

অতি ভীষণ ৰূপে দেখা দিছিল। বিবাহ ক্ষেত্ৰত এজন পুৰুষে ২।৩ গৰাকী স্ত্ৰী আৰু এগৰাকী তিৰোতাই ২১ জন স্বামী গ্ৰহণ কৰাৰ উদাহৰণো পোৱা যায়। বিবাহবোৰ চুক্তিবদ্ধ হৈছিল। এই চুক্তি ভাঙিপেলাই আকৌ নতুন চুক্তি কৰা হৈছিল যেন বিবাহৰ ভিতৰেদি সাজসৰঞ্জামৰ হে সলনাসলনি হৈছে। ৰোমৰ চিন্তাশীল মনীষী সকলে দেশবাসীৰ আধ্যাত্মিক তৰলতাৰ কাৰণে তেওঁলোকক সতৰ্ক কৰি দিছিল। ঐতিহাসিক লিভিয়ে কৈছিল "আমাৰ পাপ আৰু পাপ মোচনৰ ব্যৱস্থা দুয়োটাই অসহ্য হৈ উঠিছে।' টেটিটাচে হতাশ হৈ সমাজৰ এখন বিষাদময় ছবি আকিছিল। জুভেনিলে এই বিষয়ে ব্যঙ্গমূলক ৰচনা লিখিছিল। কিন্তু জন সাধাৰণে তেওঁৰ কথালৈ মন কৰা নাছিল আৰু ফলত গৌৰৱদীপ নিৰ্ব্বাপিত হ'ল। সদৌ ভূমণ্ডলত ৰাজ্য প্ৰতিষ্ঠাৰ যি বাসনা জাগিল তাৰ ফলতেই ইখনৰ পিছত সিখনকৈ সাম্ৰাজ্য ধ্বংস হবলৈ ধৰিলে আৰু আধ্যাত্মিক ৰিক্ততাৰ ফলত ইটোৰ পিছত সিটোকৈ সভ্যতা বিনাশ হবলৈ ধৰিলে। হিন্দু-শাস্ত্ৰ বিষ্ণু পুৰাণৰ গ্ৰন্থকাৰে আমাক চিন্তা কৰিবলৈ কৈছে আৰু ভৱিষ্যৎ অৱতাৰ কল্কিলৈ বাট চাবলৈ দিছে—সেই সময়ত সমাজৰ এনে এটা অৱস্থা হ'ব যে ধন সম্পত্তিয়েই মানুহৰ মৰ্য্যাদা নিৰ্দ্ধাৰিত কৰিব, ধনেই ধৰ্ম্মৰ উপায় হ'ব—যৌন উত্তেজনাই মাত্ৰ স্বামী স্ত্ৰীৰ মিলনৰ বান্ধ হ'ব, মিথ্যাই হ'ব জীৱনৰ কৃতকাৰ্য্যতাৰ উপায়, যৌন তৃপ্তিয়েই হ'ব সকলো আনন্দৰ মূল, অন্তৰৰ ধৰ্ম্মৰ লগত হ'ব মানুহৰ বাহ্যিকতাৰ সংঘৰ্ষ। যদি এনে নীচ আৰু বৰ্ব্বৰ আদৰ্শ বেছি দিন টিকিব লগা হয় জীৱন হৈ পৰিব ভাৰাক্ৰান্ত আৰু আমাৰ সভ্যতা নিজৰ হেচাঁতে নিজে ধ্বংস হৈ যাব। কথাটো সচাঁ। ইতিহাসৰ ধাৰা নিৰ্ম্মম। আমি তাৰ পৰা হাত সাৰিব নোৱাৰোঁ। তৰোৱাল ধৰা সেনা সকল নিজ তৰোৱালৰ দ্বাৰাই বিধ্বস্ত হয়। সভ্যতাৰ

জয় হয় শাৰীৰিক শক্তিতকৈও আধ্যাত্মিক শক্তিৰ বলত হে আৰু সভ্যতাৰ পতনো হয় আধ্যাত্মিক প্ৰেৰণা আৰু সজীৱতাৰ অভাৱত হে। যেতিয়ালৈকে মানুহে অস্ত্ৰৰ ওপৰত আশা পোষণ কৰি থাকিব আৰু আধ্যাত্মিক শক্তিৰে দেশ শাসন কৰাত অকৃতকাৰ্য্য হ'ব তেতিয়ালৈকে মানবৰ ভৱিষ্যৎ অন্ধকাৰ। যি খন লুভীয়া সমাজৰ ভেটি হ'ল মাত্ৰ প্ৰতিদ্বন্দ্বিতা, য'ত শক্তিৰে হে মাত্ৰ দন খৰিয়ালবোৰ নিৰ্দ্ধাৰণ কৰিব পাৰি—য'ত মানুহৰ চিন্তা হৈ পৰে উপকৰা শিল্পকলা হয় আবেগ প্ৰবন আৰু যি সমাজৰ নৈতিক জীৱন হ'ল শিথিল সেই সমাজৰ সভ্যতা সাত্ত্বিক হ'ব নোৱাৰে। ই হয় ৰাজসিক। তেনে এখন সমাজ টিকিবও নোৱাৰে। কেৱল মাত্ৰ আধ্যাত্মিক পুনৰ্গঠনে হে ধ্বংসমুখী পৃথিৱীকে ৰক্ষা কৰিব পাৰিব। এইখিনিতে ভৱিষ্যৎ বক্তাৰ কথা মনলৈ আহে—উঠা উঠা, মৃত্যু কবলত পৰিবা কিয় ?" হেগেলৰ এই মৰ্ম্মস্পৰ্শী কথাযাৰৰ সত্যতা প্ৰমাণ কৰিম নে ইয়াক মিথ্যা প্ৰতিপন্ন কৰি আমি ইতিহাসৰ পৰা শিক্ষা গ্ৰহণ কৰিম ? সভ্যতাৰ ভৱিষ্যৎ নালাগে মানৱতাৰে আজি সঙ্কটাপন্ন অৱস্থা। অৱশ্যে এই অৱস্থাৰ পৰিবৰ্ত্তন আমি কৰিব পাৰোঁ। মানৱতাৰ কাৰণে আমিয়েই জগতক নিৰাপদ কৰিব লাগিব।

অৱশ্যে হতাশ হোৱাৰ কোনো কাৰণ নাই। এই গ্ৰহলৈ আমাৰ আগমন বেছি দিনৰ কথা নহয়। আমি মাত্ৰ অৰ্দ্ধ সভ্য হে হৈছোঁ। আমাৰ সমুখত বহু যুগ পৰি আছে। পৃথিৱী বসবাসৰ কাৰণে অনুপযুক্ত হ'ব আৰু সূৰ্য্য দহ কোটি বছৰৰ ভিতৰতে অনুজ্জ্বল হৈ পৰিব—এনেকৈ ভাবি লোৱাটো সমীচীন নহয় বুলি জোতিৰ্বিদ সকলে আমাক কৈ থৈছে। শাৰীৰিক আৰু গতানুগতিক উন্নতিৰ উপৰিও আমি যদি মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব পাৰোঁ তেন্তে মানবতাৰ ভৱিষ্যৎ অতি উজ্জ্বল। মই যথেষ্ট আশাবাদী, সেয়ে

মই ভাবোঁ যে বৰ্ত্তমান সামাজিক আলোড়নে অৱশেষত মানবৰ মঙ্গল সাধনেই কৰিব। ভৱিষ্যৎ উন্নতিৰ বাবে আজি প্ৰয়োজন সভ্যতাৰ সবল বিশ্লেষণ আৰু অকপট সমালোচনা। অতীতৰ শিকলিৰে প্ৰগতিশীল মনক বান্ধিব খোজা অলস নৈষ্ঠিকতাৰ খেলিমেলি, প্ৰচলিত প্ৰথাৰ অভিযোগ আৰু বলিষ্ঠ বাক্ বিতণ্ডা সকলোবোৰকে আমি তাৰ কাৰণে আহ্বান জনাম। কাৰণ সবলভাৱে ভুল স্বীকাৰ কৰাই হৈছে সকলো উন্নতিৰ পতনি। সুদূৰ ভৱিষ্যতত কি আছে নেজানোঁ, কিন্তু সুদূৰৰ ফালে অভিযানৰ প্ৰথম খোজ আমি পেলাব যে পাৰোঁ—সেই কথা আমি ক'ব পৰা হৈছোঁ।

# ৪। পূৰ্ণগঠন

## ধৰ্ম্ম

ধৰ্ম্মৰ ক্ষেত্ৰত যি কোনো গঠনমূলক মহৎ প্ৰচেষ্টাৰ আগতে সন্দেহবাদৰ ঢৌ বাগৰি যায়। পুৰনি বিশ্বাস সমূহ ভাঙি মানুহে নব অভিযানৰ পাতনি প্ৰস্তুত কৰে। সেই সময়ত অস্থায়ী পুৰণি ৰীতি নীতি আৰু প্ৰচলিত প্ৰথাবোৰ জোকাৰ খাই উঠে, সেই আলোড়নৰ মাজত যি বোৰ সনাতন আৰু চিৰন্তন সেই বোৰেও আমাৰ আগত ধৰা দিয়ে। ধৰ্ম্মক সমালোচনাৰ বাহিৰত ৰাখিলে একো সুফল নহয়। মনটোক মাৰি আমি মানসিক সুস্থতা আশা কৰিব নোৱাৰোঁ। গতানুগতিক নৈষ্ঠিকতাৰ দৰেই নিৰস নাস্তিকতাৰো কোনো ভবিষ্যৎ নাই। আমি কেতিয়াও ধৰ্ম্মৰ পৰা আতৰি থাকিব নোৱাৰোঁ। অদৃশ্য শক্তিক উপলব্ধি কৰাৰ কাৰণে মানব অন্তৰত বিৰাট প্ৰয়োজনীয়তা আছে। জীবনৰ অৰ্থ আৰু দায়িত্ব সম্বন্ধে আশা আৰু আকাংক্ষা ৰাখি আৰু চিন্তা কৰি মানুহ যেতিয়ালৈকে মানুহ হৈ থাকিব তেতিয়ালৈকে ধৰ্ম্ম নাশৰ কোনো ভয় নাই। কেৱল আমি ধৰ্ম্মক সংশোধন কৰিব লাগিব। আধুনিক জ্ঞান আৰু বিচাৰৰ লগত খাপ খুৱাই আমি বিশ্বজনীন সত্য সমূহৰ নতুন ব্যাখ্যা দিব লাগিব। এফালে প্ৰচলিত ৰীতিনীতিৰ নিষ্পেষণ জয় কৰা আৰু আনফালে বিভেদকাৰী আত্মকেন্দ্ৰিকতাৰ বিশৃঙ্খলা বাদ দি চলা—এই দুয়োটাই আমাৰ কৰ্ত্তব্য।

কাৰ্য্যকাৰণ যুক্তিৰে দেখুওৱা ঐহিক ঘটনা সমূহৰ পাৰস্পৰিক কাৰণ ৰাশিৰ প্ৰথম যোগসূত্ৰৰ সত্যতা সম্বন্ধে সন্দেহ থাকিলেও সেই যুক্তিৰ দ্বাৰা প্ৰমাণিত আনটো ব্যাখ্যা অৰ্থাৎ বিশ্বজগতৰ যে

এক পৰম সত্ত্বা বা আধাৰ আছে—ই সিমান তৰ্কৰ বিষয় নহয়। এই বিশ্বখন হৈছে কোনো এক উদ্দেশ্যৰ বাবে ভগৱানৰ এক নক্সাবিশেষ—এনে এটা অপৈণত যুক্তিক ভল্টেয়েৰে এই বুলি বিদ্রূপ কৰিছে সে বিশ্বখনক ভগৱানৰ নক্সা বুলি ভবা আৰু আমাৰ নাকটোক চশমাৰ আধাৰ উদ্দেশ্যে নক্সা বুলি ভবা একে কথা। সেই বুলিয়েই সেই যুক্তিৰ বাকী অংশ একেবাৰে অবিবেচনাৰ কথা নহয়। অৰ্থাৎ এই বিশ্বখন হঠাৎ উদ্ভৱ হোৱা ঘটনা নহয়। ইয়াৰ গতি আৰু শৃঙ্খলাই এক পৰিকল্পনা আৰু উদ্দেশ্যৰ প্ৰমাণ কৰে। বিশ্বজগতৰ বৈজ্ঞানিক ব্যাখ্যা হ'ল সকলো প্ৰকাৰৰে নাস্তিক ব্যাখ্যা। প্ৰকৃততে বিজ্ঞান জগতৰ মূলগত সমস্যাবোৰ অৰ্থাৎ জগতৰ পৰম সত্ত্বা বা প্ৰধান কাৰণ সমূহ লৈ ব্যস্ত নহয়। বিজ্ঞানে মাত্ৰ পৰিদৃশ্যমান জগতৰ হে ব্যাখ্যা কৰে। বাকীবোৰ মূল সমস্যা, দৰ্শন, ধৰ্ম্ম, আদিক এৰি দিয়ে। মহাজগতৰ যদি দুটা সমানে অনুমোদিত আৰু যুক্তিযুক্ত ব্যাখ্যা হ'ব পাৰে তেন্তে তাৰে যিটো ব্যাখ্যাই মানৱতাৰ উচ্চ সম্ভাৱনাবোৰ বিকশিত হোৱাত সহায় কৰে তাক আমি বাচি নোলোৱাৰ অৰ্থ কি? আজি যদি আমি বিজ্ঞানৰ কৃতকাৰ্য্যতা আৰু ইয়াৰ উদ্দামৰ প্ৰতি অনুৰক্ত হওঁ তেন্তে এই মহাজগতৰ আঁৰত যে এক বুজিব আৰু বুজাব নোৱৰা আধ্যাত্মিক সত্ত্বা আছে সেই কথা বিশ্বাস কৰি ল'ব লাগিব। বস্তুৰ ভিতৰলৈ প্ৰাণ আহিল, তাৰ পিছত ক্ৰমান্বয়ে মন, বুদ্ধি আৰু আত্মাৰ বিকাশ হ'ল। ইয়াৰ পৰা ইয়াকে বুজায় যে এই বিকাশ সমূহৰ মাজত এক স্থিৰ উৰ্দ্ধগতি আছে—যদিও মাজে সময়ে ইয়াত বিকৃতি, কঠোৰতা, নিশ্চলতা আৰু বুদ্ধিহীনতাও ঘটে। সাধাৰণতে জৈৱিক ক্ৰমবিকাশৰ গতি হৈছে ক্ৰমবৰ্দ্ধমান পূৰ্ণতাৰ ফালে। এই ক্ষেত্ৰত আমি বহুমূলীয়া বুলি ভবা গুণবাজি যেনে মনোজগতৰ

উৎকৰ্ষতা, সামাজিক বিবেকৰ উন্নতিসাধন দুখানুভূতি আৰু অংশ-বিশেষৰ সমিলমিল ভাৱ আদি দিনে দিনে বাঢ়ি আহিছে। প্ৰকৃতিৰ বুকুতেই যেন নীতি বিৰাজমান। হোৱাইট্ হেড্, টমচন্, অলিভাৰ লজ আৰু লয়েড মৰ্গেন আদিৰ দৰে বৈজ্ঞানিকৰ লিখনিৰ ভিতৰত পোৱা এনে এক ব্যাখ্যা কেৱল আবেগ বশতঃ হোৱা নাইবা আত্মকেন্দ্ৰিকতাৰ পৰা অহা কল্পনা নহয়।

অজ্ঞাত চিৰন্তন সত্যৰ হকে আমি কতকাল যে অন্ধৰ দৰে খেপিয়াই ফুৰিছোঁ। কিন্তু বিজ্ঞানে আমাক সেই সত্যৰ এক নতুন দৃষ্টি দান কৰিলে। বিজ্ঞানে পুৰণি ঐশ্বৰিক প্ৰকাশ অস্বীকাৰ কৰা নাই। কিন্তু ই পুৰণি নৈষ্ঠিকতাৰ মাজত আলোড়নৰ সৃষ্টি কৰিছে। মানুহে নিজৰ বাবে সৃষ্টি কৰা বহু ঈশ্বৰৰ মূৰ্ত্তি বিজ্ঞানে ধ্বংস কৰিলে যদিও আনফালে আকৌ বিজ্ঞানেই জাগতিক প্ৰবাহৰ আঁৰত থকা এক সত্ত্বাৰ সত্যতা প্ৰতিষ্ঠা কৰিছে। ভগৱানক স্বৰ্গৰ এজন দেৱতা বুলি ভাবিব নালাগে। মাটিৰ পাত্ৰ সজা কুমাৰৰ দৰেও ঈশ্বৰ নহয় নাইবা খৰচী পুত্ৰ ঘূৰি আহোঁতে আনন্দিত হোৱা পিতৃ স্বৰূপেও ভগবানক ভাবিব নোৱাৰি। ঈশ্বৰ হৈছে মানৱ আৰু আন সকলো বস্তুৰ মাজত পৰিব্যাপ্ত হৈ থকা এক বিশ্বজনীন পৰম সত্ত্বা। এই জগতক তেওঁৱেই ধাৰণ কৰিছে, আৰু সকলো বস্তুৰ মৰ্ম্মস্থলীত প্ৰবেশ কৰিছে। আনফালে তেওঁ অপৰিসীম ভাৱে এই সকলোৰে

---

টোকা :—

হোৱাইট্ হেড্ :—এজন ইংৰাজ দাৰ্শনিক, তেখেতৰ জন্ম হয় ১৮৬১ চনত। তেখেতে ১৯৩৮ চনলৈকে ক্ৰমে গণিত আৰু দৰ্শনৰ অধ্যাপক আছিল। তেখেতৰ দাৰ্শনিক গ্ৰন্থ সমূহে এক অভিনবত্ব আনে।

লয়েড মৰ্গেন :—নৃ-তত্ত্ব লেখক।

উৰ্দ্ধত বিৰাজ কৰে। ফুলৰ লগত সুবাস আৰু সাগৰৰ পানীৰ লগত নিমখ যেনেকৈ মিহলি হৈ থাকে ভগবানো বিশ্বজগতৰ লগত তেনেকৈ মিলি আছে। সুপ্ৰতিষ্ঠিত নিয়মৰ দ্বাৰা ভগৱানে কাৰ্য্য কৰে, সেই নিয়ম তেওঁ কোনো এক ব্যক্তি বিশেষৰ কাৰণে ভঙ্গ নকৰে। আমি যদি ভুল কৰোঁ, কোনো এক অলৌকিক ৰক্ষকে আহি আমাক উদ্ধাৰ নকৰে। নিয়মভঙ্গৰ কাৰণে ভগৱানৰ ওচৰত ক্ষমা নাই। যি এবাৰ কথা এবাৰ কলোঁ তাক পুনৰ ঘূৰাই ল'ব নোৱাৰি। যি খোজ আগবঢ়ালোঁ সেই খোজ আৰু পিছুৱাব নোৱাৰি। সমুখত ভৱিষ্যৎ আমাৰ যিমানেই মুক্ত নহওক লাগে অতীত আমাৰ নিৰ্দ্ধাৰিত হৈ গৈছে।

পৰম সত্বাই মানৱ অন্তৰত বহুভাৱে ধৰা দিছে। হিন্দু ধৰ্ম্মত দ্বৈত আৰু অদ্বৈতবাদৰ বহু খেলিমেলি আছে। বৌদ্ধ সকলে এক নৈব্যক্তিক ধৰ্ম্ম আৰু এজন মুক্তিদাতাৰ নিৰ্দ্দেশ দিছে। গ্ৰীক ধৰ্ম্ম হ'ল বহু দেৱ দেৱতাৰ বিশ্বাস। হিব্ৰু সকলৰ মতে এজন ন্যায়ধিকাৰী প্ৰভূ আছে। কেঠলিক খ্ৰীষ্টান সকলে ভাৱে মানুহে সহজে ঢুকি নোপোৱা কৈ ওপৰত এজন দেৱতা আছে আৰু তেওঁৰ তলত মেডনাৰ পৰা পেট্ৰন চেইন্টলৈকে মানুহৰ নিকটস্থ বহু দেব দেবতা আছে। প্ৰটেষ্টান্ট সকল হ'ল কেৱল একেশ্বৰবাদী। কিন্তু এই সকলোবোৰ ধৰ্ম্মৰ ভিতৰেদি মানুহে মাত্ৰ নিজতকৈ উচ্চ, উত্তম, আৰু প্ৰভাৱশালী অদৃশ্য এক শক্তিৰ লগত সম্বন্ধ স্থাপন কৰিব খোজে। আমি যদি মানৱ প্ৰকৃতিৰ বিভিন্নতা স্বীকাৰ কৰোঁ তেন্তে মানুহৰ ঈশ্বৰ প্ৰাৰ্থনাৰ বিভিন্ন ধাৰাও আমি সহজে বুজিব পাৰিম। এই বিভিন্ন বিশ্বাসক এক কৰা অনৰ্থক। সকলোবোৰ ধৰ্ম্ম বিশ্বাসৰ মূলতে আছে বুজিব আৰু বুজাব নোৱৰা এক পৰম সত্বাৰ ধাৰণা

ধৰ্ম্ম বৈষম্যক প্ৰায়ে শত্ৰুতা সাধনৰ চেলু কৰা হয়। সৰ্ব্ব

মানৱৰ কাৰণে এক সনাতন ধৰ্ম্ম কৰাৰ প্ৰচেষ্টাই হৈছে পৃথিৱীত ঘটা অস্থিৰতা আৰু দুখৰ বহুখিনি কাৰণ। নিজৰ মতামত আনৰ ওপৰত জাপি দিয়াৰ স্পৃহা স্বাৰ্থপৰ মানুহৰ কাৰণে স্বাভাৱিক। অকল আমিয়েই হে সত্য উপলব্ধি কৰিছোঁ আৰু এই বিশ্বখনৰ অৰ্থ আমি যি ভাৱে বুজি পাইছোঁ সেই অৰ্থ ই সঠিক।—আমাৰ এনে বিশ্বাস অহমিকাৰ পৰা হোৱা ভ্ৰম মাত্ৰ। প্ৰত্যেক ধৰ্ম্ম বিশ্বাসেই হৈছে একোদল মানুহৰ আত্মা, অন্তৰ, সত্ত্বা আৰু স্পৃহাৰ পৰিচায়ক। প্ৰত্যেক ধৰ্ম্মৰ ভিতৰতে এক স্বৰ্গীয় পৱিত্ৰতা আছে। আন ধৰ্ম্মৰ সংস্পৰ্শত আহি ই নিজৰ ধাৰণা সংস্কাৰ কৰি নতুন ৰূপে ৰূপায়িত হয়। আনৰ প্ৰভাৱত এনে ধৰণৰ সংস্কাৰ মঙ্গল জনক। কিন্তু আনৰ পৰা গ্ৰহণ কৰা খিনিকে ঘূৰাই আকৌ অনুকৰণ কৰিলেহে বেয়া। সৰ্ব্ব মানৱৰ কাৰণে এক ধৰ্ম্ম হ'লে জগতৰ আধ্যাত্মিক ঐশ্বৰ্য্য নষ্ট হ'ব। আত্মাৰ কলুষ আৰু মানসিক বিকৃতি নাশ কৰিব লাগিলে আমি কোনো ঐতিহাসিক ধৰ্ম্মকেই দোষাৰোপ বা অস্বীকাৰ কৰিব নোৱাৰিম। বিভিন্ন ধৰ্ম্ম বিশ্বাসৰ ভিতৰেদি ঈশ্বৰৰ মহিমাই প্ৰকাশ পাইছে।

আধ্যাত্মিক ক্ষেত্ৰত প্ৰত্যেকেই নিজৰ বিবেকৰ দ্বাৰা চালিত হ'ব লাগিব। স্বাধীনতাৰ ক্ষেত্ৰত ভুলৰ সম্ভাৱনা আছে। মানুহৰ ভুল-ভ্ৰান্তি দুখদায়ক হ'লেও সত্য প্ৰাপ্তিৰ ক্ষেত্ৰত অনৰ্থক নহয়। জীৱনৰ গভীৰ প্ৰশ্ন সমূহ চিন্তা কৰিবলৈ একেৰাহে সাধনা কৰি থাকিলে মানুহৰ ভুল ভ্ৰান্তিবোৰৰ সংশোধন হ'ব পাৰে।

ভৱিষ্যৎ মানৱ ধৰ্ম্ম এনেদৰে ব্যাপক হ'ব লাগিব যাতে ই সকলো ধৰ্ম্ম পৰায়ণ লোকৰ অনুভূতিক আকোৱালি ল'ব পাৰে। আনফালে এই ধৰ্ম্মৰ ভিতৰত মানুহৰ নিজৰ বিশ্বাস আৰু চিন্তাৰ মুক্তি থাকিব। ধৰ্ম্ম পৰমাৰ্থিক সত্ত্বাৰ এক তত্ত্ব নহয়। ই হৈছে মানুহৰ আধ্যাত্মিক দৃষ্টিভঙ্গী, মানুহৰ মনৰ একৰকমৰ অৱস্থা বিশেষ।

বিশ্বাস বা তত্ত্বৰ কোনো বিশেষ কথাৰ দ্বাৰা আমাৰ বিচাৰ নহয়। আমাৰ বিচাৰ হ'ব চৰিত্ৰ আৰু জীৱনৰ দ্বাৰা হে। ধাৰ্ম্মিক লোক সকল যি সম্প্ৰদায়ৰে নহওক লাগে তেওঁলোকৰ জীৱন দৃষ্টিৰ আৰু প্ৰাণৰ সাদৃশ্য আছে। তেওঁলোকৰ অন্তৰত বিৰাজকৰা প্ৰশান্ত ভাৱ কোনো ভাগ্য বিপৰ্য্যয়ৰ দ্বাৰা নষ্ট নহয়। ঘোৰ বিপদেও বিনাশ কৰিব নোৱৰা আত্মাৰ মাহাত্ম্যই হৈছে সকলো প্ৰকাৰ আধ্যাত্মিক ভাৱৰ মূল কথা। সবল আধ্যাত্মিক লোকে পাৰ্থিব জগত জয় কৰি লৈ তাতোকৈও এক উচ্চ স্থান লাভ কৰে। তেওলোকৰ ওপৰত বন্দুকৰ গুলি বৰ্ষণ হ'লেও তেওঁলোকে সত্য কথা ক'ব পাৰে আৰু ফাঁচীৰ শাললৈ যাব লগা হ'লেও তেওঁলোকে কাৰো ওপৰত প্ৰতিশোধ লোৱাৰ কথা ভাবিব নোৱাৰে। তেওঁলোকৰ দৃষ্টিভঙ্গী বিশ্বজনীন হৈ উঠে আৰু সেই দৃষ্টিৰেই তেওঁলোকে সকলো ৰকমৰ পাৰ্থিব আকৰ্ষণ আৰু আপোন স্বাৰ্থক অনিষ্টকৰ আৰু অনৰ্থক বুলি বিবেচনা কৰে। বিনামূল্যে ত্যাগ স্বীকাৰ আৰু বিনা প্ৰতিদানে আত্মাহুতি দি তেওঁলোকে দৈনন্দিন জীৱন যাপন কৰে। আমাৰ বেছিভাগেই তেওঁলোকৰ আত্মত্যাগী বীৰত্বক আৰু নিৰ্ম্মলতাক মানব প্ৰকৃতিৰ কাৰণে সম্ভৱ নহয় বুলি ভাবোঁ নাইবা বৰ বেছি হ'লে সেইবোৰ গুণক গেলিলিৰ পৰাজিত মাছমৰীয়া লোক সকলক আৰু ভাৰতৰ দুৰ্ব্বল লোকসকলক সান্ত্বনা দিবলৈ প্ৰশংসনীয় আদৰ্শ বুলি ধৰিব পাৰোঁ। কিন্তু এই আদৰ্শক উপলব্ধি কৰা টান। প্ৰত্যেক ধৰ্ম্মই মানুহৰ নিৰ্ভীক জীৱন আৰু আত্মত্যাগৰ ওপৰত প্ৰাধান্য দিয়ে। ধৰ্ম্ম কেৱল উত্তম ৰীতি নীতিয়েই নহয়। যিবোৰ শান্ত্বনা অতি সহজে পাব পাৰি সেইবোৰ প্ৰকৃততে ধৰ্ম্মৰ ভিতৰুৱা নহয়। জীৱনটোক আনন্দ উপভোগৰ অপ্ৰতিবন্ধক সন্ধান বুলি ভবাটো অধৰ্ম্মৰ পৰিচায়ক। দুঃখ জীৱনত হঠাতে অহা ঘটনা নহয়—ই মানৱ জীৱনৰ কেন্দ্ৰ। দুঃখ কষ্টৰ ভিতৰেদিয়েই

সত্য প্ৰাপ্তিৰ সম্ভাৱনা হয়। জীৱনৰ উদ্দেশ্য প্ৰেয় নহয়—প্ৰকৃত উদ্দেশ্য হৈছে শ্ৰেয়ৰ উপলব্ধি। আনন্দৰ জীৱন আৰু জীৱনৰ আনন্দ একে কথা নহয়। যদি দুঃখৰ ভিতৰেদিয়েই আমি আদৰ্শ লাভ কৰিব পাৰোঁ তেন্তে এই দুঃখ আনন্দপূৰ্ণ জীৱনৰ সুখৰ সমানেই হ'ব। মানুহক আদৰ্শলাভৰ ক্ষেত্ৰত সহায় কৰিব পৰা হলে অতি তীব্ৰ বেদনাকো গ্ৰহণ কৰিব পাৰি। গেটেই কৈছে উচ্চতাই হে আমাক আকৰ্ষণ কৰে, সেই উচ্চতালৈ উঠি যোৱা পথে আমাক আকৰ্ষণ নকৰে। সাধাৰণ কথাতে ইয়াক আমি বুজি পাওঁ। বহু তিৰোতাই সাজসজ্জা কৰোঁতে শাৰীৰিক কিবা কষ্ট পালেও তালৈ আওকান কৰে। তেওঁলোকে সহজে সাজসজ্জাৰ কাৰণে সকলো কষ্ট স্বীকাৰ কৰে। মানুহৰ স্ব ইচ্ছা আছে, স্ব ইচ্ছাক কাৰ্য্যত নিয়োগ কৰাৰ প্ৰয়োজনীয়তাও মানুহৰ প্ৰধান। কিন্তু মানুহে স্ব ইচ্ছাক জগতৰ দাবী সমূহৰ লগত খাপ খুৱাব লাগিব আৰু তাকে কৰিবলৈ গলেই দ্বন্দ্ব, সংঘৰ্ষ আৰু কষ্টৰ উদ্ভৱ হয় আৰু দৈনন্দিন জীৱনতে এই সকলোবোৰ ঘটিবলৈ ধৰে।

প্ৰত্যেক ব্যক্তিৰ আত্মা হৈছে অৱিকশিত এক সত্ত্বা—পাশৱিক প্ৰবৃত্তিবোৰৰ পৰা সম্পূৰ্ণ মুক্ত নহ'লেও এই সত্ত্বাৰ প্ৰবৃত্তি সমূহক সংশোধন কৰিব পৰা মানুহৰ ক্ষমতা আছে। আত্মাৰ আজ্ঞাবাহী দাবী সমূহক সাদৰে গ্ৰহণ কৰি আৰু মানৱ প্ৰকৃতিৰ যি ধৰ্ম্ম তাৰ লগত খাপ খুৱাই নিয়মানুবৰ্ত্তিতা পালন কৰিলে আমি উন্নতি লাভ কৰিম। আমাৰ স্বাৰ্থৰ গতি সলাই-লৈ আৰু আমাৰ অৱচেতন মনক সংশোধন কৰি আমি সংসাৰৰ প্ৰতি আসক্ত জীৱনক আধ্যাত্মিক জীৱনলৈ পৰিবৰ্ত্তন কৰিব পাৰোঁ। কিন্তু তাকে কৰিবলৈ গ'লে অনুশাসন আৰু নিয়মানুবৰ্ত্তিতাৰ প্ৰয়োজন হ'ব—কাৰণ পাৰ্থিব লোভে প্ৰত্যেক উৰ্দ্ধগামী মনক টানি তললৈ আনিব খোজে। সেয়ে প্ৰত্যেক

উৎকর্ষতাৰ ক্ষেত্ৰত সংগ্ৰাম আছে। কিন্তু সাধাৰণ লোভ মোহৰ ওপৰত উঠিব পৰা গুণ, ব্যক্তিত্ব গঠনৰ কাৰণে বিশেষ প্ৰয়োজনীয়। ইয়াৰ প্ৰচেষ্টা অতি কষ্টকৰ কিন্তু পুৰস্কাৰ মহৎ। এই উৰ্দ্ধতা সকলো উন্নতিৰে এক লক্ষণ।

"এমিয়বা"ৰ আহাৰৰ সন্ধানৰ পৰা সচেষ্ট আত্মাৰ আধ্যাত্মিক সংঘৰ্ষলৈকে আমি মাত্ৰ উদ্দেশ্য পূৰ্ণ প্ৰচেষ্টাৰ ধাৰবাহিক ক্ৰমোন্নতিৰ বিভিন্ন অৱস্থা দেখিবলৈ পাওঁ। এই ক্ৰম বিকাশৰ প্ৰত্যেক অৱস্থাৰে এটা লক্ষ্য থাকে—সেই লক্ষ্য লাভ কৰাৰ অৰ্থে উপায় অৱলম্বন কৰা হয়। কিন্তু মানৱ পৰ্য্যায়ত আমি সচেতন আৰু ইচ্ছাকৃত ভাৱে নিজৰ লক্ষ্য বাচি ল'ব পাৰোঁ।

মানুহ পৰিৱেশৰ ভৃত্য নহয়। নাইবা দেৱ দেৱীৰ অন্ধ খেলাৰ পুতলাও নহয়। বিশ্বৰ বুকুত পূৰ্ণতাৰ প্ৰতি যি স্পৃহা ব্যাপি আছে সি মানৱ জীৱনত সচেতন হৈ উঠিছে। পশু পক্ষী বৃক্ষ আদি জগতত উন্নতি ঘটিযায় কিন্তু মানুহৰ ক্ষেত্ৰত ই ঈপ্সিত। তলৰ জগত খনৰ চেতনাহীন ৰূপান্তৰ সমূহ মানৱ জীৱনৰ সচেতন উদ্দেশ্যলৈ পৰিবৰ্ত্তন হৈছে। মানুহ প্ৰকৃততে যি আৰু যি হোৱা উচিত—এই লৈ সংঘৰ্ষ চলে মানৱ অন্তৰতেই। মানুহে জীৱনত নীতি আৰু উন্নতিৰ ধাৰা বিচাৰি লয়—আন প্ৰাণীতকৈ মানুহ সেইখিনিতেই বেলেগ।

আমি নিজক সংশোধন কৰিহে জগতৰ সংস্কাৰৰ কথা ভাবিব পাৰিম। এইটো ঠিকেই যে সকলোৰে উন্নতি ভাবিব পৰা আত্মাৰেই আধ্যাত্মিক উন্নতি হয়। সভ্যতা গঠনৰ ক্ষেত্ৰত যেতিয়া যি হ'ব লগা আছে হ'ব বুলি ভাবি ল'লে নহ'ব। ই প্ৰকৃততে চিন্তাৰ বিষয়। আমি আগুৱাম নে পিছুৱাম সেইটো আমিয়েই নিৰ্ণয় কৰিব লাগিব। ক্ৰমবিকাশৰ অৰ্থ আমাৰ আগত পৰিষ্কাৰ হৈ আছে। উন্নতিৰ সৰ্ব্বোত্তম ধাপ লাভ কৰিবলৈ কোনো এক পৰিকল্পিত পথেদি জীৱনে

গতি নকৰে। জীৱনৰ গতি চমকে, থমকে কেতিয়াবা হঠাৎ ভঙ্গ হয় আৰু কেতিয়াবা ই আপোন পথেদি উভতি বয়। প্ৰকৃতিৰ প্ৰবাহ সমূলি মিতাচাৰী নহয়। অতীত বুৰঞ্জীত আমি দেখিছোঁ যে জীৱনৰ পথ ভুল হ'লে কোনো এসময়ত আমাৰ ধ্বংস হ'বই। বিশ্বৰ মহান উদ্দেশ্য উপলব্ধি কৰি ইয়াতোকৈ এখন সুন্দৰ জগৎ সৃষ্টিত আমি প্ৰত্যেকেই সহায় কৰিব পাৰোঁ। প্ৰত্যেক ব্যক্তিয়েই হ'ল জগতৰ মঙ্গল সাধান কৰিব পৰা বিশিষ্ট গুণেৰে বিভূষিত এক সত্ত্বা। আপোন সত্ত্বাৰ অনুসন্ধানেই হ'ল সকলো পূৰ্ণতাৰ মূল। বীৰৰ দৰে জীৱনৰ সমগ্ৰতাৰ দৃষ্টি লৈ আমি নিজৰ স্থান ক'ত তাক নিৰ্ণয় কৰিব পাৰোঁ। প্ৰত্যেক ব্যক্তিয়েই হৈছে বহু আৰু বিভিন্ন কৰ্ম্ম প্ৰবৃত্তিৰ সমাৱেশ। ৱিশ্বৰ বুকুত প্ৰত্যেক ব্যক্তিৰে বিশিষ্ট স্থান আছে। এই অৱস্থানৰ উচ্চতা আৰু নিম্নতা অনুযায়ী মানুহৰ চৰিত্ৰ গভীৰ বা তৰল হয়। অভিজ্ঞতাৰ ভেটি যিয়েই নহওক লাগে, আপোন স্থানৰ অনুসন্ধানে মানুহক জাগৃত কৰে। চিন্তা আৰু ধ্যানৰ ফলত আমি এক কেন্দ্ৰস্থান বাচি ল'ব পাৰোঁ। তাকে কৰি আমি বিশ্বৰ লগত আমাৰ প্ৰকৃতিৰ সম্বন্ধ স্থাপন কৰিব পৰিম আৰু আমাৰ কৰ্ত্তব্য যিমানেই ক্ষুদ্ৰ বা কষ্ট সাধ্য নহওক লাগে তাক সমাধান কৰিবলৈ আমি শক্তি লাভ কৰিব পৰিম—আৰু তাৰ কাৰণেই ধ্যান আৰু নিৰ্জনতাৰ প্ৰয়োজন।

নৈতিক জীৱনৰ তাৎপৰ্য্য আৰু সামাজিক মূল্য আছে। কেৱল প্ৰবৃত্তি আৰু উত্তেজনাৰ তাড়নাত কৰা কাৰ্য্যকে নৈতিক কাৰ্য্য বুলিব নোৱাৰি—নৈতিক চৰিত্ৰই এক ধাৰণা বা অৰ্থ বহন কৰে। মানব প্ৰকৃতিৰ স্থূল প্ৰবৃত্তি আৰু উত্তেজনা সমূহক আধ্যাত্মিক উদ্দেশ্যৰ হকে গঢ় দিব লাগিব। মানৱ জীৱনৰ সকলো বিকাশেই তাৎপৰ্য্যপূৰ্ণ। প্ৰত্যেককে ইয়াৰ অৰ্থ আৰু উদ্দেশ্যৰ দ্বাৰা বিচাৰ কৰা হয়। প্ৰচলিত আদৰ্শকে আমি গ্ৰহণ কৰি থ'লে নহ'ব।

প্ৰত্যেক ব্যক্তিয়েই লগৰ আনবোৰ মানুহৰ পৰা বেলেগ দৃষ্টি কোনেৰে জগতখন দেখে। আমি জীৱনৰ যি আদৰ্শকে বাচি লওঁ সেই আদৰ্শৰ প্ৰকৃতি আমি বুজি পাওঁ। সেই আদৰ্শ বাস্তৱত পৰিণত হ'ব বুলি বিশ্বাস কৰোঁ। তাৰকাৰণে কাৰ্য্যৰ পৰিকল্পনা কৰোঁ আৰু সেই আদৰ্শৰ কাৰণে বহু নিৰ্য্যাতন আৰু আত্মত্যাগৰ ক্লেশ ভোগ কৰি আমি জীয়াই থাকোঁ। তদুপৰি আমাৰ যি কোনো কাৰ্য্য নৈতিক হ'ব লাগিলে আমি সামাজিক নিৰাপত্তা আৰু শান্তিৰ অৰ্থে চকু ৰাখিব লাগিব। সামাজিক শান্তি আৰু নিৰাপত্তা হ'ল ক্ৰমবিকাশৰ লক্ষ্য। মানব জাতি ধ্বংসকাৰী আৰু অশান্তিকৰ কাৰ্য্যক আমি নৈতিক কাৰ্য্য বুলিব নোৱাৰোঁ। নৈতিক জীৱনত ব্যক্তি মৰ্য্যদাৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগিব। আনৰ পৰিচয়ৰ দ্বাৰা আৰু আনৰ লগত খাপ খুৱাই চলাৰ পৰা জীৱন সমৃদ্ধ হয়। 'মলকে' ফনেচিয়া দেশৰ মাতৃ সকলক নিজ সন্তানক পিয়াহ খুউৱা বন্ধ কৰা নাছিল, কিন্তু আন এজন দেবতাই সেইটো কৰিব পাৰিলে হেঁতন। সকলো মানুহেই অসাধাৰণ। প্ৰত্যেকৰে আপোন বৈশিষ্ট্য আছে। জগত প্ৰবাহৰ লক্ষ্য হৈছে বহু বৈশিষ্ট্যৰ ঐক্য সাধন।

সকলো মানি ল'ব পৰা মনোবৃত্তি আৰু আগবাঢ়ি যোৱাৰ উদ্যমেই হৈছে নৈতিক উন্নতিৰ লক্ষণ। এজন ব্যক্তিৰ ভিতৰত কিছুমান স্থূল বাসনা, প্ৰবৃত্তি থাকে। মানব প্ৰকৃতিৰ এইবোৰেই মূল পদাৰ্থ বুলি ক'ব পাৰি। এই জন্মগত প্ৰবৃত্তিবোৰক অস্বীকাৰ কৰা আৰু সেইবোৰ ধ্বংস কৰিবলৈ বিচৰা কোনো নৈতিক বিধান সন্তোষজনক নহয়। ব্যক্তিত্বৰ জন্মগত ফালটো আমি মানি ল'ব লাগিব। তাৰ ভেটিত আমি উচ্চ জীৱন গঢ়ি তুলিব লাগিব। যি পাইছে তাকে মানি লৈ আৰু পৰিৱেশৰ লগত নিজক খাপ খুৱাব পাৰিয়েই কেৱল মানুহ সন্তুষ্ট নহয়—মানৱ অন্তৰত আছে আগবাঢ়ি

যোৱাৰ আৰু ওপৰলৈ উঠাৰ এক স্পৃহা। কেৱল জীয়াই থকাই মানৱ জীৱনৰ পৰম লক্ষ্য নহয়। মানুহে বিচাৰে এক উন্নত জীৱন। মানুহে এইদৰে জীয়াই থাকিব খোজে যাতে মানৱ জীৱন পাৰ হৈও সত্বাৰ এক পৰিপূৰ্ণতা পাব পৰা হয়। পৰিৱেশৰ নীতি নিয়ম মানি চলাটোৱেই যদি নৈতিকতা হয় তেন্তে এই নৈতিকতা সৰহদিন টিকিব নোৱাৰে, যি হেতু পৰিৱেশ পৰিবৰ্ত্তন হৈ থাকে। অতীতৰ জীৱন ধাৰাক পুনৰ চলাব নোৱাৰি। কোনো ক্ষেত্ৰত পাৰিলেও এইটো উচিত নহয়। ৰাজপুত যোদ্ধা আৰু মধ্য যুগৰ বীৰ সেনাপতিৰ (নাইট) নিদৰ্শন বৰ্ত্তমান অৱস্থাত অসম্ভৱ। আমি অচল আৰু অপৰিৱৰ্ত্তনীয় পৰিৱেশ পালেও আমাৰ সমাস্যাৰ সমাধান নহয়, কাৰণ আদৰ্শ আমাৰ সদায় সলনি হৈ থাকে। নীতিৰ সংশোধন যিমান আৱশ্যকীয়, পৰিৱেশক মানি চলাটো নৈতিক জীৱনৰ কাৰণে ঠিক সিমান প্ৰয়োজনীয় নহয়। কাৰণ নীতিৰ সংশোধনে আমাৰ আদৰ্শক ক্ৰমে বৃহত্তৰ ৰূপ দি গৈ থাকে। জীৱন পথত আগবাঢ়ি নগৈ যি পাইছোঁ তাকে মানি লোৱাটো আৰু বিনা পৰিৱৰ্ত্তনে পৰিৱেশৰ লগত খাপ খুৱাই যাব পৰাটো একৰকমৰ পূৰ্ণতা বা শান্তি বুলিব পাৰি—কিন্তু এই পূৰ্ণতা মানবীয় নহয় আৰু এই শান্তিও আধ্যাত্মিক প্ৰকৃতিৰ নহয়।

টান খোলাৰ শামুকাদি প্ৰাণীৰ দৰে চাৰিওফালৰ পৰিৱেশৰ লগত খাপ খাই যোৱা ব্যক্তিৰ ভিতৰত নৈতিক জীৱনৰ বীৰত্ব সূচক সাহস দেখা নেযায়। কিন্তু যি জনে প্ৰকৃততে নিজৰ সমাজক উন্নত আদৰ্শ সমাজৰ ফালে আগবঢ়াই লৈ যায় তেওঁৰ ভিতৰত নৈতিক সাহস দেখা যায়। সম্পূৰ্ণ ৰূপে নিজক খাপ খুৱাব পৰাটো সুন্দৰ কথা—কিন্তু পৰিবৰ্ত্তনশীল জগতত ই বেছিদিন নিটিকে। অবোধ সুন্দৰ শিশু এদিন কৰ্ম্মঠ যুবকলৈ পৰিবৰ্ত্তন হ'বই, এয়ে যুগ

মৰ্য্যাদা। এই ধৰণেই সময় চলি থাকে—জীৱন পথত বিৰাম নাই। প্ৰত্যেক সমাপ্তিয়েই নতুন আৰম্ভনিৰ সূচনা মাত্ৰ।

প্ৰচলিত মতবাদৰ লগত এই দৃষ্টিৰ দ্বন্দ্ব পৰিস্ফুট হৈ আছে। প্ৰচলিত ধাৰণা সমূহৰ মূলত এক বিশ্বাস আছে যে প্ৰত্যেক ব্যক্তিৰেই লক্ষ্য হৈছে মানবীয় প্ৰচেষ্টাৰ দ্বাৰা নিজক পৰিপূৰ্ণ কৰি তোলা। সামাজিক মুক্তিতকৈও ব্যক্তিগত মুক্তিৰ ওপৰত জোৰ দিয়াহে জীৱনৰ উদ্দেশ্য। ধৰ্ম্মৰ আনুষ্ঠানিকতাই এনে ধৰণৰ ব্যক্তিত্ব-বাদৰ কাৰণে বহু পৰিমাণে দায়ী। ৰীতিনীতিবোৰ যাতে মানুহে মানি চলে তাৰ কাৰণে সমাজে ধৰ্ম্মৰ সহায় লৈছিল আৰু বহুতেই সমাজৰ ভিতৰত আধ্যাত্মিক উন্নতিৰ সুবিধা কৰিব নোৱাৰি হাবি বন আশ্ৰম নাইবা পৰ্ব্বতৰ শিখৰলৈ ওলাই গৈছিল। সেয়ে এই কলুষিত সমাজতেই মাজে মাজে একোজন লোক পূৰ্ণতাৰ চৰম সীমাত উপনীত হ'লেও আচলতে দোষমুক্ত হ'ব নোৱাৰি ছিল। কেৱল খং, ভয়, দুঃখ বিপদৰ পৰা মুক্ত হ'লেই নহ'ব। আমি নিসঙ্গতাৰ পৰাও মুক্ত হ'ব লাগিব। মানৱ জীৱনৰ অদৃষ্ট আৰু সম্ভাৱনা বোৰৰ ওপৰত আমি যদি বিশ্বাস ৰাখোঁ তেনেহলে জগতৰ মুক্তি নোহোৱালৈকে আমি বিশ্ৰাম ল'ব নোৱাৰোঁ। সকলোবোৰ প্ৰকৃত ধৰ্ম্মৰ মূল কথা হ'ল যে মানুহে পূৰ্ণতা লাভ কৰিব পাৰে, মানুহৰ ভিতৰত জন্মগত স্বৰ্গীয় পৱিত্ৰতা আছে আৰু ঈশ্বৰৰ ভিতৰত পৃথিৱীৰ সকলোবোৰ প্ৰাণী ইটোৰ লগত সিটো মিলিত হবগৈ পাৰে। যি সকল লোকে দেহ আৰু আত্মাৰ ঐক্য লাভ কৰিছে, তেওঁবিলাকে আত্মতুষ্টি নাইবা নিচেষ্ট সহানুভূতিৰ ভিতৰতে সময় নকটায়। এওঁবিলাকে সক্ৰিয় সেৱাত আত্মনিয়োগ কৰে। যোতিয়ালৈকে জগতবাসী অসুখী হৈ থাকে বা জগতবাসীয়ে মুক্তিলাভ কৰিব নোৱাৰে তেতিয়ালৈকে তেওঁবিলাকে শান্তি নেপায়। বাহিৰৰ জগতৰ

লগত সমন্বয় নোহোৱালৈকে কোনো মানুহে অন্তৰৰ সম্পূৰ্ণ শান্তি লাভ কৰিব নোৱাৰে। যেতিয়ালৈকে পৃথিৱীত স্বৰ্গৰ আদৰ্শ অপৰিপূৰ্ণ হৈ থাকে তেতিয়ালৈকে সাধুলোকে সম্পূৰ্ণৰূপে আপোন সত্বাক বাহিৰৰ জগতত বিলাই দিয়ে আৰু পৃথিৱীত ক্ৰমে আদৰ্শ প্ৰতিষ্ঠাৰ কাৰণে ধীৰ, স্থিৰ ভাৱে প্ৰচেষ্টা চলায়। জগতৰ মুক্তি বিনে কোনো মানুহৰ প্ৰকৃত মুক্তি নাই।

ধৰ্ম্মৰ ভিতৰেদি মানুহে ক্ৰমেই উন্নত জীৱন সন্ধানৰ পথত ধাবিত হয়—কিন্তু পাপৰ ভিতৰত মানুহে পায় আত্মতুষ্টি। আত্মতুষ্টি হৈছে হীন মনোবৃত্তিৰ স্পষ্ট পৰিচায়ক। পৃথিৱীত যদি কিবা নিকৃষ্ট কথা হ'ব পাৰে—সি হৈছে মানুহে যেতিয়া উচ্চ আদৰ্শৰ চেতনা হেৰুৱাই পেলায়। যেতিয়ালৈকে মানুহে জাগৰণৰ আহবান শুনে, যিমানেই পাপী নহওক লাগে মানুহে নিজক উন্নত কৰিব পাৰে। বিবেকৰ দোষাৰোপত আশা আছে কিন্তু বিবেক নীৰৱ হৈ যোৱাৰ লগে লগে মানুহে মৃত্যুৰ কবলত হে বাস কৰে। যিমানেই মানুহ উন্নত হ'ব সিমানেই মানুহে আদৰ্শ লাভ নকৰালৈকে সন্তুষ্ট নহয়।

অৰ্থ আৰু সামাজিক মূল্য যুক্ত যি কোনো ধৰণৰ জীৱনেই হৈছে নৈতিক জীৱন। বিশেষ কোনো সুপৰিকল্পিত আদৰ্শ নেথাকিলে, আমি জীৱনৰ কোনো বিকাশকেই অস্বীকাৰ কৰিব নোৱাৰোঁ। যি দৰে মানৱ প্ৰকৃতি বিভিন্ন ধৰণৰ আছে সেইদৰে পূৰ্ণ বা প্ৰকৃত আদৰ্শবান লোকো বহু ধৰণৰ আছে। জগতত বহু ধৰণৰ সাধুলোক আছে। ভগবদ গীতাৰ মতে যি কোনো উত্তম, মহৎ, সুন্দৰ আৰু শক্তিমান ৰূপেই হৈছে ঐশ্বৰিক শক্তিৰ প্ৰভাৱ। প্লেট'ৰ দৰ্শনতো উল্লেখ আছে যে বিশ্বৰ বিভিন্ন বস্তুৰ অন্তৰালত অসংখ্য "মূল ঐক্য" আছে—স্বৰ্গৰাজ্যৰ বহু ভৱনতে ভগবানে বাস কৰে।

নিজকে ওপৰলৈ তুলি নিয়াৰ সংগ্ৰামত লক্ষ্য স্থান লাভ কৰিব

নোৱাৰিলে আমি বিচলিত হ'ব নালাগে। কাৰণ খেলাৰ মাজত খেলাটোৱেই আচল কথা। খেলাত হৰাজিকাটো একো কথা নহয়। কৃতকাৰ্য্য হওঁ বা নহওঁ নাইবা শেষ কৰিব পাৰোঁ বা নোৱাৰোঁ কৰ্ত্তব্য পালন আমি কৰি যাব লাগিব।

অমঙ্গল জৈছে এক নেতিবাচক ধাৰণা। ই মঙ্গলৰ অভাৱ বা অপৰিপূৰ্ণতা বুজায়। যি কোনো মঙ্গল কাৰ্য্যই পৰম মঙ্গলৰ ফালে যাত্ৰা কৰা বুজায়। মঙ্গল আৰু অমঙ্গলৰ পাৰ্থক্য চৰম নহয়। প্ৰকৃততে সংঘৰ্ষ চলে মঙ্গল বা তাতোকৈও মঙ্গল আৰু অমঙ্গল বা তাতোকৈও অমঙ্গলৰ ভিতৰত হে। ভাল বেয়া বুলি কোনো কথা নাই, উচ্চতা আৰু নিম্নতাৰ হে পাৰ্থক্য আছে। আনৰ ধাৰণাক কোনো মূল্য নিদি নিজৰ মতবাদ প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাক আমি ত্যাগ কৰিব লাগিব। প্ৰতিপক্ষক অনৰ্থক বুলি বাদ দিয়াতকৈ আমি তেওঁলোকক বুজিবলৈ চেষ্টা কৰা আৰু তেওঁলোকৰ প্ৰতি সহানুভূতি দেখুওৱা প্ৰয়োজন। হাঁহিমুখে আমাৰ বাঞ্ছিত আদৰ্শৰ বিপক্ষশক্তিৰ সম্মুখীন হোৱা বৰ টান। কিন্তু তাতেই আধ্যাত্মিক লোক সকলৰ জয় হয়। সাধাৰণতে যি হয় আৰু প্ৰকৃতকে যি হোৱা উচিত এই দুইৰ মাজত ঘটা বৈষম্যৰ প্ৰতি আধ্যাত্মিক লোক সকলে বিক্ষোভ প্ৰদৰ্শন নকৰে। জীৱনৰ যি ৰূপকে তেওঁলোকে মানি লয়—তাৰ ওচৰতেই যে কেৱল তেওঁলোক নম্ৰ এনে নহয়, তেওঁলোকে যাক অস্বীকাৰ কৰে তাকো আনন্দেৰে মানি চলিব পাৰে। তেওঁলোক কাৰো বিৰুদ্ধে গৈ অশান্তি ভোগ নকৰে নাইবা হতাশো নহয়। অসহিষ্ণুতা তেওঁলোকৰ কাৰণে অধৰ্ম্ম। নিজৰ অন্তৰত থকা সৰলতা আৰু নিঃস্বাৰ্থপৰায়ণতা বিপক্ষদলৰ ভিতৰতো আছে বুলি তেওঁলোকে ভাবিব পাৰে। ঈশ্বৰক জাতীয় প্ৰতীক হিচাবে নাইবা প্ৰতিশোধকাৰী যুদ্ধৰ গৰাকী বুলি তেওঁলোকে নেভাৱে

যি ধৰ্ম্মই কেৱল প্ৰেমৰ বিশ্বজনীন সত্বাৰ ওপৰত হে বিশ্বাস ৰাখে সেই ধৰ্ম্মই প্ৰতিপক্ষৰ ওচৰত আমি ক্ষমাশীল হোৱাটো তেওঁলোকে বিচাৰে আৰু বিচাৰে যি সকলৰ লগত আমাৰ দ্বন্দ্ব চলে সেই সকলৰ ওচৰতো যাতে আমি শান্ত আৰু সাত্বিক ব্যৱহাৰ কৰিব পাৰোঁ। যি সকল লোক আমাৰ ধৰ্ম্মাৱলম্বী নহয় সেই সকল হ'ল বিধৰ্ম্মী বা অন্ধ বিশ্বাসী আৰু যি সকলে আমাৰ ধাৰণা গ্ৰহণ নকৰে তেওঁলোক হৈছে মূৰ্খ বা দুবৃত্ত—এনেকৈ ভবাটো আমাৰ স্বাভাৱিক প্ৰবৃত্তি। একোজন মানুহে ব্যক্তিগত মতামত লৈ কিয় আমাক অসুবিধাত পেলায় সেই কথাটো আমি সহজে বুজি পাম যদি আমি তেওঁৰ ব্যৱহাৰৰ পট-ভূমিকা, মানসিক প্ৰবৃত্তি, শিক্ষা আৰু অতীত জীৱনৰ ঘটনা সমূহ কিছু পৰিমাণে জানিবলৈ চেষ্টা কৰোঁ। এজনৰ দৃষ্টিভঙ্গী বুজিবলৈ চেষ্টা কৰাৰ দ্বাৰা যে তেওঁক ক্ষমা কৰাই হয় এনে নহয় তেঁওৰ মতামতৰ মূল্যাঙ্কনো হয় আৰু এক উচ্চ সঙ্গতি সাধনৰ কাৰণে অৱশেষত তেওঁক জয় কৰাও হয়। হিন্দু পুৰাণত ৰাৱণ আৰু হিৰণ্যকশিপুক অমঙ্গলৰ প্ৰতীক বুলি ধৰা হৈছিল; তথাপি তেওঁলোকৰো পৰিত্ৰাণৰ আৱশ্যকতা আছিল। কাৰণ নিজৰ বীৰত্ব-সূচক ধাৰণা সমূহ জিয়াই ৰাখিবলৈ তেওঁলোকেও দীৰ্ঘকাল জুৰি আন্তৰিক প্ৰচেষ্টা চলাইছিল। ৰাৱণৰ কঠোৰ চেহেৰাৰ আঁৰত আৰু ৰামক জয় কৰা আৰু সীতাক হৰণ কৰাৰ উত্তেজনাৰ অন্তৰালত —তেওঁৰ গভীৰ অন্তৰত অছিল অনেক কোমল অনুভূতি আৰু সজ প্ৰবৃত্তিৰ সমাৱেশ। সীতাৰ ব্যক্তিত্বক তেওঁ বিশেষ শ্ৰদ্ধা কৰিছিল। ৰাৱণ ৰামৰ মাৰাত্মক শত্ৰু বুলি ভবাৰ আগতে আমি মনত ৰাখিব লাগিব মানুহৰ দুখ, ক্ষোভ, আক্ৰোশ আৰু গভীৰ কষ্টৰ ফলত হে হয়। আমি যি সকলক বুজিবলৈ চেষ্টা নকৰোঁ, তেওঁলোকতকৈ নিজক ডাঙৰ বুলি গৌৰৱবোধ কৰাৰ স্বভাৱক আমি

এৰিব লাগিব। সৃজনীশক্তিৰ বিকাশৰ ধাৰা বহুবিধ—প্ৰত্যেকৰে আপোন মূল্য আছে। প্ৰত্যেক কাৰ্য্যৰে ভাল বেয়া দুয়োটা দিশ আছে, প্ৰত্যেক কাৰ্য্য সমাধানৰ শুধ আৰু অশুধ পথ আছে।

ভগৱানৰ ৰাজ্যত ভালৰ সংমিশ্ৰণ নোহোৱাকৈ কোনো কথাই সম্পূৰ্ণ বেয়া হ'ব নোৱাৰে। অমঙ্গলৰ পৰা আঁতৰি আহোঁতে তাৰ প্ৰতি বিক্ষোভ প্ৰদৰ্শন কৰা অনুচিত। এনে ক্ষেত্ৰত হৃদয়ৰ অসীম সাহস আৰু সমৰ্পণৰ ক্ষমতা প্ৰদৰ্শন কৰিব লাগিব। সম্পূৰ্ণ সহানুভূতি আৰু প্ৰেমৰ দৃষ্টিৰে আমি জগতৰ সকলো দুৰ্য্যোগকে মানি ল'ব লাগিব। ই অৱশ্যে অনুগ্ৰহ পূৰ্ব্বক দয়া বা ক্ষমা নহয় —ই হৈছে তাতোকৈও মহৎ এক ন্যায় যাৰ বলত আমি মানুহক মানুহ ৰূপেই গ্ৰহণ কৰিব পাৰোঁ, দোষেগুণে মানুহক ভাল পাব পাৰোঁ। ফলত এই কথাটো আমাৰ ওচৰত পৰিষ্কাৰ হৈ পৰে যে সাধাৰণতে ধৰি লোৱা পাপ বা অপৰাধৰ পৰাও সুন্দৰৰ সৃষ্টি হ'ব পাৰে। ইডেনৰ উদ্যানত ইভৰ কাৰ্য্যাৱলীৰ ফলাফল যিমানেই দুখ-জনক নহওক লাগে আমাৰ ভিতৰত কোনে বাৰু নিজকে ইভতকৈ নৈতিক ক্ষেত্ৰত মহৎ বুলি ভাবিবলৈ যাব? সেই যুগৰ সেই অৱস্থাত পৰিলে আমি তাতকৈ বেলেগ ৰূপে যে কিবা এটা কৰিলোঁ হেতেন সেই বিষয়ে নিজেই নিশ্চিত নহওঁ। নিকৃষ্ট দুবৃৰ্ত্তৰ ভিতৰতো যি কন সত্য আছে তাক মানি লব পাৰিলে মানৱৰ নতুন অভিযানত আমাৰ সহায় সম্ভৱ হ'ব। বিপক্ষ জনৰ লগত ব্যবহাৰ কৰোঁতে তেওঁৰ ওপৰত বিশ্বাস আৰোপ কৰিব পৰাটোৱেই মঙ্গলজনক। প্ৰকৃত আধ্যাত্মিক লোক ভীতি আৰু আক্ৰোশহীন। অকল হিন্দু সন্ন্যাসীয়েই নহয়, এজন ইউৰোপীয় দাৰ্শনিক স্পিনোজাই* কৈছে যে

---

* স্পিনোজা :—ইহুদী দাৰ্শনিক। (১৬৩২—১৬৭৭), তেওঁৰ দৰ্শন হৈছে অদ্বৈতবাদ বা বিশ্বাত্ববাদ।

সাহসী লোকে যিমানে সকলো কথাকে স্বাভাৱিক ৰূপত গ্ৰহণ কৰিব পাৰিব সিমানে তেওঁ বুজিব যে এই জগতত ভয় আৰু অক্ৰোশৰ কোনো কাৰণ নাই। তেওঁৰ প্ৰয়োজন হ'ব মঙ্গল সাধন কৰি আনন্দ উপলব্ধি কৰা। অৱশ্যে স্পিনোজাই স্বীকাৰ কৰিছে যে এই জীৱন যি দৰে দুষ্প্ৰাপ্য সেইদৰে কষ্ট কৰো। তদুপৰি আটাইতকৈ ওখ গছ জোপায়ো স্বৰ্গ চুকি নেপায়।

অতি ভাল মানুহৰ ভিতৰতো কিছু দুৰ্ব্বলতা বা অক্ষমতা থাকিব পাৰে। জন্মগত প্ৰবৃত্তি থাকিব পাৰে, তেওঁলোকৰো ভুল ভ্ৰান্তি হ'ব পাৰে। আমি কেতিয়াবা কোনো মানুহৰ ওপৰত বেছিকৈও গুণ আৰোপ কৰি পেলাব পাৰোঁ। এই দুৰ্ব্বলতা বোৰ তেওঁলোকৰ পতনৰ প্ৰকৃত কাৰণ নহয়, তথাপি এই দুৰ্ব্বলতাৰ আলমতে বহু ভাল মানুহৰ দুঃখজনক পৰিণতি নিয়তিয়ে ঘটাব পাৰে। এই সকল লোকৰ ভিতৰত আমাৰ দুৰ্ব্বলতা বোৰ থকা কাৰণে তেওঁলোকৰ প্ৰতি আমাৰ সহানুভূতি নহয়। সহানুভূতি হয় তেওঁলোকৰ ভাগ্য বিপৰ্য্যয়ৰ কাৰণে।

জগতে ভাল কৰিব নোৱাৰে বুলি এৰি দিয়া দুষ্ট মানুহৰ ভিতৰতো আমি ভাবিব নোৱৰাকৈ সজ গুণ আছে। ভালৰো কি দৰে পতন আৰু দুষ্টৰো কি দৰে উদ্ধাৰ হয়—এই কথা ভাবি আমি আনক দোষাৰোপ কৰোঁতে সাৱধান হোৱা উচিত।

একোজন মানুহৰ উদ্ভণ্ডালিৰ মূলত থাকে বহু সামাজিক জটিল অৱস্থা—আৰু সেইবোৰ সামাজিক জটিল অৱস্থাৰ উদ্ভাৱন হয় আমাৰ সকলোৰে কাৰণে। আনফালে ব্যক্তিগতভাবে আৰু পোনপতীয়াকৈ আমি কোনোৱে সেইবোৰৰ কাৰণে দায়ী নহওঁ। মহান শিল্পীয়ে দেখুৱাইছে ওথেলোৰ পতন কি দৰে অনিবাৰ্য্য। তদুপৰি বহুবোৰ অসৎ কাৰ্য্য মানুহে কৰে বিবেচনাৰ অভাৱত, হৃদয়ৰ অভাৱত নহয়।

অকল দোষাৰোপ বা শাস্তিৰ দ্বাৰা এইবোৰ সমস্যাৰ সমাধান নহয়। মানুহৰ গোপন অন্তৰত যি বোৰ উত্তেজনা বা অবিবেচনা আছে তাক মানুহে লাহে লাহে শিক্ষাৰ দ্বাৰা দমন কৰিব লাগিব আৰু নতুন মূল্যবোধৰ কাৰণে সামাজিক পৰিৱৰ্ত্তনৰ লগত খাপ খুৱাই সেইবোৰক সু পথলৈ পৰিচালিত কৰিব লাগিব।

প্ৰচলিত নৈতিকতাৰ বিৰুদ্ধে কৰা বিদ্ৰোহে এইটোকে বুজায় যে মানুহৰ বিবেকশক্তি বাঢ়িছে। নৈতিক বিধান সমূহৰ পৰিবৰ্ত্তন হয় কেজনমান মানুহৰ ফলত হে। তেওঁলোকে পুৰণিধাৰণাবোৰ মনৰ পৰা আঁতৰাই নতুন সত্য উপলব্ধি কৰে। তেওঁলোকৰ দৃষ্টি আমাৰ গতানুগতিক বিশ্বাসতকৈ বেছি মহৎ আৰু সুক্ষ্ম। ৰক্ষণশীল সকলৰ মনত প্ৰত্যেক নীতি সংস্কাৰকেই হ'ল অসাধু। ৰক্ষণশীল দলে চিন্তাশীল লোকসকলৰ বিপজ্জনক কাৰ্যাৱলীতকৈ গতানুগতিক ৰীতিনীতিৰ পৰা পোৱা সুখ কনকেই বিচাৰে। কিছুমান সামাজিক নীতি নিয়মৰ ওপৰত নৈতিক জীৱন গঢ়ি উঠে বুলি তেওঁলোকে ভাবে। এই ৰীতি নীতিবোৰ মানি নচলা সকলেই হ'ল অসাধু যদিও এই অসাধু সকলৰ কাৰ্য্যাৱলীয়েই পিছৰ যুগত নৈতিক মূল্য লাভ কৰি পুনৰ চলিত প্ৰথালৈ পৰিৱৰ্ত্তন হয়। কোনো এটা ক্ষণত উচ্চ জীৱনৰ ধাৰণা কৰোঁতে কেজনমান লোক হে সময়তকৈ আগবাঢ়ে। কিছুমান পিছ পৰি থাকে। বেছিভাগ লোকেই বৰ্ত্তমান ৰীতি নীতিৰ লগত খাপ খাই থাকে। প্ৰথম শ্ৰেণীৰ লোক সকল হ'ল বিপ্লৱী। দ্বিতীয় শ্ৰেণীক অপৰাধী আৰু তৃতীয় শ্ৰেণীক স্বাভাৱিক মানুহ বুলি কোৱা হয়। উন্নতিসাধন হয় বিপ্লৱী সকলৰ কাৰণেই। যি সকলে গতানুগতিকভাৱে চলে, জীৱনৰ কিছুমান পৰীক্ষা নকৰা সূত্ৰ লৈয়ে তেওঁলোক সন্তুষ্ট, তেওঁলোকে পৰচৰ্চ্চা কৰি সময় কটায় আৰু তেওঁলোকৰ গল্পবোৰেই প্ৰমাণ কৰে যে জীৱনটো

কিছুমান সূত্ৰৰ সমষ্টি নহয়। অন্যায় নকৰে বুলি আৰু উচ্চ ধৰ্ম্মাৱলম্বী বুলি ইহুদী সকলৰ যি খ্যাতি আছে সেই খ্যাতিয়ে আমাক ৰক্ষা কৰিব নোৱাৰে। শিলাময় ভূমিত যি দৰে সেউজীয়া ঘাঁহ নগজে আৰু সজীৱতাৰ অভাৱ হয় ঠিক সেইদৰে গতানুগতিক জীৱনৰ কোনো মাধুৰি নাথাকে। নৈতিক বিধানবোৰ মানি চলাটো ভাল—কিন্তু এই ক্ষেত্ৰত অতিপাত নৈষ্ঠিকতা অমঙ্গলজনক। নৈতিক বিধানসমূহে আমাক জীৱন পথত নিৰ্দ্দেশ আৰু পোহৰ দিয়ে কিন্তু বিধানবোৰকে জীৱনৰ সৰ্ব্বেসৰ্ব্বা কৰি ল'লে ই আমাৰ বুদ্ধি নাশ কৰে আৰু ই আমাক অন্যায় পথলৈ লৈ যায়।

নৈতিক বিধানবোৰক অতি পৱিত্ৰ বুলি ভাবিলে উন্নতিৰ কোনো সম্ভাৱনা নাথাকে। জীৱনটো হৈছে এক অভিযান—নতুনৰ উদঘাটন। ই কেৱল ধৰাবন্ধা পৰিকল্পনা নহয়। ইয়াক বুলিব পাৰি একৰকম খেলা, যি খেলাৰ নিয়মবোৰ আমি চমুকৈ জানিব নোৱাৰোঁ। মহাবিশ্বৰ উদ্দেশ্য আৰু ক্ৰমবিকাশৰ লক্ষ্যৰ লগত সংযোগ কৰা সজীৱ বাসনাৰ বাহিৰে কিছুমান সংক্ষেপ নিয়মে আমাক উত্তম জীৱন যাপন কৰাত সহায় কৰিব নোৱাৰে। বৰ্ত্তমান অস্থিৰতাৰ কাৰণ হৈছে মানুহৰ জ্ঞান আগতকৈ বাঢ়িছে আৰু নৈতিক আৰু সামাজিক প্ৰতিষ্ঠানসমূহৰ ইতিহাস মানুহে বুজি উঠিছে। বহু শিক্ষিত লোকে এইটো উপলব্ধি কৰিছে যে তেওঁলোকে নিজে বিশ্বাস নকৰা বহু কথাই মানি চলিছে আৰু অৰ্থহীন বহু কৰ্ত্তব্যই তেওঁলোকে পালন কৰি গৈছে। প্ৰচলিত ধাৰণাসমূহ তেওঁলোকৰ ভাল নলগা হৈ আহিছে আৰু তেওঁলোকে সুস্থ জীৱন ধাৰা সৃষ্টি কৰিবলৈ উদ্বিগ্ন হৈ উঠিছে। সৰ্ব্বসাধাৰণৰ মনত আঘাত লাগিব বুলিয়েই যে তেওঁলোকে সুঅভ্যাস গঠন নকৰিব এনে নহয়। পূৰ্ব্বপুৰুষ সকলৰ দৰে আমি কঠোৰ জীৱন যাপন কৰা নাই। এই কথা ফাকিত সম্পূৰ্ণ সত্যতা

নেথাকিবও পাৰে। আৰু থাকিলেও ই কোনো অসম্মানজনকো নহয়। ন্যায় বুলি ধৰি লোৱা তেওঁলোকৰ বহু কথাকে আজি ভুল বুলি দোষাৰোপো কৰিছোঁ। আমাৰ ৰুচিৰ পৰিৱৰ্ত্তন ঘটিছে। এ সময়ত মানুহে নিজৰ স্ত্ৰীক বিক্ৰী কৰাটো ন্যায় বুলি ভাৱিছিল। দাস সকলক ফাঁচীত দিয়াই চেনিকাই একো অসুবিধা পোৱা নাছিল। চিজাৰৰ মল্ল-যুদ্ধতকৈ যদিও যোৱা যুদ্ধ কম ভয়াবহ নাছিল তথাপি চিজাৰে যিমান সহজে যুদ্ধৰ পক্ষপাতী হ'ব পাৰিছিল সেইভাবে আমি নোৱাৰোঁ।

কিন্তু এইটো সচা কথা যে অতীতৰ কোনো কোনো যুগতকৈ আমি নৈতিক ক্ষেত্ৰত পিছুৱাই পৰিছোঁ। কোনো আদৰ্শৰ লগত খাপ নোখোৱাৰ কাৰণে আমাৰ অসুবিধা হোৱা নাই—অসুৱিধা হৈছে আদৰ্শৰ প্ৰকৃত অৰ্থ নুবুজাকৈ যেনে তেনেকৈ চলি যোৱা কাৰণেহে। আমাৰ জীৱনধাৰা আৰু চিন্তাৰ জগতত আজি অৱণতি ঘটিছে। এই ভীষণ অক্ষমতাৰ পৰা নিজকে যদি ৰক্ষা কৰিব লগা হয়, আমাৰ যি পথেই নহওক লাগে আমি বীৰোচিতভাৱে চেষ্টা চলাৰ লাগিব। ক্লেশ, কঠোৰ ব্ৰত, নিয়মানুবৰ্ত্তিতা, ত্যাগ, মানৱতা আৰু সহিষ্ণুতা নহলে আমাৰ এই সৎ সাহস সম্ভৱ নহয়। মুঠতে আমি সকলো অৱস্থাকে মানি লৈ অদম্য সাহসেৰে কৰ্ম্মপথত আগবাঢ়ি যাব লাগিব।

## পাৰিবাৰিক জীৱন

মানৱ জীৱনৰ শাৰীৰিক, জৈৱিক, মানসিক আৰু অনুভূতি, সৌন্দৰ্য্য আৰু নীতি আদিৰ বিভিন্ন দিশেই হ'ল পৱিত্ৰ। কাৰণ, এই সকলোবোৰেই স্বৰ্গীয় সত্ত্বা গঢ়ি তোলাত আমাক সহায় কৰে। শাৰীৰিক ফালটো আমি অৱহেলা কৰা অনুচিত। আনফালে জৈৱিক ক্ষেত্ৰত মৰহি যাব নালাগে। আমাৰ প্ৰকৃতিৰ সকলো

ক্ষালে যাতে উচ্চ বিকাশ হয় তাৰ বাবে আমাৰ বিশেষ লক্ষ্য থকা দৰকাৰ। বিবাহৰ যোগেদি উচ্চ জীৱন গঢ়াৰ অৰ্থে যৌন প্ৰবৃত্তিক মূল বুলি আমি গ্ৰহণ কৰিব লাগিব। অৱচেতন মনৰ অৱৰুদ্ধ বাসনাৰ দ্বাৰা মানুহ বশীভূত হ'লে জীৱনৰ বান্ধোন আৰু তাৎপৰ্য্য নষ্ট হৈ যায়। লগে লগে সমাজত এক বিশৃঙ্খলাৰ সৃষ্টি হয়।

প্ৰকৃত বিবাহত যৌন জীৱন পৱিত্ৰ হৈ উঠে। ই মানুহৰ অন্তৰ্নিহিত সৌন্দৰ্য্যক বহিঃপ্ৰকাশ দিয়ে। প্ৰেমৰ আপোন স্থায়িত্বৰ কাৰণে সমুখত এক আদৰ্শ থাকে। আদৰ্শ উপলব্ধিৰ কাৰণে স্বামী স্ত্ৰী দুয়ো নিজৰ জীৱন উৎসৰ্গা কৰিব লাগিব। স্বামী স্ত্ৰীয়ে উভয়ে উভয়ক গ্ৰহণ কৰি তেওঁলোকৰ মূলগত বৈষম্য বোৰৰ পৰা এক নতুন সমন্বয়ৰ সৃষ্টি কৰিব লাগিব। তেওঁলোকৰ মাজত সত্য সম্বন্ধ গঢ়ি তুলিবলৈ উভয়ে প্ৰচেষ্টা চলাব লাগিব। আৰু এই পথত সকলো বিপদৰ সন্মুখীন হবলৈ তেওঁলোক ইচ্ছুক হ'ব লাগিব। জীৱনৰ কৃতকাৰ্য্যতা লাভ কৰিবলৈ তেওঁলোকৰ প্ৰয়োজন হ'ব ধৈৰ্য্য, সংযম, সহিষ্ণুতা, দয়া আৰু সতৰ্কতাৰ। মানবীয় উত্তেজনা বুদ্ধিৰে সংশোধন কৰিব পাৰি কিন্তু এই সংশোধন সম্পূৰ্ণ হৈ নুঠে। যথাৰ্থতে জন্তুৱে যিদৰে অহৰহ বুদ্ধিৰ প্ৰয়োগ কৰিব খোজে ঠিক সেইদৰে কিন্তু মানুহ সম্পূৰ্ণৰূপে বিবেচক হবলৈ নিবিচাৰে। বিবাহিত জীৱনত দুখ সুখ দুয়োটাই আছে। বিবাহ বিচ্ছেদবোৰ ঘটে ভুল ধাৰণাৰ কাৰণে। বহুতে ভাবে বিবাহিত জীৱনটো হ'ব সদায় শান্তিময় আৰু যেতিয়াই এই শান্তি ভঙ্গ হয় তেতিয়াই বিবাহিত জীৱনটোৰ অৱসান ঘটিব লাগিব। বিবাহবিচ্ছেদবোৰ সাধাৰণতে কোনো এটা পক্ষৰ বিশ্বাস-ঘাতকতা বা ব্যাভিচাৰৰ কাৰণে নহয়, আচলতে ই ঘটে উভয়ৰে মানসিক অসামঞ্জস্যতাৰ কাৰণে আৰু স্বামী স্ত্ৰীৰ দুয়োৰে জীৱনৰ বিভিন্ন মূল্যবোধৰ কাৰণে। বাধা বিঘিনিৰ মাজতো

যদি বিবাহে দুজন ব্যক্তিৰ উন্নতি সাধন কৰে বুলি আমি বুজি পাওঁ তেন্তে বিবাহিত জীৱনৰ প্ৰত্যেক বিপদকেই নতুন উন্নতিৰ ভেটি বুলি আমি মানি লব পাৰিম। প্ৰকৃত বিবাহ হ'ল জীৱনৰ সবাতোকৈ মহৎ প্ৰাপ্তিৰ প্ৰতীক। স্বামী স্ত্ৰীৰ পৰস্পৰৰ প্ৰতি ভুল ধাৰণা, পাশৱিক প্ৰবৃত্তি, বৈষম্য বা বিকৃতি আনকি পাপৰ ক্ষেত্ৰতো প্ৰকৃত বিবাহিত জীৱনত ইজন সিজনৰ প্ৰতি অনুৰক্ত হৈ থাকিব। বিবাহ বিচ্ছেদ সদায়ে ঘৃণনীয়। যি সকল দুৰ্ব্বল লোকৰ জীৱনৰ উদ্দেশ্য হ'ল—সুখ আৰু স্বাস্থ্য, তেওঁলোকেহে অন্তৰৰ বিকাশ আৰু পূৰ্ণতাৰ কথা নেভাবি বিবাহ বিচ্ছেদ সমৰ্থন কৰে। উন্নত আধ্যাত্মিক লোক সকলে গভীৰ আঘাত পাই দুখক মানি লয়। তেওঁলোকে ভাবে দুঃখে মানুহক প্ৰেৰণা যোগাব পাৰে কিন্তু জঘন্য-তাই নোৱাৰে। পুৰুষতকৈ নাৰী বেছি সহিষ্ণু। নাৰীয়ে ভালপোৱা জনৰ দোষ আনকি অপৰাধো পাহৰি যাব পাৰে। নাৰীৰ ভিতৰত যি আধ্যাত্মিক সূক্ষ্মতা আছে আমি সকলোৱে তাক আয়ত্ব কৰা দৰকাৰ।

উচ্চ জীৱনৰ কাৰণে সন্তান বিশেষ সহায়। লৰাছোৱালীৰ প্ৰতি ভালপোৱাৰ প্ৰবৃত্তিয়ে শিশুৰ সঙ্গ আৰু অভিজ্ঞতা পোৱাত সহায় কৰে। নিজৰ সুখ সম্ভোগৰ কথা ভাবি সন্তানৰ প্ৰতি পিতৃমাতৃৰ অতিপাত অৱহেলা আৰু কৰ্ত্তব্যহীনতাৰ যি অস্বাভাৱিকতাই সমাজত দেখা দিছে সি আজি বেছি দিনৰ কথা নহয়। ৰাজ্যিক শিশুসদন ওলাইছে কিন্তু সেইবোৰ এতিয়া ও জনপ্ৰিয় হোৱা নাই। শিশুৰ সৰ্ব্বপ্ৰকাৰ বিকাশৰ কাৰণে পিতৃমাতৃৰ ভালপোৱা আৰু সতৰ্কতা প্ৰয়োজন। পিতৃমাতৃৰ পৰিপূৰক কোনো হ'ব নোৱাৰে। বিবাহ বিচ্ছেদ বোৰৰ গণনাৰ পৰা বুজিব পাৰি বহুবোৰ বিচ্ছেদ ঘটিছে সন্তানহীন স্বামীস্ত্ৰীৰ মাজত হে। বেছিভাগ নাৰীৰে নহয় পুৰুষৰো

সন্তান কামনা আছে। যেতিয়ালৈকে এই কামনাৰ বিনাশ নহয় তেতিয়ালৈকে বিবাহে স্বামী স্ত্ৰীৰ আজীৱন মিলন বুজাব।

অজ্ঞতা আৰু বাহ্যিক বাধ্য বাধকতাৰ ফলত হোৱা পলায়নবাদী আৰু সংসাৰত্যাগী ধৰ্ম্ম সমূহ প্ৰকৃততে ধৰ্ম্ম নহয়। অজ্ঞ সৰলতাতকৈ জ্ঞানপূৰ্ণ সংযম ভাল। প্ৰগতিশীল লোক সকলে এই কথাটোত জোৰ দি ঠিকেই কৰিছে যে যদিও এক বিবাহ সমাজৰ আদৰ্শ, অথাপি এই কথাটোও বিবেচনাৰ বিষয় যে এক বিবাহৰ ফলত বহু নাৰীৰে যৌন অতৃপ্তি ঘটে, আৰু বহু নাৰীয়ে গণিকাবৃত্তি গ্ৰহণ কৰে। বিবাহৰ ধাৰাবোৰ অলৰ অচৰ হোৱা বা শিথিল হোৱা কোনোটাৱেই যুক্তিযুক্ত নহয়। পুৰুষ নাৰী উভয়ৰে এক ধৰণৰ নৈতিক বিধান হ'লে সমাজত অধঃপতন নুবুজায়, ই উন্নতি হে বুজায়। নাৰীয়ে নিজক হীন প্ৰতিপন্ন কৰি পুৰুষৰ পৰ্য্যায়লৈ যোৱাতকৈ পুৰুষ নাৰীৰ স্থানলৈ উঠা উচিত। নাৰীৰ ওপৰত যুগে যুগে যি অত্যাচাৰ চলি আহিছিল তাৰপৰা নতুন অভিজ্ঞতাই নাৰীক ৰক্ষা কৰিছে। এই নতুন অৱস্থা যিমানেই ভয়ঙ্কৰ নহওক লাগে আমি বুকুত সাহস আৰু বিশ্বাস ৰাখি তাৰ সম্মুখীন হ'ব লাগিব। নহ'লে আমাৰ আশা ভঙ্গ হ'ব। এইটো সচা কথা যে যুগ পৰিবৰ্ত্তনৰ সময়ত বহু অশুভ ফল হ'ব পাৰে। আজিকালিৰ শিক্ষিতা ছোৱালীবোৰ আগৰ ছোৱালীতকৈ যৌন বিষয়ে বেছি সচেতন। তেওঁলোকৰ আধুনিক ভাৱ ভঙ্গীয়ে নৈষ্ঠিক শ্ৰেণীৰ লোকক আঘাত দিছে—যি বোৰ স্কুল কলেজত সহশিক্ষা চলিছে সেইবোৰত কুকাৰ্য্যৰ কাৰণে উত্তেজনাৰ সৃষ্টি হৈছে।

নাৰীৰ অস্থিৰতাৰ প্ৰকৃত কাৰণ হ'ল নাৰীৰ কৰ্ম্মহীন জীৱন। বাইৰণে কৈছিল পুৰুষৰ কাৰণে প্ৰেমেই সকলো নহয়। কিন্তু প্ৰেমেই নাৰীৰ সমস্ত সত্ত্বা। আমি সাধাৰণতে বুজোঁ যে নাৰীৰ স্থান হ'ল

ঘৰখনত—কিন্তু ঘৰৰ বান্ধোন আজি নোহোৱা হৈ আহিছে। যন্ত্ৰৰ সহায়ত সাংসাৰিক কামবন বহুখিনি কমি গৈছে—হোটেলবোৰে ঘৰুৱা কাম বহুখিনি চলাই দিছে। ইয়াৰ ফলত নাৰীয়ে বহু পৰিমাণে শক্তি সঞ্চয় কৰিব পাৰিছে কিন্তু এই শক্তি খুটৱাবলৈ উপযুক্ত কাম আজি নাৰীৰ নাই। সাধাৰণতে পুৰুষ সদায় ব্যস্ত। কিন্তু নাৰীয়ে আজৰি পায় বহুপৰ। কৰ্ম্মহীন আজৰি পৰত নাৰীৰ মন অসন্তোস আৰু বিকৃত উদ্বিগ্নতাই আগুৰি ধৰে। জীৱনটো যেন উদ্দেশ্যহীন আৰু অৰ্থহীন এক আৱৰ্জ্জনা। সেই অৱস্থাত নাৰীয়ে যেতিয়া হাতত ধন পাই কৰ্ম্মহীন জীৱনৰ ৰিক্ততা, আনন্দ উপভোগ আৰু ব্যক্তিগত সুখ সম্ভোগেৰে পূৰাই দিয়ে, আমি তেওঁলোকক দোষিব নোৱৰোঁ। সমাজত নাৰীৰ পুৰণি ধৰনৰ কাম নোহোৱা হ'ল আনফালে তেওঁলোকৰ কাৰণে নতুন কামৰো আৰম্ভ হোৱা নাই। বিবাহিতা নাৰীয়েই দিনটো কামত ব্যস্ত থাকিব নালাগে। বিবাহিতা নাৰীৰে যেতিয়া ইমান শোচনীয় অৱস্থা, তেনেস্থলত অবিবাহিতা সন্তানহীন, বিধবা আৰু ডাঙৰ হৈ নাইবা বিয়া কৰাই উঠি লৰা-ছোৱালীয়ে এৰি থৈ যোৱা ব্যক্তিত্ববাদী সমাজৰ নাৰীৰ তাতোকৈও বেয়া অৱস্থা। সকলো অনৰ্থৰ মূলত হ'ল নাৰীৰ যথোপযুক্ত কামৰ অভাৱ। ৰিক্ত জীৱনৰ দৈন্যই তেওঁলোকক বিকৃত পথেদি লৈ যায় আৰু সেই কাৰণেই নাৰীক উপযুক্ত কামত ব্যস্ত ৰখাটো প্ৰয়োজন।

আধুনিক জগতে জীৱনৰ স্থূল দিশটোত প্ৰাধান্য দিয়াটো ভুল হৈছে। বিবেকৰ পৰা উদ্ভূত সংযম নাথাকিলে আৰু কেৱল অনুভূতিৰ দ্বাৰা চালিত হ'লে, মানুহ সেই পশুৰ জগতলৈকে আকৌ নামি যাব। উত্তেজনাই বিবেকক নাশ কৰা অনুচিত। আত্মপ্ৰকাশ আৰু উত্তেজনা একে কথা নহয়। এইটো সত্য কথা যে মুক্তি আমাৰ আৱশ্যক। আৰু অন্তৰে অনুমোদন নকৰিলে আমি কোনো বাহিৰা শাসন মানিব

নালাগে কিন্তু ইয়াক অপৈনত মনৰ ডেকা লৰাছোৱালীক কাৰ্য্যকৰী কৰিবলৈ দিলে ভয়াবহ ফল হ'ব। অন্তৰৰ অনুমোদন হয় বাহিৰ জগতৰ সমৰ্থনৰ পৰাই। অমান্য কৰাৰ স্বাধীনতা সেই সকলেই পায়—যি সকলৰ বাহ্যিক শাসনৰ প্ৰয়োজন নাই। স্বাধীনতা পোৱাৰ আগতেই প্ৰত্যেক ব্যক্তিয়ে নিজক নিয়মানুবৰ্ত্তিতাৰ অধীন কৰিব লাগিব। অপৈনত বয়সৰ লৰাছোৱালীয়ে তেওঁলোকৰ ইচ্ছানুযায়ী কিছুমান বিধান কৰিব নোৱাৰে। নভৱা নিচিন্তাকৈ অসাৱধান ভাৱে আৰু ভুল ধাৰণা আৰু আদৰ্শ লৈ বিবাহিত জীৱনত সোমাব নালাগে। অতি আধুনিক সকলৰ "আইনগত বিবাহ" খন্তেকৰ কাৰণে তিষ্ঠি হাস্যজনক হৈ পৰিছে। পৰীক্ষামূলক বিবাহো সমৰ্থিত ৰক্ষিতা ব্যৱস্থাৰ বাহিৰে আন একো নহয়। এনে বিবাহৰ সমৰ্থনকাৰী সকলে যে কেৱল প্ৰচলিত প্ৰথাকেই অবমাননা কৰিছে এনে নহয়, ভৱিষ্যৎ মানব জাতিৰ উদ্দেশ্যৰ প্ৰতিও তেওঁলোক সজাগ নহয়। তেওঁলোকৰ বিবাহৰ লক্ষ্য হ'ল মাত্ৰ যৌন তৃপ্তি—আধ্যাত্মিক উপলব্ধিৰ তাত স্থান নাই। যৌৱনৰ প্ৰথম উদ্দীপনা আৰু বিদ্ৰোহত পুৰুষ আৰু নাৰীৰ আন্তৰিকতা থাকিব পাৰে কিন্তু বয়স হৈ অহাৰ লগে লগে তেওঁলোকে বুজি পায় যে এই উদ্দীপনা আৰু বিদ্ৰোহ যৌন জীৱনতে হওক বা আধ্যাত্মিক আৰু সামাজিক ক্ষেত্ৰতে হওক শুভ ফলদায়ক নহয়।

## অৰ্থনৈতিক সম্বন্ধ

অপব্যৱহাৰৰ ফলত কোনো এটা বস্তুৰ প্ৰকৃত ব্যৱহাৰ নষ্ট হৈ নেযায়। বিজ্ঞানে ক্ৰমেই বহু যন্ত্ৰপাতি আৱিষ্কাৰ কৰিছে আৰু এই বৈজ্ঞানিক শক্তি আৰু যন্ত্ৰপাতিৰ প্ৰকৃত ব্যৱহাৰৰ দ্বাৰা আমি প্ৰাকৃতিক দুৰ্য্যোগৰ ভিতৰতো মানবীয় মূল্য ৰক্ষা কৰি যাব পাৰিম।

পুৰণি গ্ৰীক সকলে ভৃত্য সকলৰ বলত যি আনন্দ লাভ কৰিছিল আৰু যি কৃষ্টি গঢ়ি তুলিছিল বিজ্ঞানৰ বলত আজি সদৌ মানৱ সমাজেও তেনে কৃষ্টি গঢ়ি তুলিব পাৰিব। ঘৰত বোৱা কাপোৰ আৰু কলৰ কাপোৰৰ ভিতৰত কোনবিধ বেছি ভাল নাইবা মটৰ গাড়ীতকৈ গৰু গাড়ীহে বেছি ভাল ইত্যাদি কথা আমি ধৰ্ম্মত নেপাওঁ। আমি কেৱল এইটো কথা মনত ৰাখিব লাগিব যাতে আমি যন্ত্ৰৰ গোলামী কৰিব লগা নহয়। যান্ত্ৰিক শক্তিৰ ফলত যাতে আমি সেউজী পথাৰ আৰু নীল আকাশৰ দৃশ্যৰ পৰা বঞ্চিত হৈ কেৱল অন্ধকাৰ আলয় আৰু ধোঁৱাময় নগৰত বাস কৰিব লগা নহয়।

শ্ৰম আৰু আজৰিৰ মাজত আমি যে ইমান প্ৰভেদ উলিয়াওঁ তাৰ কাৰণ কামত আমি আনন্দ নেপাওঁ। যি কোনো কামকে আনন্দদায়ক কৰি তুলিব পৰা মনৰ ফালৰ পৰা সম্পূৰ্ণ আৰু সক্ৰিয় সহযোগৰ আজি আমাৰ অভাৱ। জীৱনৰ প্ৰয়োজনীয় বস্তুৰ পিছে পিছে হাবাথুৰি খাই আমি বিৰক্ত হৈ পৰোঁ। কিন্তু কামক আমি আনন্দদায়ক কৰি তুলিব লাগিব। কৰ্ম্মীবৃন্দই কৰ্ম্মস্থলীৰ সকলো ব্যৱস্থাতে আনন্দ বিচাৰি পাব লাগিব।

কাম কৰাৰ প্ৰেৰণা মানুহৰ দুই প্ৰকাৰৰ হ'ব পাৰে—ধনসম্পত্তি, সুখসম্ভোগ, খ্যাতি আৰু ক্ষমতা আদিৰ হকে ই পাৰ্থিব বা অৰ্থনৈতিক প্ৰেৰণা হ'ব পাৰে। নাইবা সাধুতা, জ্ঞান, সহানুভূতি ন্যায়পৰায়ণতা, আৰু সবলতা আৰু সেৱাৰ প্ৰেৰণা হিচাবে ই সামাজিক আৰু আধ্যাত্মিক হ'ব পাৰে। বাস্তৱ মূল্যবোধ আৰু ব্যৱসায়ী দৃষ্টিৰে আমি কামত নামিব নালাগে। কৰ্ম্মী সকলে নিজৰ ভিতৰত বিভেদমূলক মনোবৃত্তি সৃষ্টি কৰাতকৈ একে সংগঠনৰ কাৰণে কাম কৰিছে বুলি ভাবি একে গোট হে হ'ব লাগিব। পৰস্পৰক বুজি পাব লাগিব। ব্যক্তি আৰু সমষ্টিৰ জীৱনত মানবীয় আৰু আধ্যাত্মিক

একতাৰ সজীৱ আৰু বিশ্বজনীন চেতনা জগাই তুলিব লাগিব। বিভিন্ন কৰ্ম্মবিভাগত পৰস্পৰ সহানুভূতি আৰু নিৰ্ভৰশীলতাৰ ভাৱ থাকিব লাগিব।

ধনেই সকলো নহয়। জীৱনৰ সুন্দৰ বস্তুবোৰ ধনে আমাক দিব নোৱাৰে। মানুহৰ একান্ত বাঞ্ছিত মানসিক আৰু আন্তৰিক সুখ সন্তোষ আৰু শুভ ইচ্ছা ধনেৰে আমি কিনিব নোৱাৰোঁ। প্ৰয়োজনেই কেৱল মানৱজীৱনক চালিত নকৰে। মানুহ কেৱল সম্পত্তি উৎপন্নকাৰী কৰ্ম্মীয়েই নহয়। মানুহৰ সৌন্দৰ্য্যৰ প্ৰতি ভালপোৱা আৰু মানসিক কৃষ্টিৰ স্পৃহা আদি মানবীয় মূল্যবোধ আছে। অন্তৰৰ শান্তি আৰু মুক্তি নাথাকিলে বাহ্যিক কৃতকাৰ্য্যতাই আমাক সুখী কৰিব নোৱাৰে। বাস্তৱ উন্নতিৰ কাৰণে উদ্বিগ্ন হৈ আমি প্ৰতিষ্ঠান সমূহৰ পৰিৱৰ্ত্তন আৰু আধুনিক জীৱন ব্যৱস্থাৰ বাহ্যিক জটিলতাৰ ওপৰত জোৰ দিছোঁ। কিন্তু মানবৰ বাঞ্ছিত বস্তুৰ মান ওপৰলৈ তুলিব নোৱৰালৈকে কেৱল সামাজিক প্ৰতিষ্ঠান সমূহৰ উন্নতি আৰু গতানুগতিক সংগঠন সমূহে আমাক সহায় কৰিব নোৱাৰে। বিজ্ঞানে জীৱনৰ মলিনতা আৰু ৰিক্ততা দূৰ কৰিছে সচা; ই আমাক আজৰিও দিছে কিন্তু আমি এই আজৰি পৰৰ সদব্যৱহাৰ কৰিব জানিব লাগিব। প্ৰকৃত শিক্ষাই হে এইক্ষেত্ৰত আমাক সহায় কৰিব।

## ৰাজনীতি

সাধাৰণ তন্ত্ৰৰ প্ৰকৃত অৰ্থ হৈছে প্ৰজাৰ স্বায়ত্ত্ব শাসন। প্ৰজাৰ ওপৰত শাসন যিমানেই কমিব, সিমানেই শাসন ব্যৱস্থা ভাল হৈ পৰিব। যি সকলে মানব প্ৰকৃতিৰ আদৰ্শবাদী দৃষ্টি নলয় সেই সকলেহে চৰকাৰৰ শাসনবৃদ্ধি পোৱাটো পছন্দ কৰে। দাসত্ব বৃত্তিতকৈ মানবীয় মৰ্য্যদাৰ দ্বাৰা অনুপ্ৰাণিত হ'লে বাহ্যিক ব্যৱস্থাৰ

দ্বাৰা আমি শাসিত হবলৈ নিবিচাৰিম। সকলোবোৰ শাসন প্ৰণালীয়েই স্বায়ত্ব শাসনতে লক্ষ্য ৰাখে।

প্ৰজাতন্ত্ৰ শাসন প্ৰণালীত জনতাৰ সাধাৰণ ইচ্ছাক সাৰ্ব্বভৌম শক্তি বুলি বিবেচনা কৰা হয়—কিন্তু এই সাধাৰণ ইচ্ছাৰ দ্বাৰা "তাৰিফ সংস্কাৰ" বা ভাৰতীয় সংবিধান আদিৰ বিশেষ কথাৰ নিৰ্দ্ধাৰণ নহয়। কিছুমান দেশত প্ৰজাতন্ত্ৰ কৃতকাৰ্য্য হোৱাৰ কাৰণ হ'ল ই প্ৰকৃত প্ৰজাতন্ত্ৰ নহয়। ই এতিয়াও আদৰ্শত হে আছে। প্ৰজাতন্ত্ৰক কাৰ্য্যকৰী পদ্ধতি হিচাবে গ্ৰহণ কৰোতে আমি কিছুমান অৱিচ্ছেদ্য মানবীয় অধিকাৰ মানি লওঁ। নাৰী পুৰুষ নিৰ্ব্বিশেষে সকলো পৰ্য্যায়ৰে প্ৰত্যেক মানুহৰ লগত ব্যৱহাৰ কৰোঁতে আমি এই মানবীয় অধিকাৰ সমূহৰ প্ৰতি সন্মান জনাব লাগে। আমাৰ ব্যক্তিত্ব পৱিত্ৰ আৰু প্ৰত্যেক মানুহকেই নিজৰ ব্যক্তিত্ব বিকাশ কৰিবলৈ দিয়া উচিত। প্ৰত্যেক মানুহৰে ক্ষমতা অনুযায়ী উচ্চতম বিকাশ হ'ব লাগে। প্ৰজাতন্ত্ৰই এইটো নুবুজায় যে জন্মগত বৈশিষ্ট্য, বিশেষ দক্ষতা আৰু ব্যক্তিগত প্ৰচেষ্টাত মানুহৰ বৈষম্য নাই আৰু সকলো মানুহে সমানে দৰ্শন, সাহিত্য, শিল্প বিজ্ঞান আৰু আইন কানুনৰ মূল্যাঙ্কন কৰিব পাৰে। আইন ষ্টাইনৰ তত্ত্বৰ সত্যতা আমি ভোটৰ দ্বাৰা নিৰ্ণয় কৰিব নোৱাৰোঁ। মানুহ বুদ্ধিমান, সেই কাৰণেই যে মানুহে সকলো সময়তে বিবেচনা কৰি চলিব নাইবা সকলো বিষয়তে সমানে বুদ্ধি প্ৰয়োগ কৰি যাব এই বিষয়ে নিশ্চয়তা নাই।

প্ৰজাতন্ত্ৰই নকয় যে আমি সকলো সমান। দৈহিক আৰু বুদ্ধিৰ ক্ষেত্ৰত মানুহৰ জন্মগত পাৰ্থক্য আছে আৰু এই পাৰ্থক্য সদায় থাকিবই। মানুহৰ মাজত শকত, ক্ষীণ, দীঘল চুটি, ডাঙৰ সৰু আছে, এই বৈষম্যবোৰ কেতিয়াও লোপ নেপায়। এইটোও সচা যে কোনো সামাজিক সংগঠনে মানুহক একেবাৰে সমান সুবিধা দিব নোৱাৰে।

কাৰণ সুযোগ লাভৰ মূলত আছে মানুহৰ নিজা নিজা সামাজিক পৰিৱেশ আৰু এই পৰিৱেশৰ মাজত সন্তৱ হোৱা আপোন কামৰ ধাৰা। তথাপি সমাজত সকলোকে সমানে সুযোগ দিবলৈ চেষ্টা কৰাটো সুস্থ আদৰ্শ। সমাজৰ বুকুৰ পৰা অজ্ঞতা আৰু দৰিদ্ৰতাৰ বন্ধন দূৰ কৰিব লাগিব। মহৎ শিল্প আৰু সাহিত্য জাতিৰ বুকুত প্ৰসাৰিত হৈ থাকিব লাগিব। দেশৰ কৃষিৰ মান আমি ওপৰলৈ তুলিব লাগিব। সমাজত প্ৰত্যেক ব্যক্তিয়েই আপোন সত্ত্বা আৰু নিজৰ অনুভূতি, ভাব আৰু বাসনাৰ একতা উপলব্ধি কৰিব লাগিব। প্ৰজাতন্ত্ৰ প্ৰকৃতিৰ ৰাজ্য নহয়। চেষ্টা আৰু শিক্ষাৰ দ্বাৰা লাভ কৰিব পৰা ই এক আদৰ্শ। ৰাজনৈতিক ব্যৱস্থা হিচাবে ইয়াৰ দুৰ্ব্বলতাৰ কাৰণ হ'ল সততা আৰু বুদ্ধিৰ ক্ষেত্ৰত ব্যক্তিগত ভোটাৰ সকলৰ অকৃতকাৰ্য্যতা। ভোটাৰৰ বুদ্ধিৰ উন্নতি আৰু নেতা সকলৰ সততা বাঢ়িলে প্ৰজাতন্ত্ৰ আৰু অধিক কৃতকাৰ্য্য হ'ব। অৱশ্যে ই সম্পূৰ্ণ পূৰ্ণতা লাভ কৰিব নোৱাৰিব পাৰে। তথাপি ই অতীতৰ ক্ষণস্থায়ী উদাৰ স্বেচ্ছাচাৰিতাৰ বাহিৰে আন যি কোনো শাসন ব্যৱস্থাতকৈ উত্তম। প্ৰজাতন্ত্ৰই সামাজিক শান্তি আৰু স্থিৰতা বৃদ্ধি কৰিছে। কাৰণ শাসন ব্যৱস্থাত আজি ভোটাৰ সকলে ৰাইজৰ সকলো সমালোচনা আৰু অসন্তুষ্টি চালি জাৰি চাব পাৰিছে।

## আন্তৰ্জাতিক সম্বন্ধ

পুৰণি আৰু ধুনীয়া কথাবোৰ গাই ফুৰিলেই আৰু মনত পৱিত্ৰ আস্থা পোষণ কৰিলেই এক মানব ৰাজ্য গঢ়ি নুঠে। ইয়াৰ কাৰণে প্ৰাথমিক প্ৰয়োজন জাতিবোৰৰ মাজত ভাতৃত্ব আৰু মৈত্ৰীভাৱ। পৰস্পৰৰ মাজত হোৱা ভুল ধাৰণাই আৰু ভুৱা দেশপ্ৰেমে আজি মাৰাত্মক ৰূপ ধাৰণ কৰিছে। যি জাতিক ঘিন কৰিছোঁ সেই জাতিক আমি

প্ৰকৃততে নাজানোঁ। নিউমেনে এটা ঘটনা বৰ্ণনা কৰিছে যে সৰুতে তেওঁ লণ্ডন মহানগৰীৰ ৰাজপথেদি নেপোলিয়নৰ ফৌজ শোভাযাত্ৰা কৰি গৈ থকা দেখিছিল—সেই শোভাযাত্ৰাৰ ভীৰৰ মাজত ইংৰাজ সকলে ফৰাচী সকলৰ নেজ আছে নে নাই জানিবলৈ পিছৰ ফালৰ পৰা অতি সাংঘাতিক ধৰণে কাপোৰ তুলি তুলি চাইছিল। ইমান ওচৰতে থকা ফৰাচী সকলৰ প্ৰতিও ইংৰাজ এনে অজ্ঞ আছিল আৰু তেওঁলোকে এনে অদ্ভুত ধাৰণা কৰিছিল। ইংৰাজে ফৰাচী সকলক বান্দৰ বুলি ভাৱিছিল। আমি অৱশ্যে আজি শত্ৰু সকলক বান্দৰ বুলি নেভাৱিলেও তেওঁলোকৰ ভিতৰত বান্দৰালি আছে বুলি ভাৱোঁ। অলপতে ভাৰতবৰ্ষৰ বিষয়ে এখন বৰ উত্তেজনাপূৰ্ণ কিতাপ ওলাইছে। সেই কিতাপত ভাৰতীয় জাতিটোৰ ওপৰত দোষাৰোপ কৰা হৈছে, ভাৰতবৰ্ষক ভূমণ্ডলৰ পৰা বহিষ্কাৰৰ কথা নকলেও আমাৰ ওপৰত তেওঁলোকৰ আধিপত্যৰ যুক্তিযুক্ততা এই কিতাপত দেখুওৱা হৈছে। কাৰ্লাইলৰ এটা তীব্ৰ উপমা আছে—যে কুকুৰবোৰে যি দৰে খন্তেকৰ কাৰণে ইটোৱে সিটোক স্থুঙাস্থুঙি কৰে সেইদৰে জাতিবোৰেও ইটোৱে সিটোৱে কিছুদিনৰ কাৰণে লগ লাগে। মোৰ ভুল হ'ব পাৰে—এই কথাটো এতিয়াও লোপ পোৱা নাই। বিশ্বশান্তি আজি শিক্ষিত লোকৰ বিবেক বুদ্ধি আৰু মনোভাৱৰ একতা আৰু ব্যৱসায় আৰু আদৰ্শৰ জ্ঞান বৃদ্ধিৰ ওপৰত যিমান নিৰ্ভৰ কৰিছে সিমান ই চহীযুক্ত, দলিলপত্ৰ, চুক্তি, অৰ্থনৈতিক সন্ধি, ৰাজনৈতিক সংযোগ আদিৰ ওপৰত নিৰ্ভৰ কৰা নাই। যেতিয়ালৈকে আমি কৃতকাৰ্য্যতা আৰু ব্যৱসায়ৰ উন্নতিৰ ওপৰত জোৰ দিম তেতিয়ালৈকে ওচৰ চুবুৰীয়াৰ লগত আমাৰ বৈষম্য থাকিব, কিন্তু অংশীদাৰ হৈও হ্ৰাস কৰিব নোৱৰা বস্তু—যেনে আত্মাৰ সৌষ্ঠৱ আৰু মনৰ আনন্দৰ কাৰণে যেতিয়া আমি জীৱন উৎসৰ্গা কৰিম তেতিয়াহে সকলো মানব যে এক এই অনুভূতি

আমাৰ প্ৰাণলৈ আহিব আৰু এইবোৰ অনুভূতিয়েহে আমাৰ অৰ্থনৈতিক সংগ্ৰামৰ তিক্ততা লাঘৱ কৰিব। এনে অনুভূতিয়েই হে জগতৰ নিৰাপত্তাৰ কাৰণে একমাত্ৰ প্ৰয়োজনীয় সহানুভূতি আৰু পৰস্পৰক বুজি পোৱা ভাৱ আমাৰ প্ৰাণত সৃষ্টি কৰিব।

চিন্তা আৰু অনুভূতিৰ একতাৰ উপৰিও যুদ্ধৰ প্ৰতি যি দৃষ্টিভঙ্গী দেশে দেশে গঢ়ি উঠিছে, সেই মনস্তত্ত্বৰো পৰিবৰ্ত্তন কৰিব লাগিব। সন্দেহবাদী সকলৰ কথা আমি বিশ্বাস কৰিব নোৱাৰোঁ। তেওঁলোকৰ মতে মানৱ জাতিয়ে সদায় যুদ্ধত আশ্বাস ৰাখি আহিছে আৰু ৰাখি থাকিব। যুদ্ধ আৰু দাসত্বৰ সমৰ্থনকাৰী সকলে সদায় এইবোৰ কথা কৈ আহিছে। আমি লাহে লাহে মানুহৰ মনৰ পৰিৱৰ্ত্তন সাধিব লাগিব। বিশ্বশান্তি বা আন্তৰ্জ্জাতিকতা হঠাতে হোৱা বৈজ্ঞানিক কৌশল নহয়। ই হৈছে ডাঙৰ হৈ উঠিবলৈ দীৰ্ঘকাল লগা এডাল কোমল লতাৰ দৰেহে। বিশ্বশান্তি স্থায়ী কৰিবলৈ আমাৰ প্ৰয়োজন হ'ব ধৈৰ্য্য, সহিষ্ণুতা পৰস্পৰৰ পৰিচয় আৰু শ্ৰদ্ধাৰ। শৈশৱৰ পৰা মানুহক মনুষ্যত্বৰ একতাত বিশ্বাস ৰাখিবলৈ শিকাব লাগিব। মানুহৰ মনত শান্তিৰ মমতা গঢ়ি তুলিব লাগিব। যুদ্ধমানে এখন উৱলি যোৱা ঘৰ। মানুহ আৰু মানৱ প্ৰকৃতিৰ একতা ভগৱানৰে উদ্দেশ্য। মানুহে নিজেহে কৃত্ৰিম বৈষম্য নিজৰ ভিতৰত উলিয়াই লৈছে। "তোমালোক হৈছা ভাই ভাই তোমালোকে নিজৰ ভিতৰত কিয় খোৱা কামোৰা কৰিছা?" আজি বুদ্ধিমান মানুহে আদিম যুদ্ধ প্ৰবৃত্তিৰ ওপৰত ভুল গৌৰৱ আৰোপ কৰিছে আৰু তাৰফলত কেজনমানৰ দোষৰ কাৰণে যে বহুলোকে কষ্টভোগ কৰিব লগা হৈছে সেইবোৰ কথা বাহিৰত প্ৰকাশ হোৱা প্ৰয়োজন। যুদ্ধই আমাৰ মাজত আক্ৰোশ আৰু আক্ৰমণৰ ভাৱ জগাই দিয়ে আৰু সৰ্ব্বসাধাৰণৰ মনত উগ্ৰ উত্তেজনাৰ সৃষ্টি কৰে কিন্তু সভ্যতাই এই সকলোবোৰ

উদ্বেগ আৰু উত্তেজনা দমন কৰিবলৈ সংগ্ৰাম চলাই আহিছে! শাৰীৰিক বা যি কোনো আক্ৰমণৰেই কাৰণ হ'ল মানুহৰ হীন লুভীয়া প্ৰবৃত্তি। মানুহৰ এই আক্ৰমণৰ ভাব অৰ্থহীন। আৰু ই সকলো ধৰণৰ সামাজিক মূল্যৰ গুৰিত কুঠাৰাঘাত কৰে।

সকলো সময়তে আমাৰ দেশ আমাৰ দেশ বোলা দেশপ্ৰেমৰ অহঙ্কাৰে আমাক উচ্চ মানৱতাৰ প্ৰতি অন্ধ কৰি ৰাখে। 'চিকাগো ট্ৰিবিউন' নামৰ বাতৰি কাকতৰ মূল কথা হ'ল—"আমাৰ দেশ"। আন আন দেশৰ লগত বৈদেশিক নীতি আলোচনা কৰোঁতে মানুহ সদায় আনৰ ন্যায্যতা সম্বন্ধে বিশেষ সতৰ্ক কিন্তু নিজৰ বেলিকা ন্যায় অন্যায় সকলো কথাই নিৰ্ব্বিচাৰে চলাই দিয়ে। জাতীয় গৌৰৱ আৰু আত্মসম্মানৰ প্ৰকৃত স্থান আছে—সেই বিষয়ে আমাৰ কবলগীয়া একো নাই। কিন্তু জাতীয় অভিমান আৰু অসহিষ্ণুতা মাৰাত্মক। ভুল দেশপ্ৰেমৰ ফলত অন্যায় কথাবাৰো আমি ক্ষমা কৰি যাওঁ। আৰু নিজৰ চৰকাৰকে নৈতিক বিধান সমূহৰ ওপৰত স্থান দিওঁ। আমাৰ চৰকাৰে কোনো অন্যায় কাৰ্য্য কৰিব নোৱাৰে, চৰকাৰৰ সমালোচনা হ'ব নোৱাৰে আৰু চৰকাৰৰ সকলোবোৰ হাই কাজিয়া ন্যায় সঙ্গত, এনে ধৰণৰ স্বেচ্ছাচাৰিতাৰ পৰা হোৱা দুৰ্নীতি অধৰ্ম্মৰ মূল কাৰণ। তথাপি এয়েই হ'ল জগতৰ ধৰ্ম্ম। এই ধৰ্ম্মৰ ভক্ত সকলে বহুখিনি ত্যাগ স্বীকাৰ কৰিব লগা হয়। আগতে কোনো ধৰ্ম্মৰ কাৰণে মানুহে ইমান নিঃস্বাৰ্থ ভাৱে সম্পূৰ্ণ ত্যাগ কৰা নাছিল। বলচেভিক সকলে জাতিবৰ্ণ নিৰ্ব্বিশেষে সমগ্ৰ মানৱ জাতিৰ মুক্তি বিচাৰিছে। ৰুচক তেওঁলোকে জাতি হিচাবে নেদেখে দেখিছে তেওঁলোকৰ বিশ্বাস প্ৰচাৰৰ কাৰণে এক আদৰ্শ হিচাবেহে। সেয়ে দেশাত্মবোধ এৰি দিলেহে তেওঁলোকে প্ৰকৃত পথত থাকিব। লেছিংয়ে কৈছিল "দেশপ্ৰেম মানুহৰ এক ডাঙৰ দুৰ্ব্বলতা। ইয়াক বাদ দি চলিব

পাৰিলেই ভাল" শাৰীৰিক পৰাক্ৰমতকৈ ডাঙৰ শক্তি আছে আৰু দেশপ্ৰেমতকৈও মহৎ প্ৰেম আছে। নিজৰ দেশক ভাল পালেই যে সমগ্ৰ মানৱতাৰ প্ৰতি অন্ধ হৈ পৰিব লাগিব এনে কথা নাই। বিভিন্ন জাতিবোৰ হ'ল সমগ্ৰ মানৱতাৰ একোটা অংশ আৰু প্ৰত্যেক জাতিয়েই আপোন ঐতিহ্যৰ প্ৰেৰণাত আগুৱাই যাব। আনৰ কথা নেভাবি নিজৰ দেশকেই কেৱল ভাল পোৱাটো বিপজ্জনক। নিজক প্ৰশংসা কৰাৰ দৰে নিজৰ দেশৰ বৰাই কৰাটো হ'ল হীন মনোবৃত্তিৰ পৰিচায়ক। ব্যৱসায়ী লোকৰ দৰে আমি আমাৰ প্ৰচলিত ৰীতি-নীতি আৰু ধাৰণা সমূহৰ প্ৰশংসা গাই থাকিলে ভাল নেদেখি। দেশাত্মবোধ মিছা গৌৰৱো নহয় অসহিষ্ণুতাও নহয়।

সদৌ মানৱ জাতিকে এক কৰাৰ দুটা উপায় আছে। এটা হৈছে সমস্ত পৃথিৱীত আধিপত্য বিস্তাৰৰ দ্বাৰা আৰু আনটো হ'ল সকলোবোৰ ৰাজ্য লৈ এক সম্মিলিত মানৱ ৰাজ্য গঠন কৰা। প্ৰথমটো উপায় সম্ভৱ নহয়। কাৰণ মানুহৰ দেশাত্মবোধ ইয়াৰ বিশেষ বাধা। যুদ্ধ আৰু হত্যা বিনে এই স্বপ্ন সফল হ'ব নোৱাৰে আৰু এই যুদ্ধত মানৱ জাতি ধ্বংস হ'ব পাৰে। এখন ডাঙৰ দেশে নিজৰ পৰাক্ৰম দেখুৱাবলৈ গৈ আন বিলাক দেশক ধ্বংস কৰিব কিয়? যুদ্ধ বিশেয ক্ষতিকৰ, ই অতিপাত ভয়াবহ আৰু সদৌ পৃথিৱী জয় কৰিব পৰা যুদ্ধৰ সৰঞ্জাম বা শক্তি কোনো সাম্ৰাজ্যৰে নাই। তদুপৰি বিশ্বৰ সৃষ্টি কৰ্ত্তাই সকলো মানুহকে একে কৰি গঢ়া নাই। তেওঁ পৃথিৱীত বেলেগ বেলেগ জাতি বেলেগ বেলেগ দেশ সৃষ্টি কৰিছে। কিন্তু বিভিন্ন জাতিৰ বিভিন্ন লক্ষ্য বোৰ এক কৰিব পৰা এক উচ্চ সমন্বয় বা আন্তৰ্জ্জাতিক প্ৰচেষ্টাৰ এটা সহজ আৰু যুক্তিযুক্ত উপায় আছে। প্ৰত্যেক জাতিয়েই এই প্ৰচেষ্টাত যোগ দিব লাগিব। বিভিন্ন জাতীয় সংগঠন বোৰৰ একতাৰ ভিতৰেদিয়েই মানৱতা গঢ়ি

উঠিব। আন্তর্জ্জাতিক শৃঙ্খলা ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব। ইউৰোপৰ দৰেই এচিয়াও যদি আজি স্বাধীন হৈ উঠে আৰু নিজৰ ওপৰত অৰ্থ নৈতিক শোষণ আৰু ৰাজনৈতিক আক্ৰমণ যদি এচিয়াই বন্ধ কৰিব খোজে তেন্তে বিশ্বৰ বুকুত ইউৰোপৰ প্ৰতিষ্ঠাসঙ্কটাপন্ন হ'ব বুলি ভবাটো অদ্ভুত যুক্তি। যেনে আমাৰ দেশ হিতৈষিতাহে পবিত্ৰ আৰু আনৰ দেশপ্ৰেম পৈশাচিক। বৰ্ত্তমান চলিত যি কোনো ৰকমৰ শোষণ নীতি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলেই এখন দেশক বিপন্ন হোৱা বুলি আমি ভাবোঁ। আজি বিশ্বৰ নিৰপত্তা কিছুমান দেশৰ পৰাধীনতাৰ ওপৰত নিৰ্ভৰ কৰা নাই, নিৰ্ভৰ কৰিছে সকলো দেশৰ স্বাধীনতাৰ ওপৰতহে। আন্তৰ্জ্জাতিক সহযোগৰ কাৰণে প্ৰত্যেক জাতিৰ স্বাধীনতা আজি বিশেষৰূপে প্ৰয়োজনীয়। আপোন প্ৰতিভাৰ পৰিচয় দিয়াৰ প্ৰত্যেক জাতিৰে অধিকাৰ আছে। সকলো জাতিক স্বাধীনতা দিয়াৰ লক্ষ্য জগতবাসীৰ থাকিব লাগিব। আৰু ইয়াৰ কাৰণে সকলোৰে প্ৰচেষ্টা চলাব লাগিব। আজি পৃথিৱীৰ কিছুমান অংশ আনবোৰতকৈ বেচি পিচপৰা। এই পিচপৰা দেশবোৰৰ দুৰ্ব্বলতাৰ সুবিধা লোৱা উচিত নহয়। অসহায় ওচৰ চুবুৰীয়াৰ পৰা আমি সুবিধা ল'ব নালাগে। সেইদৰেই একোটা জাতিয়ে ওচৰৰ দুৰ্ব্বল জাতিক ভয় দেখুওৱাটোও সকলো সাধু মানুহৰ মনত অপৰাধ বুলি গণ্য হ'ব। ব্যক্তিৰ দৰেই একোটা জাতিৰো আনৰ সহানুভূতিৰ প্ৰয়োজন। কিছুমান দেশে বহু যুগ ধৰি বদ্ধমূল ধাৰণাৰ পৰা মুক্তি লাভ কৰিবলৈ সংগ্ৰাম চলাই আহিছে। ৰাজনৈতিক ক্ষেত্ৰত উন্নত দেশবোৰে এইবোৰ জুৰুলা জাতিৰ প্ৰতি দয়া আৰু দমনৰ দৃষ্টিভঙ্গী লোৱাতকৈ সেৱা আৰু সহানুভূতিৰ দৃষ্টিভঙ্গী লোৱা হে দৰকাৰ। প্ৰাচ্যৰ জাগৰণক ইউৰোপৰ বিপদ হিচাবে দেখা উচিত নহয়। চীনৰ জাগৰণ হৈছে। ভাৰতবৰ্ষৰ স্বাধীনতা নিশ্চিত।

তুৰ্কী, পাৰস্য আৰু আফগানিস্থান ক্ষিপ্ৰতাৰে প্ৰগতিশীল হৈ উঠিছে। এই সকলোবোৰেই জগতৰ শুভ লক্ষণ। কোনো জাতিয়েই আন জাতিৰ প্ৰতি অমনোযোগী হৈ থাকিব নোৱাৰে। জাতিবোৰৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধি পাইছে। মানৱতাৰ ভবিষ্যত ভাগ্যৰ ওপৰত বিশ্বাস ৰাখিলে সকলো সময়তে যি কোনো অন্যায় আৰু অত্যাচাৰৰ বিৰুদ্ধে যুজিবলৈ আমি প্ৰেৰণা পাম।

উচ্চ আদৰ্শ কেৱল মনত পোষণ কৰিলেই নহব। ইয়াক বাস্তৱত পৰিণত কৰিবলৈ কাৰ্য্যকৰী পন্থাও লব লাগিব। সাধাৰণক সচেতন কৰিবলৈ জাতিসঙ্ঘ আৰু "কেলগ পেক্ট" আদিৰ প্ৰয়োজন আছে। কিন্তু গভীৰ আৰু ব্যাপকভাবে মানুহৰ মনত আজি সন্দেহৰ উদ্ভৱ হৈছে যে আপোন প্ৰতিষ্ঠা সংৰক্ষণৰ অৰ্থে মিত্ৰ জাতি সকলে এক গোট হৈ জাতিসঙ্ঘক অস্ত্ৰৰূপেহে ব্যৱহাৰ কৰিছে। জাতিসঙ্ঘ যে সকলোবোৰ জাতিৰ স্বাধীনতা আৰু নিৰাপত্তাৰ কাৰণে গঢ়ি উঠিছে এই কথাটো সৰ্ব্ব সাধাৰণৰ দ্বাৰা স্বীকৃত হোৱা নাই। "কেলগ পেক্টৰ" গ্ৰন্থকাৰে ক'লে যে "প্ৰত্যেক জাতিয়ে আত্মৰক্ষাৰ্থে যুদ্ধৰ সহায় ল'ব নে নলয় এই কথাটো নিজে নিজেই ঠিক কৰি ল'ব পাৰিব।" এইখিনি কথাৰ পৰাই "কেলগ পেক্ট"ৰ মূল্য বহুখিনি কমি গ'ল। ৰাষ্ট্ৰনীতিৰ প্ৰয়োজন হিচাবে যদি যুদ্ধক বৰ্জ্জন কৰা হয় তেনেহলে দ্বিধাহীন ভাৱে সকলো অৱস্থাতেই যুদ্ধ আমি বৰ্জ্জন কৰিব পাৰিম। কোনো যুদ্ধই ন্যায় সঙ্গত নহয়। ৰাষ্ট্ৰনীতিৰ কাৰণে যুদ্ধৰ প্ৰয়োজন নাই। আত্মৰক্ষাৰ উদ্দেশ্যতো যুদ্ধ ন্যায় সঙ্গত হ'ব নোৱাৰে। ভবিষ্যত বিপদৰ সম্ভাৱনাকো আত্মৰক্ষাৰ ভিতৰুৱা কৰি ল'ব পাৰি। তেনে স্থলত আত্মৰক্ষাৰ কাৰণে যুদ্ধৰ প্ৰয়োজন হ'ব। ধোৱা বৰণীয়া দেশত আন্ধাৰ পোহৰৰ পাৰ্থক্য নাই। হিংসাৰ প্ৰতিহিংসা আছেই, তাৰ

মাজত সত্য তিষ্ঠিব নোৱাৰে। যেতিয়ালৈকে জাতিবোৰ স্বাৰ্থন্বেষী হৈ থাকিব তেতিয়ালৈকে জাতিবোৰৰ মাজত সংঘৰ্ষ চলি থাকিব। নতুন আৰু ক্ৰমে বৃদ্ধি পোৱা বজাৰৰ খাতিৰত জাতিবোৰে প্ৰতিদ্বন্দ্বিতাৰ ভাৱ পোষণ কৰিব। কিন্তু শক্তিৰ দ্বাৰা দন্দ খৰিয়াল বোৰৰ মীমাংসা নহৈ বিবেচনাৰ দ্বাৰা মকামিলা হোৱা দৰকাৰ। এনেস্থলত সকলোবোৰ জাতিৰ কামত লগাকৈ এক সাধাৰণ বিচাৰ ধাৰা উলিয়াব লাগিব। এখন চুপ্ৰিম কোৰ্ট স্থাপন কৰিব লাগিব। সেই কোৰ্টে সৰ্ব্বসম্মতিস্চক বিচাৰৰ ৰায় দিব আৰু তাক কাৰ্য্যকৰী কৰি তুলিবলৈ চুপ্ৰিম কোৰ্টে পুলিচ বাহিনী ৰাখিব। যেতিয়ালৈকে বৰ মূৰীয়া শক্তি সমূহে কন মাত্ৰও ত্যাগ স্বীকাৰ নকৰে, নাইবা সাৰ্ব্বভৌমত্বৰ গৌৰব ত্যাগ নকৰে আৰু প্ৰয়োজন হলে শক্তিৰ দ্বাৰা সেই সাৰ্ব্বভৌমত্ব ৰক্ষা কৰিবলৈ চেষ্টা কৰিব তেতিয়ালৈকে জাতিসজ্ঘ আৰু চুক্তিবোৰ ভুৱা হৈয়ে থাকিব।

পৃথিৱীত আজিলৈকে শান্তিৰ হকে যিমানবোৰ উপায় উদ্ভাৱন জৈছে তাৰ ভিতৰত ধৰ্ম্মৰ আদৰ্শই হৈছে আটাইতকৈ আশাপ্ৰদ। অধিকাৰ আৰু কৰ্ত্তব্য পালনৰ দ্বাৰাই মানুহে নিজৰ বিভিন্ন স্বাৰ্থ আৰু আশাৰ দ্বন্দ্ব গুচাব নোৱাৰে। সন্ধি আৰু কূটনীতিৰ দ্বাৰা উত্তেজনা দমন কৰিব পাৰি কিন্তু এইবোৰে আমাৰ ভীতি নাশ কৰিব নোৱাৰে। আমাৰ অন্তৰ মানব প্ৰেমেৰে ৰঞ্জিত হ'ব লাগিব। আজি আমাৰ মাজত প্ৰয়োজন ধৰ্ম্মবীৰ সকলৰ। এই ধৰ্ম্মবীৰ সকলে সদৌ জগতৰ পৰিবৰ্ত্তনলৈ বাট নেচাই মানৱ সমাজ যে এটা পৰিয়াল এই কথাৰ সত্য প্ৰয়োজন হ'লে নিজৰ জীৱনতেই প্ৰতিষ্ঠা কৰি যায়। অন্তৰত আশা পোষণ নকৰি কামত নামিব লাগিব, জীয়াই থাকিবলৈ কৃতকাৰ্য্যতাৰ প্ৰয়োজন নাই। মহান 'ষ্টেব হল্ডাৰৰ' এই মূল কথাখিনি উপলব্ধি কৰা ধৰ্ম্মবীৰ সকলৰ আজি আমাৰ প্ৰয়োজন হৈছে।

DIBRUGARH KANOI COLLEGE
LIBRARY
Accession No.
9957

DIBRUGARH KANOI COLLEGE LIBRARY
Accession No. 9957

আজি প্ৰায় ২৫ বছৰৰ আগতে ইংলণ্ডৰ ট্ৰেন্স ট্ৰিবিউনাৰ কেগান পলৰ 'টুডে এণ্ড টুমৰ' চিৰিজ'তে ডক্তৰ ৰাধাকৃষ্ণণৰ কল্কি বা সভ্যতাৰ ভৱিষ্যৎ নামৰ পুথিখনৰ মৌলিক ৰচনা প্ৰকাশ পায়। ভাৰতত পোন প্ৰথমে ১৯৪৮ চনত বোম্বাইৰ "হিন্দ কিতাব"ত কল্কি প্ৰকাশিত হয়। ৰাধাকৃষ্ণণৰ এই পুথিখনিয়ে বৰ্ত্তমান এখনি সৰু ক্লাচিকৰ খ্যাতি আৰ্জ্জন কৰিছে। মানুহে আজি জাগ্ৰত মনৰ বিৰোধী প্ৰবৃত্তি বোৰৰ নিৰ্ম্মম সত্যতা তীব্ৰভাৱে অনুভৱ কৰিছে। মানুহৰ চেতন আৰু অৱচেতন বাসনাৰ তাতোকৈও অনিষ্টকৰ দ্বন্দ্ব সংঘৰ্ষবোৰ আধুনিক মনোবৈজ্ঞানিক সকলে ফঁহিয়াই দেখুৱাইছে। বিজ্ঞানৰ উন্নতি আৰু কাৰিকৰী আৱিষ্কাৰৰ জয় হোৱা স্বত্বেও মানৱ সভ্যতা আজি বহু দোষযুক্ত হৈ ৰল। সভ্যতাৰ এই পটভূমিকাত পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, আৰু ধৰ্ম্মৰ ক্ষেত্ৰত মানুহৰ কথা চিন্তা কৰি চালে এইটো বুজা যায় যে ব্যক্তিত্বৰ সুসমন্বয় আনিব পাৰি অকল আধ্যাত্মিক চৰ্চ্চাৰ যোগেদিহে। এই বিষয়ত নিৰ্ভীকভাৱে আলোচনা কৰিবলৈ গৈ ডক্তৰ ৰাধাকৃষ্ণণে তেখেতৰ নিপুন লেখনিৰ যোগেদি আধ্যাত্মিক জীৱনতে ভৱিষ্যৎ আশা ভৰসাৰ থল বুলি ঘোষণা কৰিছে।